অক্টোবৰ 2011 ▪ ₹ 20/-

চান্দমামা

Mumbai Edition

EACH POWER CAN BE UNLOCKED BY EATING THEIR FAVOURITE POPPINS. 10 POWERS: ***SHAPE SHIFTER***- GREEN APPLE, ***SPEED***-MANGO, ***FLIGHT***-ORANGE, ***GIANT***-WATERMELON, ***STRENGTH***-RASPBERRY, ***SHRINK***-LYCHEE, ***INVISIBLE***-PINEAPPLE, ***STRETCH***-MUSK MELON, ***FISSION***-BLACK CURRANT, ***FORCE FIELD***-GUAVA.

RECAP: RAM AND SHYAM RESCUE AN ALIEN - ZARTOGAARR, WHAN HIS SPACESHIP CRASHES TO EARTH. IN RETURN HE GIFTS THEM THE DEKATRIX, A POWERFUL GADGET WITH 10 POWERS.

উদীয়মান তাৰকা

যদি আপুনি আপোনাৰ পৰিয়াল বা ওচৰ-পাজৰৰ কোনো শিশুক যুৱ-তাৰকা হিচাপে পোহৰলৈ আনিব বিচাৰে, তেন্তে শিশুজনৰ বিৱৰণ আৰু আপোনাৰ যোগাযোগৰ বিৱৰণ আমালৈ লিখি নিম্নোক্ত ঠিকনাত প্ৰেৰণ কৰকঃ

Young Achievers-RCM,
Chandamama India Ltd,
No:2 Swati Enclave,
Door No 5 & 6,
Amman koil street,
Vadapalani,
chennai-26.
(or)
online@chandamama.com

বুলছ আই

সৃষ্টি বিশ্বকৰ্মা হ'ল এগৰাকী ১২ বছৰীয়া ছোৱালী যি নিচেই কম বয়সতে বিশেষ সফলতা লাভ কৰিছে। তেওঁ হ'ল এগৰাকী তীৰন্দাজ, যি অলপতে ৰাঁচীত অনুষ্ঠিত হোৱা ৩৪তম ৰাষ্ট্ৰীয় গেমছত খলকনিৰ সৃষ্টি কৰিছে।

তেওঁৰ দেউতাকে ৰাঁচীত এটা সৰু গেৰেজ চলায়, কিন্তু নানা বাধা-বিঘিনিৰ মাজতো তেওঁ সৃষ্টিআৰু তাইৰ ভনীয়েকক প্ৰয়োজনীয় সকলো সুবিধা প্ৰদান কৰি আহিছে। অলপতে পুণাত অনুষ্ঠিত হোৱা ৫৬তম ৰাষ্ট্ৰীয় স্কুল গেমছত তাই ব্ৰঞ্জৰ পদক লাভ কৰে আৰু ১৪ বছৰৰ তলৰ শাখাত প্ৰথম স্থান লাভ কৰি নিজৰ দললৈ সোণৰ পদক আজুৰি আনে। সৃষ্টিয়ে ২০১০ চনত বিজয়ৱাৰাত অনুষ্ঠিত হোৱা মিনি ৰাষ্ট্ৰীয় আচৰী প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰে।

সৃষ্টিয়ে লোহাৰডগা, ৰাঁচীত অৱস্থিত গ্ৰেটাৰ ত্ৰিৱেণী পাব্লিক স্কুলত ৭ম শ্ৰেণীত অধ্যয়ন কৰি আছে। তেওঁৰ স্কুলেও তেওঁৰ কৃত্বিত্বক লৈ সমানেই গৌৰৱ কৰে।

ঝাৰখণ্ডৰ আন আন এথলেটৰ বাবেও সৃষ্টি এক প্ৰেৰণাৰ উৎস। লাহে লাহে নানা ধৰণৰ সুবিধা সৃষ্টি হোৱাৰ বাবে সৃষ্টি আৰু তেওঁৰ দৰে আনসকলে ৰাষ্ট্ৰীয় পৰ্যায়ত অধিক ভাল প্ৰদৰ্শন কৰাৰ সপোন দেখিছে। ভাৰতৰ বাবে আন্তৰাষ্ট্ৰীয় পৰ্যায়ত এটা সোণৰ পদক লাভ কৰাটো সৃষ্টিৰ সপোন বিলাকৰ ভিতৰত এটা।

অক্টোবৰ ২০১১ ₹20/-
Founded by B. Nagi Reddi and Chakrapani

Editor & Publisher :
Prashant Sharad Mulekar

Associate Editors :
R. Vaasugi, K. Raja Sekhara Raju

Sub Editor :
Patricia Pandian

Content Head - Online :
Sowmya Bharadwaj

Senior Artists:
K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh, Sandeep Solkar

Artist :
Venki

Layout Designers :
B. Thirumal, K. Narendra, N. Sivakumar

Production In-charge :
Prashant Pawar

Circulation:
circulation@chandamama.com

Asst. Manager - Sales & Circulation:
Subhankar Rej

Sales Officer - Circulation :
K. Ravishankar

Advertisement :
sales@chandamama.com

Subscription :
Subscription@chandamama.com
Ramya K (Chennai)
Ph: +91 44 4399 2828

Head Office :
CHANDAMAMA INDIA LTD.,
P.O.Box No:19407, Mumbai-400093
Phone +91 22 28312872 / 28311849
Email:chandamama@chandamama.com
Website : www.chandamama.com

Published, Printed and Owned by CHANDAMAMA INDIA LTD., Published and Printed on their behalf by Prashant Sharad Muleker Published at B-3, Cross Road 'B', MIDC, Andheri (East) Mumbai - 400093. Printed At :- Kala Jyothi Process Pvt. Ltd, S.No.185, Kondapur, R.R.District-500133, Andhra Pradesh.
Editor :- Prashant Sharad Mulekar

এই সংখ্যাত আছে

চান্দমামা

Volume-2 October 2011 Issue-10

* পাঠকৰ পত্ৰ ...০৬
* যিয়ে যেনেকৈ কলে... ...০৭
* মোৰ স্মৃতি - ১ ...০৯
* মোৰ স্মৃতি - ২ ...১০
* যাদুকৰী গলপতা ...১১
* বন্ধুৰ পৰা পইছা উছুল ...১৭
* সঁচা আতচবাজী ...২১
* মিত্ৰ ভেদ - ২৩ ...২৫
* পৰিৱেশ সচেতনতা ...২৮
* তেওঁ সঁচাকৈয়ে মহান ...৩১
* ৰজাৰ খং ...৩৩
* ধাক দিয়া লোকলৈ বিবাহ ...৩৫
* এজন চিকিৎসকৰ জাগতিক জ্ঞান ...৩৯
* বুদ্ধিয়ক মন্ত্ৰী ...৪২
* গুণমণি ...৪৪
* এই দাড়ি মোৰ ...৪৮
* সুখীন ভৱন্তু ...৫১
* বগৰী গছ - ঘাঁহ ...৫৪
* শিথিলালয় - ১৯ ...৫৫
* আশা-নিৰাশা ...৬৩
* পৰোপকাৰ ...৬৪
* বুদ্ধিয়ক বান্দৰ ...৬৬
* মহানতা ...৬৭
* বেটুপাতৰ কাহিনী ...৭০
* মই কি হ'ব পাৰো ? ...৭১
* চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৩৩ ...৭২
* কৌতুক ...৭৩
* ৰাজকীয় খাদ্য ...৭৪
* কথাৰ মালিহা ...৭৬
* ভাৰত দৰ্শন ...৭৮
* বীৰবল ...৮০
* গুপ্তধনৰ বাকচ ...৮২

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

বুৰঞ্জীক সাক্ষী কৰি... দ্বিতীয় গান্ধী

অলপ আগতে যেতিয়া মই অক্টোবৰ মাহৰ সম্পাদকীয় লিখিবলৈ লৈ মোৰ মেজত বহিছিলো, মই ভাৱি আছিলো যে কোনো কথাৰে পুণৰাবৃত্তি নকৰাকৈ মই মোৰ পাঠকসকলক কেনেকৈ গান্ধীবাদৰ বিষয়ে কব পাৰো। তাৰ পিছত, আমাৰ সকলোৰে চকুৰ আগত বুৰঞ্জীৰ পুণৰাবৃত্তি ঘটিল।

আমাৰ বেছিসংখ্যকেই গান্ধী যুগৰ পিছত জন্ম লাভ কৰা আৰু সেইবাবেই গান্ধীৰ দৰ্শনে স্বধীনতা আন্দোলনৰ সময়ত জনতাক কিদৰে প্ৰভাৱিত কৰিছিল সেইকথা সম্পূৰ্ণৰূপে অৱধাৰন কৰিব নোৱাৰো। যোৱা মাহত আমি সেইকথা সচক্ষে দেখি তাক উপলব্ধি কৰিবলৈ সমৰ্থ হলো। জীৱনৰ প্ৰতি এক সৰল দৃষ্টিভংগী থকা এজন 'ডেকা'ই বুৰঞ্জী ৰচনা কৰিলে। তেওঁ আমাক এই কথা উপলব্ধি কৰাত সহায় কৰিলে যে যদিহে নিজৰ আৰু লক্ষ্যৰ ওপৰত বিশ্বাস থাকে, তেন্তে অসম্ভৱকো সম্ভৱ কৰি তুলিব পাৰি। এয়া হ'ল আমি নিজকে বুজি উঠাৰ সময় আৰু জীৱনৰ সৰু সৰু লক্ষ্যবিলাকত উপনীত হোৱাৰ সময়।

এই মাহত আমি দুৰ্গাপূজা আৰু দীপাৱলী পালন কৰো। আমি বেয়াৰ বিপৰীতে ভালৰ বিজয় উপভোগ কৰো আৰু ৰাৱণক বধ কৰি ৰামৰ অযোধ্যালৈ পুণৰাগমনক উদযাপন কৰো। দুৰ্গাপূজাৰ সময়ত দেৱী দুগাই মহিষাসুৰক বধ কৰিছিল আৰু এবছৰৰ অজ্ঞাতবাসৰ পিছত পাণ্ডৱসকলে নিজৰ পৰিচয় পুণৰ ঘোষণা কৰিছিল। দীপাৱলী ভগৱান শ্ৰীকৃষ্ণই নৰকক পৰাজিত কৰা আৰু মহবীৰে দিব্য জ্ঞান লাভ কৰাৰ লগতো সম্পৰ্কিত। এই সকলো উৎসৱ উদযাপন কৰাৰ সময়তে আমি আমাৰ মাজত থকা বেয়া গুণবিলাক বাছি উলিয়াই সেইবিলাকক শুধৰাবলৈ চেষ্টা কৰিব লাগে।

দহটা ভাষাত চান্দমামাৰ প্ৰকাশ আৰু আইফোন আৰু আইপেডত ইয়াৰ উপলব্ধতাই বেছ জনপ্ৰিয়তা লাভ কৰিছে। আমাৰ হেজাৰ হেজাৰ পাঠকৰ পৰা পোৱা সহাৰিয়ে চান্দমামাক এনৰইড প্লেটফৰ্মটো মুকলি কৰিবলৈ উদগণি যোগাইছে। আমি মোবাইলৰ বাবে আৰম্ভ কৰা চুটি এনিমেশ্বন কাহিনীয়েও পাঠকৰ বিপুল সহাৰি লাভ কৰিছে। অনাগত দিনবিলাকত চান্দমামাই ইণ্টাৰনেট আৰু মোবাইলৰ বাবে অধিক কাহিনীৰ সংযোজন ঘটাব। আমি আশাকৰো যে এই উপায়েৰে আমি আৰু অধিক সংখ্যক পাঠকৰ ওচৰ চাপিবলৈ সক্ষম হম। তোমালোকৰ পৰা আমি সদায় লাভ কৰি অহা অনুপ্ৰেৰণাই আমাক আগুৱাই যোৱাত প্ৰেৰণা দি আহিছে। আমি তোমালোকৰ সমৰ্থনৰ বাবে ধন্যবাদ জনাইছো আৰু অনাগত দিনবিলাকতো একে ধৰণৰ সমৰ্থন আশা কৰিছো।

- সম্পাদক

পাঠকৰ পত্ৰ

মই বহুদিনৰ পৰাই চান্দমামা উপভোগ কৰি আহিছো। এই আলোচনীখন অসাধাৰণ, কিয়নো ই বহু ৰঙীন ছবি আৰু আমোদজনক কাহিনী বহন কৰি আনে। ইয়াৰ ৰঙীণ চিত্ৰসমূহৰ প্ৰতি থকা মোৰ আকৰ্ষণৰ কথা বৰ্ণনা কৰিবলৈ মোৰ ভাষা নাই। পৌৰাণিক কাহিনীৰ লগতে আধুনিক কাহিনীও মোৰ বৰ প্ৰিয়। বিশুদ্ধৰূপত আমাৰ সংস্কৃতি আৰু পৰম্পৰা অটুত ৰখাৰ বাবে ধন্যবাদ। মই চান্দমামাৰ দীৰ্ঘ জীৱন কামনা কৰিলো। *- হৰিহৰণ, কাৱামভেলী, পঠানামঠিট্ট, কেৰেলা*

আমি যোৱা দহবছৰ ধৰি চান্দমামাৰ আনন্দ লৈ আহিছো। আমি চান্দমামাৰ ৰূপৰ পৰিৱৰ্তন নকৰিবলৈ অনুৰোধ কৰো। যেনেকৈ আছে তেনেকৈয়ে থাকিবলৈ দিয়ক। ২৫ বছৰ বা ৫০ বছৰ পুৰণি কহিনীসমূহ প্ৰকাশ কৰক। মহাকাব্যিক ধাৰাবাহিকসমূহ প্ৰকাশ কৰক। আমি কোনো নতুন ধৰণৰ কাহিনী নিবিচাৰো। সেইবিলাক অ-প্ৰাকৃতিক। নেৰেমানে চৰচাম্মা, অট্টৰু ছাহেবা আদি বৰ আকৰ্ষণীয়। অনুগ্ৰহ কৰি তাক ঘৰচিৰিকাৰ কাহিনীৰ লগত তুলনা কৰক। আমি পুৰণা শৈলীৰ চান্দমামা বিচাৰো। *- পুৰুষোত্তম লনী, পৰিত্ৰ, বিজাপুৰ*

আগষ্টমাহৰ বেতালৰ কাহিনীটো বৰ সুন্দৰ। সেই কাহিনীয়ে আজিৰ যুগৰ চলিত বিষয় কৃষকৰ কাহিনী বৰ সুন্দৰভাৱে প্ৰতিফলিত কৰিছে। সেই কাহিনীয়ে কৃষিৰ ক্ষেত্ৰত থকা সমসাময়িক সমস্যা বৰ সুন্দৰ ভাৱে প্ৰদৰ্শিত কৰিছে। আন চুটি চুটি কাহিনীসমূহো বৰ ৰসাল। চান্দমামাৰ স্মৃতিসমূহ আঁচৰিত হবলগীয়া। *- প্ৰত্যুষা, ৰাগালেনা, টিট্টপটি, এপি*

মই ১৯৫৭ চনৰ পৰা চান্দমামাৰ এজন পাঠক। সেইসময়ত চান্দমামাৰ মূল্য আছিল কেৱল ৩৭ পইছা। আপোনালোকে তেতিয়াৰ কিছুমান ধাৰাবাহিক কাহিনী পুণৰ মুদ্ৰণ কৰিছে। কিন্তু, ৰূপধাৰণ যাত্ৰাগুলু কেতিয়াও পুণৰ প্ৰকাশ কৰা নাই। শিথিলালয় সমাপ্ত হোৱাৰ লগে লগে সেই ধাৰাবাহিক প্ৰকাশ কৰিবলৈ অনুৰোধ জনালো। *- এছ জনাৰ্দন, বাংগালোৰ*

চান্দমামাৰ চুটি কহিনী আৰু আন কাহিনীসমূহ, ধাৰাবাহিকসমূহ বৰ সুখপাঠ্য। আমি ইয়াৰ পিছৰ সংখ্যাটোলৈ বৰ আগ্ৰহেৰে বাট চাই আছো। সময়ত চান্দমামা লাভ কৰি বৰ সুখী। অনুগ্ৰহ কৰি মুদ্ৰণ কৰাত পলম নকৰে যেন। *- পি শিৱশংকৰ, হায়দৰাবাদ*

মই যেতিয়া চান্দমামালৈ চিঠি লিখো, মোৰ এনে লাগে যে মই মোৰ কোনোবা আত্মীয়লৈহে চিঠি লিখিছো। এতিয়াৰ চান্দমামাৰ পৰা একো বাদ দিয়াৰ কোনো প্ৰয়োজন নাই। অনুগ্ৰহ কৰি চুড়কু বন্ধ নকৰিব। ই শিশুসকলৰ চিন্তাশক্তি বৃদ্ধিত সহায় হব। সাধাৰণ জ্ঞানৰ অংশও অতি দৰকাৰী। আপোনালোকৰ নতুন আৰু উচিত পৰীক্ষাৰ বাবে পাঠকসকলে সমৰ্থন কৰিব। ফটো প্ৰতিযোগিতা জাৰী ৰখাৰ ক্ষেত্ৰত কিবা সিদ্ধান্ত ল'লেনে? *- পি ৰবীন্দ্ৰ ৰাও, হায়দৰাবাদ*

যিয়ে যেনেকৈ কলে...

কাশী নগৰত এজন বেপাৰীৰ চাৰিজন ল'ৰা আছিল। তেওঁলোক যেতিয়া এদিন চিকাৰলৈ গৈ আছিল তেতিয়া এজন চিকাৰীয়ে এখন গাড়ীত চিকাৰ কৰা জন্তু লৈ অহা দেখিবলৈ পালে।

"আৰে, মোক অলপ মাংস দিয়াচোন।" ডাঙৰটো ল'ৰাই চিকাৰীক কলে। চিকাৰীয়ে চিকাৰ কৰি অনা জন্তুৰ পেটৰ পৰা অলপমান মাংস কাটি দি দিলে।

তাকে দেখি দ্বিতীয়টোৱে সুধিলে, "মোকো অলপ মাংস দিয়া।"

চিকাৰীয়ে এইবাৰ ঠেঙৰ পৰা অলপ মাংস কাটি দি দিলে।

তৃতীয়টোৱে সুধিলে, "ভাই, অলপমান মাংস মোকো লাগে।" চিকাৰীয়ে এইবাৰ কলিজাৰ পৰা অলপ মাংস কাটি দি দিলে।

তেতিয়া চতুৰ্থটোৱে কলে, "আৰে বন্ধু, মোকো অলপ নিদিবানে কি?" এই কথা শুনি চিকাৰীয়ে সুধিলে, "আৰে বন্ধু, তোমাৰ ঘৰ ক'ত তাকটো কোৱা। এই সকলো মাংস মই তোমাৰ ঘৰত গৈ দি থৈ আহিম। এইখিনি তোমাৰেই।"

"আমাৰ চাৰিওটাৰ মাজত তুমি কেৱল মোকেই নিদিলা। আমাৰ মাজত তুমি ইমান পাৰ্থক্য আনিলা। এতিয়া ইতিকিং কৰিছা।"

"যাক যিমান দিবলগীয়া আছিল মই সিমানখিনি দি দিলো। আঁচলতে পাৰ্থক্য আছে আপোনাৰ সম্বোধনত।" চিকাৰীয়ে কলে।

এই কথা শুনি বেপাৰীৰ ল'ৰাই বৰ ভাল পালে আৰু সেই চিকাৰীৰ লগত বন্ধুত্ব কৰিলে আৰু দেউতাকৰ ব্যৱসায়ত চাকৰি দিয়ালে।



Avail the loyalty bonus!

Chandamama Subscribers will get flat 10% off on subscription renewals! (All Editions - within India)

Chandamama!

Because stories make the world go round...

Choose your Chandamama!
Go to www.chandamamashop.com & subscribe Now!!

You can also subscribe online at: **www.chandamamashop.com**

Chandamama is available in English and 12 regional languages.
Junior Chandamama for children above 4 years is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Santali ☐ Malayalam ☐ Assamese ☐ Junior (Only in English)

Name: ....

Date of Birth: .... Sex :..............................

Address: ....

....

....

.... City: ....

State:.................................... Pin:..

Telephone:..

Mobile:..

Email:..

Subscription Number (for renewals):..

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees..

Cheque/DD No ....

favouring Chandamama India Ltd on..

....bank.

* Your subscription will commence in 6 weeks.
Please mail the subscription form to:
Chandamama India Limited,
P.O.Box No:19407, Mumbai-400093.
Phone +91 22 28312872 / 28311849
Email: subscription@chandamama.com
You can also subscribe online at : www.chandamamashop.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
ENGLISH (Rs. 25/- per copy)	Rs. 300	Rs. 540	Rs. 765	Rs. 960	Rs. 1125
You Save		Rs. 60	Rs. 135	Rs. 240	Rs. 375
REGIONAL (Rs. 20/- per copy)	Rs. 240	Rs. 430	Rs. 610	Rs. 770	Rs. 900
You Save		Rs. 50	Rs. 110	Rs. 190	Rs. 300
JUNIOR (Rs. 15/- per copy)	Rs. 180	Rs. 325	Rs. 460	Rs. 575	Rs. 675
You Save		Rs. 35	Rs. 80	Rs. 145	Rs. 225

** conditions apply

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

মোৰ স্মৃতি - ১

কোনোবাই যদি চান্দমামা নপঢ়ে তেন্তে কি হ'ব ? ই কুলিয়ে গান নোগোৱা, ম'ৰা চৰায়ে পেখম মেলা নেদেখা, আৰু জীৱনত কোনোদিন নীতি শিক্ষা থকা কাহিনী নুশুনা হেন কথা হ'ব। সকলোৰে বাবে ভগৱানত বিশ্বাস ৰখা, পাপ কৰ্মৰ পৰা আতৰি থকা আৰু সামাজিক ৰীতি-নীতি মানি চলা আৱশ্যক। নীতি শিক্ষা থকা কাহিনীয়ে আমাক ইয়াকে শিকায়। ৰামায়ণ আৰু মহাভাৰতে আমাক সৎ পথে চলিবলৈ দিকদৰ্শন কৰাৰ লগতে বিপথগামী সকলৰ দুৰ্নামৰ বিষয়ে অৱগত কৰে। পঞ্চতন্ত্ৰৰ সাধুবিলাকৰ পৰা এনে ভাব হয় যেন পশু-পক্ষীবিলাকে সচাকৈয়ে কথা কয়। গুৰুত্বপূৰ্ণ কথা এয়েই যে আমি সিঁহতৰ কথাবতৰাৰ পৰা শিক্ষা লাভ কৰিব পাৰো।

যিদৰে এগৰাকী মাতৃয়ে নিজ শিশুক কোমল ভাতৰ লাডু খুৱাই খুৱাই ভাল মূল্যবোধৰ শিক্ষা দিয়ে তেনেদৰেই চান্দমামাই শিশুসকলৰ কোমল মনক নীতিশিক্ষাৰ খোৰাক যোগায়। আকাশৰ জোনবাইৰ গাটো দাগ আছে, কিন্তু কোনোবাই চান্দমামাক কলুশ বুলিব পাৰিবনে ? সেয়েহে সৰু সৰু অকনিৰ লগতে সকলো বয়সৰ লোকে চান্দমামাক উপভোগ কৰে। ই কম খৰচত অধিক দিয়ে। চান্দমামাৰ প্ৰশংসাত আৰু অনেক কথা লিখি গলেও অত্যুক্তি কৰা নহব।

গল্পসমূহৰ দৰেই চিত্ৰসমুহো অতি মনোৰম। ই হৃদয়ৰ লগতে দৃষ্টিকো আমোদ প্ৰদান কৰে। এবাৰ চকু পৰিলে কোনোৱেই চান্দমামা নিকিনাকৈ থাকিব নোৱাৰে আৰু কোনোৱেই ইয়াক নপঢ়াকৈ থাকিব নোৱাৰে।

মোৰ পুত্ৰ আৰু কণ্যা যেতিয়া সৰু আছিল তেতিয়া সিঁহতে, "এসময়ত শিলাঙ্গেৰী নামৰ এখন গাৱত ......" এনেদৰে আৰম্ভ হোৱা গল্পসমূহ পঢ়িছিল। মোৰ ছোৱালীজনীৰ বয়স এতিয়া ৩৭ বছৰ আৰু ল'ৰাটোৰ বয়স ৩৫। দুয়ো চফ্টৱেৰ ইঞ্জিনিয়াৰ। এতিয়াও সিঁহতে চান্দমামা পঢ়ে। কিছুদিনে আগতে যেতিয়া মোৰ পুত্ৰ আমেৰিকাৰ চিকাগো চহৰৰ পৰা ইয়ালৈ আহিছিল, আমি কোলাৰ কৃষ্ণ আইয়াৰ গুৰুৱে লিখা শিলাঙ্গেৰী গল্পসমূহৰ বিষয়ে আলোচনা কৰিছিলো।

মই মাথো প্ৰশংসা কৰিবলৈকে এইবোৰ কথা লিখা নাই। মই গল্পসমূহৰ মধুৰস নিজে আস্বাদন কৰিহে এইবোৰ লিখিছো। চান্দমামা আলোচনীখনে জ্যেষ্ঠসকলক মানৱীয় মূল্যবোধ আৰু নীতিশিক্ষাক সোঁৱৰাই দিয়ে আৰু সৰুসকলক ইয়াৰ শিক্ষাদান কৰে।

১৯৪৭ চনৰ আৰম্ভনিৰে পৰা এই আলোচনীখন সুচাৰুকৈ চলাই যোৱা বাবে ইয়াৰ সম্পাদক আৰু সকলো কৰ্মীৰ আগত মই নতশিৰ কৰো। যেতিয়ালৈকে জোনবায়ে ৰাতি নিজৰ পোহৰ বিলাই থাকিব, তেতিয়ালৈকে চান্দমামা আলোচনীয়েও যেন নিজৰ জেউতি বিস্তাৰিত কৰি যায়, এই আশা আৰু আশীৰ্বাদেৰে মই মোৰ স্মৃতি ৰোমন্থনৰ সামৰণি মাৰিলো।

- এ শ্ৰীনিৱাস ৰাও, প্ৰবক্তা, হৱাইট ফিল্ড, বাংগালুৰু

মোৰ স্মৃতি - ২

আপোনালোকৰ এই আলোচনীৰ যোগেদি, এই বৃদ্ধ ইংৰাজী লোকজনে হিন্দীৰ শিকাৰ ক্ষেত্ৰত অতীৱ সহায় লাভ কৰিলে। মই অষ্ট্ৰেলিয়াত হিন্দী শিকি আছো। মোৰ বাবে এই ভাষা অলপ কঠিন। কিন্তু মোৰ পূজ্য গুৰুদেৱে মোক চান্দমামাৰ এটা সংখ্যা দি তাৰ পৰা শিকিবৰ বাবে চেষ্টা কৰিবলৈ উপদেশ দিলে। তেওঁৰ এই মূল্যৱান উপহাৰে মোৰ হিন্দী শিক্ষাত বেছ বৰঙণি যোগাইছে। মই চান্দমামাত থকা ধৰণৰ সুন্দৰ ৰসাল কাহিনী আন ক'তো দেখা পোৱা মনত নপৰে।

সম্ভৱত, অষ্ট্ৰেলিয়াত মোৰ বাহিৰে আন কোনেও বিক্ৰম-বেতালৰ কাহিনী নাজানে। মই এইধৰণৰ কাহিনী আপোনালোকৰ পৰাই জানিব পাৰিলো। চান্দমামাৰ যোগেদি মই এতিয়া যথেষ্ট ভালকৈ হিন্দী বুজিব পৰা হৈছো। মই ৪৫ বছৰ ধৰি বৰ বিশেষ একো শিকিব পৰা নাছিলো। কিন্তু যোৱা তিনি বছৰত চান্দমামা আৰু মোৰ জ্ঞানী গুৰুৰ পৰা ইমান বেছি জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছো, যি এই বৃদ্ধ আৰু পেটুৱা ইংৰাজী লোকজনৰ চকু মুকলি কৰি দিছে।

গতিকে মই মোৰ প্ৰিয় চান্দমামাৰ পাঠকসকলক এই কথা কব বিচাৰিছো যে যদি এইদৰে জ্ঞান লাভ কৰাটো মোৰ বাবেই সম্ভৱ হৈ উঠিছে, তেন্তে যুৱচামৰ বাবে নোহোৱাৰ কোনো কথাই নাই। সকলোৱে এইদৰে হিন্দী শিকিব পৰিব বুলি মোৰ বিশ্বাস হয়। মনত ৰাখিব যে হিন্দী হ'ল এটা অন্যতম সুন্দৰ ভাষা। এই চিঠিখন শেষ কৰাৰ আগতে মই মোৰ গুৰুসকলৰ নাম উল্লেখ কৰিব বিচাৰিছো। দীপাল থাক্কাৰ হ'ল এগৰাকী গুজৰাটী ভদ্ৰমহিলা। তেওঁ মোক বৰ্ণমালা, শুদ্ধ উচ্চাৰণ আৰু কেনেদৰে শব্দ গঠন কৰিব পাৰি তাৰ শিক্ষা দিলে। তেওঁ এতিয়াও ফোনৰ যোগেদি মোৰ লগত কথা পাতি মোক ভাষাৰ অভ্যাস কৰাত সহায় কৰে। মই আপোনাক ধন্যবাদ জনাইছো চিষ্টাৰ।

বৰ্তমান মোৰ প্ৰধান শিক্ষক হ'ল বিদ্যাসাগৰ পাট্টন, যি মোক প্ৰথম চান্দমামা উপহাৰ দিছিল আৰু মোৰ ভাষা শিক্ষা ত্বৰান্বিত কৰাত সহায় কৰিছিল। তেঁওলৈ মোৰ হিয়াভৰা শুভেচ্ছা থাকিল।

শেষত, মই চান্দমামাক মোৰ অন্তৰ ভৰা ধন্যবাদ জনাইছো। মই প্ৰাৰ্থনা কৰিছো যে অহা শত শত বছৰ ধৰি চান্দমামাই পাঠকক আমোদ দিয়াৰ লগতে ভাষা শিক্ষা আৰু জ্ঞান প্ৰদান কৰি যাব।

- এন্দ্ৰিউ হেৰাট, মেলবৰ্ণ, ছিডনী, অষ্ট্ৰেলীয়া ৩০৭১

Request to readers: Contributors of stories, memories are requested to send in their entries with their complete name, address, phone no and other contact details to enable us to get back to you.
Write to us:
Chandamama India Ltd., No:2 Ground Floor, Swathi Enclave,
Amman koil street, Vadapalani, Chennai-600026.
• Phone: 044-43992828 • Email : online@chandamama.com

বেতাল কথা

যাদুকৰী গলপতা

হতাশ নহৈ ৰজা বিক্ৰম পুণৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। শটো পুণৰ গছৰ পৰা নমাই কান্ধত তুলি ললে। তাৰপিছত নিৰৱে মৰিশালিৰ ফালে খোজ পেলাবলৈ আৰম্ভ কৰিলে। তেনেসময়তে, শটোৰ মাজত বাস কৰা ভুতটোৱে কবলৈ ধৰিলে, “হে ৰাজন, মই অনুমান কৰিছো যে তুমি এনে এটা কঠিন কাম কৰি অতিমানৱীয় শক্তি থকা কিবা এটা বস্তু লাভ কৰিব বিচাৰিছা। কিন্তু সেই ধৰণৰ বস্তুৱে তাৰ মালিকে একো অনুমান কৰিব নোৱাৰাকৈ কাম কৰে। কোনো সময়ত, অতি সৎ, যুক্তিবাদী লোকেও এনে বস্তুৰ লোভত পৰি নিজৰ সততা আৰু যুক্তি ত্যাগ কৰে। মই তোমাক ৰজা শিৱচন্দ্ৰৰ এটা কাহিনী কম, যিয়ে তেওঁৰ বাবে সমস্যাৰ সৃষ্টি কৰা এনে এটা বস্তু তেওঁৰ প্ৰিয়বন্ধুক উপহাৰ দিছিল। সেই বস্তুটোৱে তেওঁৰ বন্ধুৰ ওপৰত অনুমান কৰিব নোৱাৰা ধৰণেৰে প্ৰভাৱ পেলালে। এই কাহিনী শুনি তুমি কামৰ ভাৰ পাতলাই তুলিব পাৰিবা।”

এসময়ত কালিন্দী ৰাজ্যত চন্দ্ৰ নামৰ এজন ভেৰাৰখীয়াই বাস কৰিছিল। প্ৰতিদিনেই তেওঁ চৰাবৰ বাবে ভেৰাৰ জাকটোক ঘাঁহ থকা পাহাৰটোলৈ লৈ গৈছিল। এদিনাখন তেওঁ ভেৰাজাক চৰাই ঘৰলৈ উভতি অহাৰ সময়ত এটা সৰু ভেৰাৰ পোৱালী জাকৰ পৰা আঁতৰি গৈ এটা শুকান কুঁৱাত পৰি গ'ল। চন্দ্ৰই ভেৰা পোৱালীটোৰ চিঞৰ শুনা পাই তাক বিচাৰি গৈ অৱশেষত সেই শুকান কুঁৱাটোৰ ভিতৰত বিচাৰি পালে। তেওঁ তাক কুঁৱাৰ পৰা উদ্ধাৰ কৰি উভতি আহোতেই কুঁৱাৰ কাষতে বোকাত এডাল গলপতা পৰি থকা দেখিলে। তৎক্ষণাত তেওঁ ঠিক ধৰিব নোৱাৰিলে সেইডাল সোণৰ হয়নে নহয়। তেওঁ সেইডাল বুটলি চোলাৰ জেপত ভৰাই ঘৰলৈ উভতি আহিল।

পিছদিনাখন তেওঁ সেই গলপতাডাল লৈ সোণাৰীৰ ওচৰ পালেগৈ। সোণাৰীয়ে সেইডাল পৰীক্ষা কৰি চাই কলে, "চন্দ্ৰ, তোমাৰ দিন ভাললৈ আহিল। এইডালৰ মূল্য অতি কমেও ২৫ হেজাৰ টকা হব।"

চন্দ্ৰই সেই গলপতাডাল ঘৰলৈ লৈ আহি এডোখৰ সুৰক্ষিত স্থানত থলে আৰু বেচিবলৈ গ্ৰাহকৰ সন্ধান কৰিবলৈ ধৰিলে। এসপ্তাহৰ ভিতৰতে চন্দ্ৰৰ ভেৰাবিলাক এটা এটাকৈ মৰিবলৈ আৰম্ভ কৰিলে। নিৰোগী, স্বাস্থ্যৱতী ঘৈনীয়েকেও বেমাৰত পৰি শেতেলী ললে। ভালকৈ চিন্তা কৰি চাই চন্দ্ৰই অনুমান কৰিলে যে এই সকলোবিলাক সেই হেৰাই পোৱা গলপতাডালত থকা কিবা অশুভ শক্তিৰ বাবেই হৈছে। সেইডালৰ পৰা কেনেকৈ মুক্তি লভিব পাৰি তাক চিন্তা কৰিবলৈ ধৰিলে।

চন্দ্ৰই গলপতা হেৰাই পোৱা কথা ইতিমধ্যেই গোটেই গাৱঁতে বিয়পি পৰিছিল। সেনচু নামৰ এটা চুৰে এই কথা জানিব পাৰি সেইডাল চুৰ কৰিবলৈ আঁচনি পাঙিলে। এদিন ৰাতি সি মনে মনে চন্দ্ৰৰ ঘৰত প্ৰৱেশ কৰিলে। শব্দ শুনি চন্দ্ৰৰ টোপনী ভাঙি গ'ল আৰু তেওঁ অনুমান কৰিলে যে ঘৰত নিশ্চয় চোৰ সোমাইছে। তেওঁ চিন্তা কৰিলে যে চোৰে নিশ্চয় সেই গলপতাডাল চোৰ কৰিবৰ বাবেই তাৰ ঘৰত সোমাইছে। এই কথা ভাৱি সি বৰ সুখী হ'ল যে অন্তত সেইডাল চুৰি কৰিলে তেওঁ তাৰ অশুভ শক্তিৰ পৰা মুক্তি লাভ কৰিব পাৰিব। গতিকে তেওঁ কোনো সাৰি-শব্দ নকৰি টোপনীৰ ভাও ধৰি পৰি ৰল।

সেনচুৱে গলপতাডাল বিচাৰি পাই বৰ সুখী হ'ল। তেওঁ লগে লগে সেইডাল লৈ সি আৰু

তাৰ লগৰীয়া চোৰবিলাকে লুকাই থাকিব পৰা গোপন ঘাটিলৈ গ'ল। অতি কম সময়ৰ ভিতৰতে গলপতাডালৰ অশুভ শক্তিৰ প্ৰমাণ দেখা পোৱা গ'ল। গলপতাডালক লৈ লগৰ চোৰ-ডকাইতৰ লগত তাৰ কাজিয়া আৰম্ভ হ'ল। এটা ডকাইতে এখন চুৰিৰে সেনচুক আক্ৰমণ কৰিলে। সেনচু সেই চুৰিকাঘাটত বৰকৈ আঘাটপ্ৰাপ্ত হ'ল। সেইসময়তে স্থানীয় আৰক্ষী চকীৰ বিষয়া সেইফালেদি পাৰ হৈ গৈছিল। কাজিয়া লগাৰ শব্দত তেওঁ থমকি ৰল আৰু তৰোৱাল লৈ সেইফালে দৌৰি গ'ল। আনবিলাক ডকাইত পলাই সাৰিল যদিও আঘাট পোৱাৰ বাবে সেনচু পলাব নোৱাৰিলে আৰু ধৰা পৰিল।

ইয়াৰ আগতে সেনচু কেতিয়াও ধৰা পৰা নাছিল আৰু লগৰ ডকাইতৰ লগত কেতিয়াও কাজিয়া কৰা নাছিল। কিন্তু প্ৰথমবাৰৰ কাজিয়াতে সি গুৰুতৰভাৱে আঘাট পালে। হঠাৎ তাৰ মনলৈ এই ভাৱ আহিল যে হয়তো এই সকলোবিলাক সেই আপদীয়া গলপতাডালৰ বাবেই হৈছে।

আৰক্ষী বিষয়াজনে সেনচুক কাৰাগাৰলৈ নিক্ষেপ কৰিলে আৰু সেই গলপতাডাল তেওঁৰ পত্নীৰ উপহাৰ দিলে। এসপ্তহৰ ভিতৰতে তেওঁক এটা সাপে খুটিলে। কিন্তু চিকিৎসকৰ অশেষ চেষ্টাৰ ফলত তেওঁৰ প্ৰাণ ৰক্ষা পৰিল। তাৰপিছত তেওঁৰ কণমানি পুত্ৰ সন্তানটো গাৱঁৰ মেলাত হেৰাই থাকিল। বহু বিচাৰ-খোচাৰ কৰাৰ পিছতো তাক বিচাৰি পোৱা নগল।

''আমি সম্ভৱ সেই গলপতাডালৰ বাবে এনে পৰিস্থিতিৰ সন্মুখীন হবলগীয়া হৈছে।'' তেওঁৰ পত্নীয়ে কলে আৰু গলপতাডাল দলিয়াই দিলে। আৰক্ষী বিষয়াই চিন্তা কৰিলে যে পত্নীৰ কথা হয়তো সঁচা। তেওঁ কিবা ভাৱিলে



আৰু অৱশেষত সেইডাল এজন স্থানীয় জমিদাৰক উপহাৰ হিচাপে দি দিলে। গলপতাডাল দি দিয়াৰ পিছতে তেওঁ নিজৰ হেৰুৱা পুত্ৰৰ সন্ধান পালে।

গলপতাডাল গৈ জমিদাৰৰ ঘৰ পোৱাৰ লগে লগে তেওঁৰ পৰা পইছা ধাৰে লোৱা এজন লোকৰ আকস্মিক মৃত্যু হ'ল। তেওঁ জমিদাৰৰ পৰা যথেষ্ট পৰিমাণৰ টকা ধাৰলৈ লৈছিল। এই খবৰ শুনি জমিদাৰ বেছ চিন্তিত হ'ল কাৰণ তেওঁ সেই টকা ঘূৰাই নাপাবও পাৰে। তাৰপিছত তেওঁৰ কণ্যা হঠাতে বেমাৰত পৰিল। জমিদাৰে চিন্তা কৰিলে যে এই সকলোবিলাক অমংগল সেই গলপতাডালৰ বাবে হোৱা নাইতো?

তেওঁ সেই গলপতাডালৰ পৰা মুক্তি লাভ কৰিব বিচাৰিলে। তেওঁ চিন্তা কৰিলে যে যদিও সেই গলপতাডাল তেওঁৰ বাবে শুভ নহয়, আন কাৰোবাৰ বাবে শুভ হবও পাৰে। গতিকে তেওঁ সেইডাল মহাৰাণীৰ জন্মদিনৰ উপলক্ষ্যত ৰজা শিৱচন্দ্ৰক উপহাৰ দিলে।

ৰাণীয়ে গলপতাডালৰ কাৰুকাৰ্য দেখি বৰ সুখী হ'ল আৰু ডিঙিত পিন্ধি ললে।

এপষেক মানৰ পিছত ৰজা শিৱচন্দ্ৰই চোৰাংচোৱাৰ মুখেদি জানিব পাৰিলে যে কাষৰীয়া ৰজা জয়বৰ্ধনে তেওঁৰ ৰাজ্য আক্ৰমণ কৰিবৰ বাবে তৈয়াৰী কৰিছে। প্ৰতিৰক্ষাৰ বাবে শিৱচন্দ্ৰই তেওঁ সেনাধিপতি বিক্ৰমকান্তক সৈন্যবাহিনী সাজু কৰিবৰ বাবে আদেশ কৰিলে। তেনে সময়তে সেনাধিপতি বিক্ৰমকান্ত বেমাৰত পৰিল। শিৱচন্দ্ৰই ইয়াক এক অমংগলৰ চিন হিচাপে ধৰি ৰাজজ্যোতিষীক মতাই আনিলে। ৰাজজ্যোতিষীয়ে গ্ৰহ নক্ষত্ৰৰ গতি-বিধি আদি গণনাৰ অন্তত কলে, "হে মহাৰাজ, আপোনাৰ ব্যক্তিগত কোঠাৰ ভিতৰত অলপতে কিবা অলংকাৰ, মানুহ বা জন্তু আদি সোমাইছে নেকি?" ৰজাই অলপপৰ ভাৱি সেই গলপতাডালৰ কথা জ্যোতিষীক কলে।

ৰজাৰ কথা শুনাৰ পিছত জ্যোতিষীয়ে ৰজাক কলে, "মহাৰাজ, এই সকলো অমংগলৰ কাৰণ হ'ল সেই গলপতাডাল। আপুনি যিমান সোনকালে পাৰে সেইডালৰ পৰা মুক্তি লাভ কৰিবলৈ চেষ্টা কৰাই উচিত হব।"

ৰজাই সেই গলপতাডালৰ উৎস বিচাৰি উলিয়াবলৈ এক তদন্তৰ আয়োজন কৰিলে।

তদন্তৰ পৰা তেওঁ জানিব পাৰিলে যে সেই গলপতাডাল যাৰ ওচৰতে আছে সিয়েই কিবা

নহয় কিবা দুৰ্ভোগ ভোগ কৰিবলগীয়া হৈছে। তেওঁ ইয়াকো জানিব পাৰিলে যে সেইডাল আঁতৰাই পেলাৱাৰ পিছত প্ৰতিজন লোকেই সেই অমংগলৰ মুক্তি লাভ কৰিছে।

বহুবাৰ ভাৱি গুণি ৰজাই এটা সিদ্ধান্ত উপনীত হ'ল। তেওঁ সেইডাল তেওঁৰ বন্ধু সাগৰভুষিতক উপহাৰ হিচাপে প্ৰদান কৰিবলৈ ঠিক কৰিলে। তেওঁৰ এই সিদ্ধান্তৰ কথা গম পাই ৰাণীয়ে সুধিলে, "মহাৰাজ, এইডাল গলপতা যাৰ ওচৰতে আছে সিয়েই কিবা নহয় কিবা বিপদৰ সন্মুখীন হৈছে। আমি নিজেই তাৰ প্ৰমাণ পাইছো। আপোনাৰ বন্ধু সাগৰভুষিত এজন বৰ প্ৰখ্যাত সদাগৰ আছিল। কিন্তু অলপতে তেওঁৰ কেইবাখনো জাহাজ সাগৰত ডুব গ'ল আৰু ফলত তেওঁ বহু লোকচানৰ সন্মুখীন হবলগীয়া হ'ল। সেই চিন্তাতে তেওঁ বেমাৰী হৈ পৰিল। আমি নিজে মুক্ত হবৰ বাবে সেইডাল তেওঁক উপহাৰ দিলে তেওঁৰ হয়তো আৰু বেচি বিপদ হব। এনে কৰাটো জানো উচিত হব? ৰজা হিচাপে আপোনাৰ বিশেষ খ্যাতি আছে। নানা অসুবিধাৰ সন্মুখীন হোৱা স্বত্বেও আপুনি আপোনাৰ সন্মান নষ্ট হব পৰা একো কাম কৰা নাই। গতিকে এতিয়াও আপুনি সেইডাল উপহাৰ দি আপোনাৰ বন্ধুৰ বিপদ মাতি নানিব।"

ৰজাই ৰাণীৰ কথা মনোযোগ দি শুনিলে। তাৰ পিছত তেওঁ উত্তৰ হিচাপে কেৱল হাঁহিলে। পিছদিনাখন, তেওঁৰ বন্ধু সাগৰভুষিতক মতাই আনি সেই গলপতাডাল উপহাৰ হিচাপে প্ৰদান কৰিলে।

তাৰপিছত অলপ দিনৰ ভিতৰতে ৰজা শিৱচন্দ্ৰৰ সেনাধিপতিয়ে বেমাৰৰ পৰা আৰোগ্য লাভ কৰিলে আৰু প্ৰতিৰক্ষাৰ বাবে সেনাবাহিনী সাজু কৰিবলৈ ধৰিলে। আনহাতে ৰজা জয়বৰ্ধনেও কিবা কাৰণত শিৱচন্দ্ৰৰ ৰাজ্য আক্ৰমণ কৰাৰ পৰিকল্পনা বাতিল কৰিলে।

কেৱল সেয়াই নহয়, আচৰিতভাৱে, সৰুকৈ আৰম্ভ কৰা সাগৰভুষিতৰ ব্যৱসায় দ্ৰুতগতিত বিস্তাৰ লাভকৰিবলৈ আৰম্ভ কৰিলে। দোপত দোপে বৃদ্ধি কৰি তেওঁ কেৱল এবছৰৰ ভিতৰতে আগৰ অৱস্থাত উপনীত হ'ল।

ইমানলৈকে কাহিনীটো কৈ বেতালে ৰজা বিক্ৰমক সুধিলে, "হে ৰাজন, গলপতাডাল যিয়েই লাভ কৰিছিল, প্ৰতিজনেই কিবা নহয় কিবা অসুবিধাৰ সন্মুখীন হৈছিল। নহলে বেমাৰত ভুগিছিল। সকলো কথা জানিও

তেনে এডাল অমংগলীয়া গলপতা বন্ধুক উপহাৰ দিয়াটো জানো যুক্তিসংগত আছিল ? শিৱচন্দ্ৰৰ দৰে খ্যাতিমান ৰজা এজনে তেনে এটা সিদ্ধান্ত কিয় ললে ? ইও এক আঁচৰিত কথা যে যিডাল গলপতাই সকলো লোকৰে অনিষ্ট কৰিছিল, সেইএকেডাল গলপতাই সাগৰভুষিতৰ ভাগ্যৰ চকৰি ঘূৰাই পেলালে। তুমি ভাৱা নেকি যে সাগৰভুষিতে কিবা পুজা-পাতল কৰি সেই গলপতাৰ অমংগলীয়া শক্তিক বশ কৰি পেলালে ? বা কেনেবাকৈ তেওঁ সেইডালৰ কবলৰ পৰা মুক্তি লাভ কৰিলে নেকি ? যদি তুমি জানিও মোৰ প্ৰশ্নৰ উত্তৰ নিদিয়া, তেন্তে তোমাৰ মূৰ ফাটি হেজাৰ টুকুৰা হব।''

''বেতাল, গলপতাডাল যাৰ ওচৰতে থাকে তাৰেই অৱস্থাৰ পৰিৱৰ্তন ঘটাব পৰা শক্তি আছিল। যি সুস্থ আছিল, সি বেমাৰী হৈ পৰিছিল। যাৰ অৰ্থনৈতিক অৱস্থা ভাল আছিল, তাৰ অৱস্থা বেয়া হৈ পৰিছিল। ৰজাৰ বন্ধু সাগৰভুষিতে ইতিমধ্যেই অৰ্থ, স্বাস্থ্য সকলো হেৰুৱাই পেলাইছিল। ৰজাই গলপতাডালৰ বিষয়ে সকলো কথাৰ গম লৈ বুজিব পৰিলে যে গলপতাডালে মালিকৰ অৱস্থা বেয়াৰ পৰা যেতিয়া ভাল কৰিব পাৰিছিল, তেতিয়াহলে বেয়া অৱস্থাত থকা লোকৰ শ্ৰীবৃদ্ধি কৰিব পৰাৰ ক্ষমতাও থকিব লাগিব। আৰু ঠিক সেই ধৰণেৰে সেই গলপতাৰ সহায়ত সাগৰভুষিতৰ অৱস্থা বেয়াৰ পৰা ভাললৈ আহিল। তেওঁৰ স্বাস্থ্য ভাল হৈ পৰিল আৰু অৰ্থনৈতিক অৱস্থাৰো শ্ৰীবৃদ্ধি হ'ল। গতিকে সাগৰভুষিতৰ লগত থকা ৰজাৰ বন্ধুত্বত কোনো সন্দেহ কৰিবলগীয়া নাই। ৰজাই অবিবেচকৰ দৰে কাৰ্য কৰা নাই। গলপতাডালৰ বিষয়ে এইবিলাক কথা সাগৰভুষিতে নাজানিছিলেই। গতিকে তেওঁ সেইডালৰ অমংগলৰ পৰা মুক্তি লাভ কৰাৰ বাবে পুজা-পাতল কৰাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে।

এইদৰে ৰজা বিক্ৰমে মৌনতা ভংগ কৰি বেতালৰ প্ৰশ্নৰ যুক্তিসংগত উত্তৰ দিয়াৰ লগে লগে বেতালে মৰাশটোৰে সৈতে উৰি গৈ পুণৰ আগৰ দৰে গছজোপাৰ ডালত ওলমি থাকিলগৈ। *- এন শিৱ নাগেশ্বৰ ৰাও*





বন্ধুৰ পৰা পইছা উছুল

গুৰুনাথপুৰত গোবিন্দৰাজ নামৰ এজন লোক আছিল। তেওঁৰ দুজন বন্ধু আছিল। তেওঁলোকৰ নাম আছিল সোমন আৰু বোধন।

গোবিন্দৰাজ বেছ ধনী লোক আছিল। এই কথাৰ বাবেই সোমন আৰু বোধনে তেওঁৰ লগত বন্ধুত্ব কৰিছিল। ‘‘তুমি টকা-পইছা সদায় চন্দুকত ভৰাই থোৱা। তাৰ পৰা কি লাভ হব। যদি তুমি সেই টকা কোনো ব্যৱসায়ত লগোৱা, তেন্তে তাৰ পৰা দুগুণ লাভ পাবা।’’ দুয়োয়ে গোবিন্দৰাজক এনে পৰামৰ্শ দিলে। ‘‘মোৰটো একো ব্যৱসায়ৰে জ্ঞান নাই।’’ গোবিন্দৰাজে কলে। ‘‘তুমি সেইবিষয়ে চিন্তা কৰিব নালাগে। আমি আছোৱেই নহয়। আমি সকলো কাম চম্ভালি লম।’’ সিঁহতে গোবিন্দৰাজক সহায় কৰাৰ কথা কলে।

গোবিন্দৰাজৰ টকাৰে ব্যৱসায় আৰম্ভ হ’ল। বোধন আৰু সোমনৰ বন্ধুত্বৰ ওপৰত বিশ্বাস কৰি গোবিন্দৰাজে ব্যৱসায়ৰ সকলো কাম সিঁহতৰ ওপৰতে এৰি দিলে। ব্যৱসায়ত যি লাভ হবলৈ ধৰিলে, সেই ধনৰ লগতে মূলধনো দুয়োয়ে আত্মহাত কৰিলে। আৰু গোবিন্দৰাজৰ ওচৰলৈ গৈ দুখেৰে কলে যে ব্যৱসায়ত বহু লোকচান হ’ল। এই কথা শুনা পাই গোবিন্দৰাজৰ মূৰত সৰগ ভাগি পৰিল। তেওঁৰ বহু টকা লোকচান হ’ল।

তথাপিও গোবিন্দৰাজৰ এই কথা বিশ্বাস নহ’ল যে তেওঁৰ দুয়োজন বন্ধুৱেই তেওঁ ঠগি ব্যৱসায়ৰ পইছা আত্মহাত কৰিলে। পিছত তেওঁ এই কথা গম পালে যদিও বোধন আৰু সোমনক এইবিষয়ে একো নকলে। আগৰ দৰেই দুয়োজনৰ লগত কথা-বাৰ্তা পাতি বন্ধুত্ব বজাই ৰাখিলে।

বাই জয়লক্ষ্মী

কিছুদিনৰ পিছত গোবিন্দৰাজ এক কঠিন বেমাৰত পৰিল। বাচি থকাৰ কোনো উপায় নেদেখি তেওঁ সোমনক মতাই আনিলে। সোমন অহাত তেওঁ সোমনক কলে, "ভাই সোমন, তুমি মোৰ এটা উপকাৰ কৰিবানে?"

"তুমি এয়া কি কৈছা? তোমাৰ বাবে মই কি কৰিব নোৱাৰো?" সোমনে কলে।

"মই আৰু কিমানদিন বাচি থাকিম তাৰ কোনো ঠিকনা নাই। গতিকে মই টকা-পইছা ক'ত ক'ত থৈছো সেই কথা পত্নীক কৈ থৈ যাব বিচাৰো। কিন্তু মোৰ পত্নী বৰ সহজ সৰল আৰু খৰচী। পইছা পালেই নভৱা-নিচিন্তাকৈ খৰচ কৰি পেলায়।"

'ইয়াৰ ওচৰত আৰু বহু পইছা আছে।' সেই পইছাও সৰকাই নিজৰ কৰি লোৱাৰ কথা ভাৱি সোমনৰ মনটো লকলকাবলৈ ধৰিলে। তেওঁ গোবিন্দৰাজক কলে, "সঁচা কথা, তিৰোতাৰ হাতত ধন আৰু পুৰুষৰ হাতত কেঁচুৱাৰ বৃদ্ধি নহয়। এই ফকৰাৰ এনেয়েই সৃষ্টি হোৱা নাই।"

"বেপাৰত ইতিমধ্যেই যি লোকচান হ'ল তাক বাদ দি মোৰ ওচৰত আৰু ষোল্ল হেজাৰ টকা আছে। মই সেই ষোল্ল হেজাৰ টকা ষোল্ল ভাগত ভগাই ঘৰৰ চাৰিটা কোঠাৰ চাৰি কোণত পুতি থৈছো। এই কথা মোৰ পত্নীয়ে গম পালে টকা খৰচ কৰি শেষ কৰিব। গতিকে তেওঁ এই কথা এবাৰতে গম পালে ভাল নহব। গতিকে তুমি মোক সহায় কৰিব লাগে। শুনা, মোৰ মনত এটা বুদ্ধি খেলাইছে।" ইমানলৈকে কৈ গোবিন্দৰাজ ৰৈ গ'ল।

"তাৰপিছত কোৱা।" সোমনে আতুৰতাৰে সুধিলে।

"মাজে মাজে মোৰ ঘৰৰ অৱস্থা চাই থাকিবা। যদি দেখা যে মোৰ পত্নীৰ অৱস্থা বেয়া আৰু টকা-শিকাৰ প্ৰয়োজন তেনেহলে এটা ভাগ খান্দি উলিয়াই তেওঁক দি দিবা।" গোবিন্দৰাজে কলে। "এই টকাৰ কথা কোনেও গম পালে ভাল নহব। আনকি বোধনকো নকবা। তেওঁৰ ওপৰত মোৰ বিশ্বাস নাইকিয়া হ'ল। সেইবাবে তোমাৰ ওচৰত এই উপকাৰ ভিক্ষা কৰিছো।"

"তুমি চিন্তা নকৰিবা। মই এই কথা কাকো নকও, আনকি বোধনকো। তুমি মোৰ ওপৰত বিশ্বাস ৰাখিব পাৰা।" এইবুলি কৈ সোমন তাৰপৰা গুচি গ'ল।

সেইদিনাই পিছবেলা গোবিন্দৰাজে তেওঁৰ আনজন বন্ধু বোধনক মতাই আনিলে। বোধন অহাত তেওঁ সোমনক কোৱাৰ দৰে একেটা কাহিনীকে কৈ সহায় ভিক্ষা মাগিলে। আৰু শেষত কলে যে এই কথা সোমনে গম নাপালেই ভাল হব।

"মই তাক কিয় এই কথা কম? তুমি নিশ্চিন্ত থাকা। মই এই দ্বায়িত্ব সুন্দৰভাৱে পালন কৰিম।" বোধনে গোবিন্দৰাজৰ বিশ্বাস জন্মাবৰ বাবে কলে।

গোবিন্দৰাজৰ মৃত্যুৰ কিছুদিনৰ পিছত গোবিন্দৰাজৰ পত্নীয়ে সোমনৰ ওচৰলৈ গৈ কলে, "বৰ্তমান মই বৰ আৰ্থিক নাটনিত ভুগিছো। মোক অলপ টকাৰ প্ৰয়োজন হৈছে।"

"মোৰ ওচৰত টকা ক'ৰ পৰা আহিব? আৰু তুমিও কিমান ধাৰ কৰি জীয়াই থাকিবা? তোমালোকৰ ঘৰটো বিক্ৰী কৰি দিয়া। সেইটো বিক্ৰী কৰি দিলে এহেজাৰ টকা নিশ্চয় পাবা।" সোমনে গোবিন্দৰাজৰ পত্নীক পৰামৰ্শ দিলে।

"আৰে, এই কথাটো মোৰ মনলৈ অহাই নাছিল। বৰ সুন্দৰ উপায়। মই আজি ৰাতি ভাবি-গুণি কালিলৈ ৰাতিপুৱা খবৰ দিম।" এই দৰে কৈ গোবিন্দৰাজৰ পত্নী তাৰ পৰা গুচি গ'ল। সেইদিনাখনেই পিছবেলা তেওঁ বোধনৰ ঘৰলৈ গ'ল আৰু কলে, "মোৰ টকাৰ প্ৰয়োজন হৈছে। গতিকে মই ঘৰটো বিক্ৰী কৰি দিও বুলি ভাবিছো। সোমনে কৈছে যে সি এহেজাৰ টকাত সেইটো কিনিবলৈ ৰাজী আছে।"

এই কথা শুনি বোধনে কলে, "এহেজাৰ টকা কিয়, তুমি যদি ঘৰটো বিক্ৰী কৰিব বিচাৰিছা, তেন্তে মই ডেৰহেজাৰ টকা দিবলৈ ৰাজী আছো।"

পিছদিনা পুৱা কোনো খবৰ নাপাই দুপৰীয়া সোমন গোবিন্দৰাজৰ পত্নীক লগ ধৰিবলৈ আহিল। তাত সি গম পালে যে বোধনে ঘৰটোৰ বাবে ডেৰহেজাৰ টকা দিবলৈ ৰাজী হৈছে।

"ঠিক আছে, মই দুহেজাৰ দিম।" সোমনে কলে। 'যিটো ঘৰত ষোল্ল হেজাৰ টকা আছে তাক দুহেজাৰত কিনি ললেও লাভেই লাভ।' সি মনতে ভাবিলে।

সেইদিনা পিছবেলা বোধন আহি ঘৰটোৰ বাবে সি দুহেজাৰ পাঁচশ টকা দিয়াৰ প্ৰস্তাৱ দিলে।

এইদৰে সোমন আৰু বোধনে ষোল্ল হেজাৰ টকাৰ লোভত ঘৰৰ দাম প্ৰতিবাৰেই বৃদ্ধি কৰিবলৈ ধৰিলে। শেষত সোমনে দহ হেজাৰ টকা দিবলৈ ৰাজী হ'ল। সি হিচাপ কৰিলে যে দহ হেজাৰ দিলেও তাৰ ছয় হেজাৰ টকা লাভৰ ঘৰতে থাকিব।

ইফালে গোবিন্দৰাজৰ স্ত্ৰীও বৰ অকৰা নাছিল। তেওঁ গম পাইছিল যে বোধনে আৰু অলপ বেছি টকা দিয়াৰ সম্ভাৱনা আছে। কিন্তু বোধনে আৰু বেছি টকা দিয়াৰ প্ৰস্তাৱ নিদিলে। বোধনে সোমনৰ ঘৰলৈ গৈ কলে, "আৰে, তুমি সেই ঘৰটোৰ বাবে দহহেজাৰ টকা দিবলৈ সাজু হৈছা। ভাং খালা নেকি যে ইমান টকা দিবা?"

"তুমি মোক কৈছা যে? তুমিওটো ভাং খোৱা মানুহৰ দৰে ঘৰটোৰ দাম ইমানলৈ বৃদ্ধি কৰিলা।" দুয়োয়ে এইদৰে এটাই আনটোৰ ওপৰত দোষ দিবলৈ চেষ্টা কৰিলে যদিও মনত এই কথা ভাৱি আছিল যে সেই ষোল্ল হেজাৰৰ কথা কেনেকৈ কোৱা যায়। শেষত বোধনে কলে, "বাৰু, তুমি দহহেজাৰ টকা ক'ৰ পৰা পাবা? তোমাৰটো বেংকত কেৱল পাঁচ হেজাৰ টকাহে আছে।"

"তোমাৰো বেংকত পাঁচ হেজাৰ টকা নাই জানো? সেয়া মোক ধাৰলৈ দি দিয়া। মই তোমাক এসপ্তাহৰ পিছত ঘূৰাই দিম।" সোমনে কলে।

"সেয়া মই মানি নলও। মোৰ কথা হ'ল আমি দুয়োজনেই সেই ঘৰ দহ হেজাৰ টকা দি কিনি লও। ঘৰটো দুয়োজনৰে হব।" বোধনে কলে।

দুয়োজন সেই কথাত মান্তি হ'ল আৰু তাৰপিছত দহহেজাৰ টকা লৈ গৈ গোবিন্দৰাজৰ পত্নীক দিলে আৰু ঘৰটো কিনি ললে।

ঘৰ কিনাৰ দিনাখনেই দুয়োজনে এখন এখন খন্তি হৈ টকাৰ টোপোলা বিচাৰি খান্দিবলৈ ধৰিলে। গোবিন্দৰাজে কোৱামতে কোঠাবিলাকৰ চাৰিওটা কোণত খান্দিও তেওঁলোকে টকাৰ টোপোলা বিচাৰি নাপালে। এসময়ত দুয়ো হতাশ হৈ বহি পৰিল।



সঁচা আতচবাজী

মাধৱ ঘৰত প্ৰৱেশ কৰাৰ লগে লগে চেতন আৰু চিন্ময়ীয়ে তেওঁৰ ফালে দৌৰি আহিল। ‘‘ককা, আপুনি এইকথা শুনিছেনে? যি ক্ষেত্ৰত আমাৰ সকলো লগৰীয়াই নানা ধৰণৰ আঁতচবাজীৰ সামগ্ৰী কিনিছে, আমাৰ দেউতাই কৈছে যে এইবছৰো তেওঁ আমাক একো কিনি নিদিয়ে। ইমান বছৰে তেওঁ আমাক কেৱল সৰু সৰু ফটাকাহে কিনি দিছিল। ডাঙৰ বিচাৰিলে কৈছিল যে সৰু ল’ৰা-ছোৱালীৰ বাবে সৰুবিলাকেই ভাল। এতিয়া আমি ডাঙৰ হলো। আপুনি আমাৰ দেউতাক কিনি দিবলৈ কওক না।’’ সিঁহতে ককাদেউতাকক আব্দাৰ ধৰিলে। চেতন আৰু চিন্ময়ীৰ মাক অনসূয়াই সিঁহতে ককাদেউতাক কৰা আব্দাৰ শুনি কলে, ‘‘তহত অলপ শান্ত হচোন। ককাদেউতাৰা ভিতৰলৈ আহিবলৈ পোৱাই নাই আৰু তহতে ইটো সিটো দাবী কৰিবলৈ আৰম্ভ কৰিলিয়েই।’’

মাধৱে নাতি-নাতিনীয়েকক লৈ ভিতৰলৈ আহিল আৰু সিঁহতৰ বাবে আইতাকে দি পঠোৱা মিঠাইৰ টোপোলাটো দিলে। সিঁহতে মিঠাই পাই ফটাকা আদিৰ কথা পাহৰি গ’ল আৰু মিঠাইৰ সোৱাদ লবলৈ ধৰিলে।

‘‘অনসূয়া, আমি ভাৱি থকাৰ দৰে এইবাৰ নাতি-নাতিনী দুয়োটাকে দীপাৱলীত আমাৰ ঘৰলৈ লৈ যাবলৈ আহিছো। উৎসৱ শেষ হোৱাৰ লগে লগে সিঁহতহালক ইয়াত থৈ যামহি।’’ মাধৱে কলে আৰু অনসূয়াই সিঁহতৰ বাবে সাজু কৰি থোৱা কাপোৰ-কানিৰ বেগটো ললে। তেওঁ দুয়োটাকে লৈ গাড়ীৰে যাত্ৰা আৰম্ভ কৰিলে। দুয়োটা নাতি-নাতিনী অতি আনন্দৰে ককাদেউতাৰ ওচৰত বহিল। গাড়ী চলিবলৈ আৰম্ভ কৰাৰ লগে লগে সিঁহতহালে ককাদেউতাকক সুধিবলৈ ধৰিলে, ‘‘ককাদেউতা, ফটাকা....’’ মাধৱে সিঁহতক

আদুৰি হাইমাৱতী

কলে, ''ইমান লৰালৰি কিহৰ ? ঠিক আছে, প্ৰথমতে মই তোমালোকক এটা সাধুকথা কওঁ।''

দুয়ো বৰ আনন্দিত হ'ল । মাধৱে কবলৈ ধৰিলে-

''এসময়ত এখন গাৱঁত সূৰ্য নামৰ এটা শিশু আছিল । তোমালোকৰ দৰে তেৱোঁ দীপাৱলী উৎসবক লৈ বৰ উৎসাহী আছিল । সিওঁ তাৰ দেউতাকক নানা ধৰণৰ ফটাকা আদি কিনি দিবৰ বাবে কৈ আছিল । সূৰ্যৰ দেউতাকে তাক কৈছিল যে ফটাকা আদি কিনি পইছা অবাবতে খৰচ কৰিব নালাগে । কিয়নো সেই টকাৰে তেওঁলোকে দুখীয়ালোকক সহায় কৰিব পাৰে । তেওঁ সূৰ্যক আৰু কৈছিল যে ফটাকা ফুটুৱাটো বৰ নিৰাপদ নহয় আৰু সেইবাবে ডাঙৰলোকে এনে কামৰ সময়ত লক্ষ্য ৰাখিব লাগে । সেই সময়ত এইটো বৰ প্ৰয়োজনীয় আছিল কিয়নো গাৱঁৰ বেছিভাগ ঘৰৰ ছালেই খেৰৰ আছিল । কেনেবাকৈ জুইৰ এটা ফিৰিঙতি পৰিলেই জুই জ্বলি উঠাৰ সম্ভাৱনা আছিল ।

''ঠিক আছে, তোমালোকে জানানে যে দীপাৱলীত তোমালোকে কিয় ফটাকা আদি ফুটুওৱা ?''

''ফটাকা আদি ফুটুওৱাটো হ'ল বৰ আনন্দদায়ক, আমি আমাৰ দেশৰ খেলুৱৈয়ে বিশ্ব কাপ জয় কৰাৰ সময়ত ফটাকা ফুটুৱাটো টিভিত দেখিছিলো । নিৰ্বাচনত জয়ী হোৱাৰ বাবে ফটাকা ফুটুৱাটো আমি টিভিত দেখিছো । যেতিয়া মানুহ আনন্দত উত্তেজিত হৈ পৰে, তেতিয়াই ফটাকা ফুটুৱায় । নহয়নে বাৰু ?'' সিঁহতে ককাদেউতাকক সুধিলে ।

''আমাৰ দেউতাই বাৰু কিয় আমাক ফটাকা কিনি দিব নোৱাৰে ।'' চেতনে অধৈৰ্য হৈ সুধিলে ।

''মই সেইটো কম বাৰু । সূৰ্য আৰু তেওঁ বন্ধুসকলে মিলি বাসুৰ ঘৰত মনে মনে কোনেও নজনাকৈ ফটাকা তৈয়াৰ কৰিবলৈ ধৰিলে । তেওঁলোকে কয়লাৰ গুৰি, ছালফাৰ আৰু আন ৰাসায়নিক পদাৰ্থ মিহলাই তাক কাগজেৰে নুৰিয়াই ফটাকা তৈয়াৰ কৰিছিল । কিন্তু নুৰিয়াবৰ বাবে কাগজ কম হোৱাত সেই ৰাসয়নিক পদাৰ্থ তেনেকৈয়ে থৈ দি পিছদিনাখন কাগজ লৈ আহি কাম সমাপ্তকৰাৰ আঁচনি তৈয়াৰ কৰিলে ।

সেইদিনা সূৰ্যৰ চুবুৰীয়া কেইঘৰমানে চহৰৰ পৰা কিনি অনা নানা আঁতচবাজী জ্বলাই আনন্দ কৰিছিল । এবাৰ তেওঁলোকে এটা ৰকেট

ফটাকা জ্বলাই দিলে যিটো কব নোৱাৰাকৈয়ে গৈ বাসুৰ ঘৰৰ ওপৰত পৰিল। ঘৰৰ ছালখন আছিল খেৰৰ। গতিকে সহজতে তাত জুই লাগিল। ঘৰৰ ভিতৰত লুকুৱাই থোৱা সেই ৰাসায়নিক পদাৰ্থত জুই লগাত দপদপাই জ্বলিবলৈ ধৰিলে। বাসুৰ ককাদেউতাক বয়স আছিল সত্তৰ বছৰ। তেওঁ আছিল বৃদ্ধ আৰু অন্ধ। তেওঁ আৰু সেই জুইৰ পৰা ৰক্ষা নাপালে। ঘৰৰ পৰা জীৱন্তে ওলাই আহিবলৈ তেওঁ সক্ষম নহ'ল।

সেই ঘটনাৰ পিছৰে পৰা সূৰ্যই ফটাকা ফুটুৱাবলৈ বৰ ভয় খোৱা হ'ল। সি বৰ দুখ পালে যে সিঁহতৰ বেয়া কামৰ বাবে বাসুৰ ককাদেউতাকে মৃত্যুক সাৱতি লবলগীয়া হ'ল। বাসুৱেও ফটাকা ফুটাই আতচবাজী কৰা বাদ দিলে। কেৱল সিঁহত দুটাইহে জানিছিল যে সিঁহতে কিমান ভুল কাম কৰিলে। সিঁহতে উপলব্ধি কৰিলে ডাঙৰৰ পৰা লুকুৱাই এনে কাম কৰা উচিত নহয়। সেইদিনাৰ পৰা সিঁহত দ্বায়িত্বশীল ল'ৰালৈ পৰিৱৰ্তিত হ'ল।

কেইদিনমানৰ পিছত মানসিক দংশনত অতীষ্ঠ হৈ বাসুৱে গোটেই ঘটনাটো দেউতাকক খুলি কলে আৰু কান্দিবলৈ ধৰিলে। সঁচা কথা কোৱা বাবে বাসুৰ দেউতাকে তাক ক্ষমা কৰি দিলে। সেইদিনাৰ পিছত তেওঁলোকে দীপাৱলীত কেতিয়াও আতচবাজী ব্যৱহাৰ নকৰিলে। তোমালোকে নিশ্চয় ইতিমধ্যেই বুজিব পাৰিছা যে সেই বাসুৱেই হ'ল তোমালোকৰ দেউতাৰা বাসুদেৱ ৰাও। আৰু আতচবাজী কিমান বিপদজনক তাকো নিশ্চয় উপলব্ধি কৰিব পাৰিছাহঁক।''

এইদৰে তেওঁলোকে কথা পাতি থাকোতেই হঠাতে ৰাস্তাৰ মাজত এটা গাত দেখা পালে। গাড়ীৰ চালকক মাধৱে গাড়ীখন ৰখাবলৈ কলে। তেওঁ গাড়ীৰ পৰা নামি আহিল আৰু ল'ৰা-ছোৱালী দুইটাকে গাড়ীৰ পৰা নামি অহাত সহায় কৰি দিলে। তাৰপিছত তেওঁ সিঁহতক লৈ এজোপা গছৰ ওচৰলৈ গ'ল আৰু চিঞৰি মাতিলে, ''নৰসিংহ, ওলাই আহা আৰু বাকীসকলকো মাতি আনা।''

''আহিছো মহাশয়'' ষাঠী বছৰীয়া নৰসিংহই কলে আৰু লগত প্ৰায় ৩০ টা মান শিশুক লৈ আহিল। সিঁহত চেতন আৰু চিন্ময়ীৰ প্ৰায় সম বয়সৰ আছিল।

চেতন আৰু চিন্ময়ীয়ে শিশুবিলাকক ভালদৰে লক্ষ্য কৰিলে। সিঁহতৰ কাপোৰবিলাক ফটা-চিতা আছিল আৰু এটাৰ গাতো সম্পূৰ্ণকৈ

কাপোৰ নাছিল। সিঁহতৰ মাজৰ এজনী সৰু ছোৱালীয়ে পিন্ধিবলৈ একো কাপোৰ নথকাত এখন কাপোৰকে গাত মেৰিয়াই লৈ আহিছিল। সিঁহতৰ গাত ধুলি-মাকতি লাগি আছিল। শিশুবিলাকৰ এনে অৱস্থা দেখি চেতন আৰু চিন্ময়ীয়ে ইটোৱে সিটোৰ মুখলৈ চাবলৈ ধৰিলে।

সিঁহতৰ মনলৈ আহিল যে প্ৰতিটো উৎসৱতে সিঁহতে নিজৰ কাপোৰবিলাক আন আন বন্ধুসকলৰ লগত তুলনা কৰে। এই কথা মনত পৰি বেয়া লাগিল যে সিঁহতে সদায় মাকৰ লগত নতুন কাপোৰ আনি দিবলৈ আব্দাৰ ধৰে। গাড়ী চালক গোপীয়ে গাড়ীৰ পৰা কাপোৰৰ বেগবিলাক উলিয়াই আনিলে। সেই বেগবিলাকৰ পৰা নতুন চোলা কাপোৰ উলিয়াই মাধৱে সেই শিশুবিলাকৰ মাজত বিলাই দিবৰ বাবে চেতন আৰু চিন্ময়ীৰ হাতত দিলে।

তাৰপিছত তেওঁ নৰসিংহ, নাৰায়নী আৰু গোপীৰ লগত লগ লাগি সেই কাপোৰবিলাক পিন্ধাত শিশুবিলাকক সহায় কৰি দিলে। তাৰপিছত সিঁহতৰ লগত সকলোৱে বহুতো ফটো তুলিলে।

তাৰপিছত মাধৱে সকলোৰে মাজত মিঠাই বিতৰণ কৰিলে। শিশুবিলাকৰ মুখ আনন্দত জিলিকি উঠিল। মাধৱে আনন্দত উজ্বলি উঠা শিশুবিলাকলৈ দেখুৱাই চেতন আৰু চিন্ময়ীক কলে, ‘‘নাতিহত, তেওঁলোকৰ আনন্দৰে ভৰা মুখবিলাকলৈ চোৱা। তেওঁলোক কিমান সুখী হৈছে। চোৱা, ঠিক দীপাৱলীৰ আতচবাজীৰ দৰেই তেওঁলোকৰ মুখবিলাক জিলিকি উঠিছে। তোমালোকে এই কাম ভাল পালানে?’’

সিঁহত দুয়োটাই ককাকক আনন্দৰে কলে, ‘‘ককা, এই কামত ভাগ লবলৈ পাই আমি বৰ সুখী। আমি এতিয়াৰে পৰা উৎসৱত নতুন কাপোৰ নিবিচাৰো। দীপাৱলীত আতচবাজীও নকৰো। আমি অনাহকত ইটো সিটো বিচাৰি মা-দেউতাক কেতিয়াও আমনি নকৰো। আমি হাতখৰচৰ টকা ‘পিগি বেংকত’ জমা কৰি ৰাখিম আৰু এই আতচবাজী যাতে চলি থাকে তাৰ বাবে চেষ্টা কৰিম।’’

পঞ্চতন্ত্ৰৰ সাধু

নাগ কুমাৰৰ কাহিনী

ৰাজগৃহত দেৱশৰ্মা নামৰ এজন ব্ৰাহ্মণ আছিল। তেওঁৰ কোনো সতি-সন্ততি নাছিল। গতিকে দেৱশৰ্মাৰ পত্নীয়ে যেতিয়া আনৰ সন্তান দেখিছিল, বৰ দুখ কৰিছিল। দেৱশৰ্মাই পত্নীক নিজৰ জীৱনতকৈও অধিক ভাল পাইছিল। এদিন তেওঁ পত্নীক বুজালে, ''প্ৰিয়তমা, তুমি দুখ নকৰিবা। মই পুত্ৰকামনা পুজা কৰিম। তেতিয়া হয়তো কোনোবা দেৱতা সন্তুষ্ট হৈ বৰ দিব, ''হে ব্ৰাহ্মণ, তুমি এক সুন্দৰ, দীৰ্ঘায়ু আৰু ভাগ্যশালী পুত্ৰ সন্তানৰ পিতৃ হবা।''

এই কথা শুনি ব্ৰাহ্মণ পত্নী বৰ সুখী হ'ল। তেওঁ দুখ কৰা বন্ধ কৰিলে।

ব্ৰাহ্মণ দেৱশৰ্মাই কথামতেই পুত্ৰকামনা যজ্ঞ আৰম্ভ কৰিলে। তাৰ কিছুদিনৰ পিছতে পত্নীয়ে গৰ্ভধাৰণ কৰিলে। পুত্ৰ সন্তান লাভ কৰিব বুলি জানি তেওঁ বৰ আনন্দিত হৈ উঠিল। কিন্তু বিধিৰ কি বিধান। পুত্ৰৰ সলনি তেওঁ এক সৰ্প জন্ম দিলে।

সৰ্পক দেখি তাত উপস্থিত থকা সকলো মহিলাই ব্ৰাহ্মণ পত্নীক কলে, ''ছি, ছি, ইয়াক দূৰত পেলাই দিয়াগৈ।'' কিন্তু ব্ৰাহ্মণ পত্নীয়ে সেই সৰ্পক পেলাই নিদিলে। মৰমতে তাক তেওঁ কোলাত ললে। ভালদৰে গা-পা ধোৱাই তাক এটা পাত্ৰৰ ভিতৰত ৰাখি প্ৰতিদিনেই গাখীৰ খুৱাবলৈ ধৰিলে।

এইদৰে কেইবাছৰো পাৰ হৈ গ'ল। এদিন ওচৰ-চুবুৰীয়া যুৱক এজনৰ বিবাহ অনুষ্ঠান আছিল। তাকে দেখি দেৱশৰ্মাৰ পত্নীয়ে তেওঁক কলে, ''আপুনিটো মোৰ কথা কেতিয়াও চিন্তাই নকৰে। আমাৰ পুত্ৰৰ বিবাহৰ কথা কেতিয়াও চিন্তাই কৰা নাই ছাগে।''

মিত্ৰ ভেদ - ২৩



গৈ তেওঁৰ ঘৰ পালেগৈ। গা-পা ধুই ভোজন কৰি তেওঁ সেই ৰাতি তাতে কটালে। পিছদিনাখন ৰাতিপুৱাই যেতিয়া পুণৰ যাত্রা আৰম্ভ কৰিব খুজিলে তেতিয়া তেওঁৰ বন্ধুৱে সুধিলে, ''মিত্র, তুমিতো মোক কোৱাই নাই যে তুমি কি কামৰ বাবে ইয়ালৈ আহিছিলা আৰু এতিয়া কলৈ যাবা।''

''মই মোৰ পুত্ৰৰ বাবে এগৰাকী কণ্যা বিচাৰি আহিছো।'' দেৱশৰ্মাই উত্তৰ দিলে।

''তেতিয়াহলে তুমি দেখোন মোৰ ৰূপৱতী কণ্যাৰ লগতে তোমাৰ পুত্ৰৰ বিবাহ কৰোৱাব পাৰা। এনেয়ে আমি বন্ধু আৰু সম্পৰ্কীয়ও। তুমি কি কোৱা ?'' মিত্ৰই দেৱশৰ্মাক সুধিলে।

দেৱশৰ্মা বৰ আনন্দিত হ'ল। বোৱাৰী আৰু লগতে তেওঁৰ লগত যৌতুক হিচাপে দিয়া দাস-দাসীক লৈ তেওঁ ঘৰলৈ উভতি আহিল।

কণ্যাৰ অসাধাৰণ সৌন্দৰ্য দেখি সকলো লোক অবাক হ'ল আৰু এনে সুন্দৰী কণ্যাৰ বিবাহ এক সৰ্পৰ সৈতে কিয় কৰিবলৈ লোৱা হৈছে তাক বুজি নাপালে। সেই যুৱতীলৈ সকলোৰে দয়া উপজিল। সেই লোকসকলে যুৱতীৰ পৰিয়ালৰ লোকসকলক কলে, ''আপোনালোকে নিজেই ধৰ্মক ৰক্ষা কৰাৰ কথা কয়, কিন্তু এতিয়া কি যুক্তিত এই কণ্যাৰত্নৰ বিবাহ এটা সাপৰ লগত সমাধা কৰিব বিচাৰিছে ? এয়া ন্যায় হোৱা নাই।'' এই কথা শুনি এজনী দাসীয়ে এই খবৰ কণ্যাক দিলে।

পত্নীৰ চকুত চকুপানী দেখি দেৱশৰ্মাই কলে, ''এই সৰ্পলৈ কণ্যা কোনে দিব ? পাতাললৈ গৈ বাসুকীক প্ৰাৰ্থনা কৰিবগৈ লাগিব যে এজনী নাগকণ্যা মোৰ পুত্ৰৰ বাবে দিয়া। তাৰ বাহিৰে আৰু আন কোনো পথ মই দেখা পোৱা নাই।''

এই কথা শুনি দেৱশৰ্মাৰ পত্নীয়ে আৰু বেছিকৈ কান্দিবলৈ ধৰিলে। পত্নীয়ে এনেকৈ কন্দা দেখি দেৱশৰ্মাৰ বৰ বেয়া লাগিল। তেওঁ পিছদিনাখনেই পত্নীৰ কথা মতে নাগকুমাৰৰ বাবে কণ্যা বিচাৰি যাত্ৰা আৰম্ভ কৰিলে।

কেইবামাহৰ যাত্ৰাৰ অন্তত দেবশৰ্মা গৈ কুটকুটুম নামৰ এখন নগৰ পালেগৈ। সেই নগৰতে তেওঁৰ এজন ভাল বন্ধু আৰু সম্পৰ্কীয় লোকে বাস কৰিছিল। দেৱশৰ্মাই

তাত যি সকল বয়সস্থ আৰু বুদ্ধিমান লোক আছিল তেওঁলোকে চিঞৰিবলৈ ধৰিলে, ‘‘এই কণ্যাক সৰ্পৰ লগত বিবাহ হোৱাৰ পৰা বচাওক।’’

সকলোৰে কথা শুনি কণ্যাই কলে, ‘‘এতিয়া আপোনালোক সকলো শান্ত হওক। জনা লোকে কয় যে ৰজাই যদি এবাৰ আদেশ কৰে, তেন্তে তাক ঘূৰাই লব নোৱাৰে, সজ্জনে যদি এবাৰ কথা দিয়ে, তাক পালন কৰে। এনে কণ্যাদান কেৱল এবাৰেই হয়। ঈশ্বৰৰ যি নিৰ্ণয় তাক কোনেও সলনি কৰিব নোৱাৰে। ভাগ্যৰ ৰেখা কোনেও সলনি কৰিব নোৱাৰে। স্বয়ং দেৱতাইও পুষ্পকৰ মৃত্যুক বাধা দিব পৰা নাছিল।’’

‘‘পুষ্পকৰ সেই কাহিনীটোনো কি?’’ এজনে সুধিলে।

কণ্যাই সেই কাহিনীটো বৰ্ণনা কৰিবলৈ ধৰিলে-

পুষ্পকৰ কাহিনী

ইন্দ্ৰৰ ওচৰত এক পৰম শাস্ত্ৰ জ্ঞান আৰু বুদ্ধি থকা এক সুন্দৰ ভাটৌ চৰাই আছিল। তাৰ নাম আছিল পুষ্পক। এবাৰ পুষ্পকে ইন্দ্ৰৰ হাতত বহি কথা পাতি আছিল। তেনেতে যমৰাজক দেখি সি তাৰ পৰা উৰি গুচি গ’ল। দেৱতাসকল আঁচৰিত হ’ল আৰু সুধিলে, ‘‘পুষ্পক, তুমি এনে কিয় কৰিলা?’’

‘‘সমস্ত প্ৰাণীৰে নাশৰ কাৰণ যমৰাজক দেখি নপলাম কিয়?’’ পুষ্পকে উত্তৰ দিলে।

এই কথা শুনি দেৱতাসকলে যমৰাজক কলে, ‘‘আপুনি পুষ্পকক মাৰি নেপেলাব।’’

‘‘মই কালৰ সেৱক। মোৰ ওচৰত কোনো অধিকাৰ নাই। আপোনালোকে গৈ কালৰ ওচৰত নিবেদন কৰকগৈ।’’ যমৰাজে কলে।

সকলো দেৱতাই গৈ কালৰ ওচৰত নিবেদন কৰিলেগৈ। কালে দেৱতাসকলক মৃত্যুৰ ওচৰলৈ যাবলৈ পৰামৰ্শ দিলে। কিন্তু মৃত্যুক দেখা পায়েই পুষ্পকে প্ৰাণ ত্যাগ কৰিলে।

(ক্ৰমশঃ)

পৰিৱেশ সচেতনতা

এবাৰ ৰজা বিক্ৰমকেতুৰ ৰাজ্যত বহুদিন ধৰি বৰষুণ নোহাৱাৰ বাবে দুৰ্ভিক্ষ আৰম্ভ হৈছিল। ৰজাই সেই দুৰ্ভিক্ষ ৰোধ কৰিবৰ বাবে প্ৰায় সকলো ধৰণেই চেষ্টা কৰি চালে। কিন্তু অশেষ চেষ্টা কৰাৰ পিছতো তেওঁ পৰিস্থিতি আগৰ অৱস্থালৈ আনিব নোৱাৰিলে।

তেওঁ সেই অৱস্থাৰ লগত তাৎক্ষণিকভাৱে মোকাবিলা কৰিবৰ বাবে কিছুমান হ্ৰস্বম্যাদী আঁচনি হাতত ললে।

ৰাজ্যৰ কোষাগাৰৰ অৱস্থা বেয়া হৈ আহিবলৈ ধৰিলে। বনৰীয়া জীৱ-জন্তু ৰাজ্যৰ সীমাত বিনা বাধাই ঘূৰি ফুৰিবলৈ ধৰিলে আৰু তাৰ ফলত সীমান্তৱৰ্তী অঞ্চলত বাস কৰা প্ৰজাসকলৰ জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি হ'ল। কিয়নো সেইসকল লোক আছিল অৰণ্যৰ গছ বন, খৰি-কাঠ আদিৰ ওপৰত নিৰ্ভৰ কৰি জীৱিকা অৰ্জন কৰা লোক।

প্ৰজাই প্ৰতিদিনেই সহায়ৰ বাবে ৰজাৰ ওচৰত অনুৰোধ কৰিবলৈ ধৰিলে।

যিহেতু ৰাজ-কোষাগাৰ খালী হৈ আহিবলৈ ধৰিছিল, গতিকে ৰজাই খৰচৰ পৰিমাণ সীমাৰ ভিতৰত ৰাখিবৰ বাবে তেওঁ কিছুমান কামৰ ভাৰ নিজেই লবলৈ সিদ্ধান্ত ললে। সীমান্তৰ বনৰীয়া জন্তুক খেদি পঠিওৱাৰ দায়িত্বও নিজে লৈ তেওঁ মন্ত্ৰীৰ লগত এই বিষয়ে মন্ত্ৰণা কৰিলে।

ৰজাই নিজে এই কামৰ ভাৰ লবলৈ ওলোৱা কথাত মন্ত্ৰী বৰ সুখী নহ'ল। তেওঁ এই কথা ৰজাক অৱগত কৰিলে।

"নিজৰ প্ৰজাৰ দুৰৱস্থাৰ সময়ত গা সাৰি ফুৰা এজন শাসকক কেতিয়াও ভাল বুলি কোৱা নহয়। তেনে এজন ৰজা জীয়াই থকা আৰু মৃত্যুবৰণ কৰাৰ মাজত একো পাৰ্থক্য থাকিব নোৱাৰে। প্ৰজাই সন্মান কৰা এজন ৰজা হিচাপে নিজকে প্ৰতিষ্ঠা কৰাতো মোৰ একমাত্ৰ

বি ভি পাটনায়ক

লক্ষ্য।'' ৰজা বিক্ৰমকেতুৱে কলে আৰু বনৰীয়া জন্তু চিকাৰলৈ সাজু হ'ল।

মন্ত্ৰীয়েও ৰজাৰ লগত যাত্ৰা কৰিলে।

তেওঁলোকে কিছুসময়ৰ বাবে অৰণ্যৰ মাজেদি যাত্ৰা কৰিলে। গৈ থাকোতে তেওঁলোকে এটা জোপাহাৰ মাজত এটা বাঘ দেখা পালে। বাঘে তেওঁলোকক আক্ৰমণ কৰাৰ আগতেই ৰজা বিক্ৰমকেতুৱে বাঘলৈ লক্ষ্য স্থিৰ কৰি শৰ নিক্ষেপ কৰিলে।

কিন্তু বাঘে কোনো লৰচৰেই নকৰিলে। শৰ বাঘৰ গাত লাগি উফৰি আহি মাটিত পৰিল। আঁচৰিত হৈ তেওঁলোকে বাঘটোৰ ওচৰলৈ গ'ল আৰু পৰীক্ষা কৰি চাই গম পালে যে সেইটো আঁচলতে এটা মূৰ্তিহে। তাৰ পৰা তেওঁলোক আৰু আগুৱাই গ'ল। হঠাৎ তেওঁলোকে মুখত হৰিণা এটা লৈ থিয় হৈ থকা সিংহ এটা দেখা পালে। সিংহ দেখা পাই ৰজা বিক্ৰমকেতু আৰু মন্ত্ৰীৰ ঘোঁৰা দুটাই বৰ ভয় খালে আৰু তাৰ পৰা চেকুৰি দূৰলৈ গ'ল। ৰজাই আত্মৰক্ষাৰ বাবে এডাল শৰ নিক্ষেপ কৰিলে।

''মহাৰাজ, এইটোও এটা মূৰ্তিহে।'' মন্ত্ৰীয়ে কলে। এইদৰে তেওঁলোকে অৰণ্যৰ মাজেদি আগুৱাই গৈ থাকোতে বহু জীৱন্ত জন্তু যেন লগা জন্তুৰ মূৰ্তি দেখা পালে।

মন্ত্ৰীৰ মনত সেই জন্তুৰ মূৰ্তিবিলাক দেখি এনে ধাৰণা হ'ল যে ৰাজ্যৰ সীমান্তৰ প্ৰজাক ভয় খুৱাবৰ বাবে এয়া কাষৰীয়া ৰাজ্যৰ ৰজাৰ এক বুদ্ধিও হব পাৰে। তেওঁলোক আগুৱাই গৈ থাকিল। তেনেতে তেওঁলোকে দেখা পালে যে এটা মানুহে কিছুমান জন্তুৰ মূৰ্তিত ৰঙ সানি আছে। মন্ত্ৰীয়ে চিন্তা কৰিলে যে এইটো মানুহেই

নিশ্চয় জন্তুবিলাকৰ মূৰ্তিবিলাক তৈয়াৰ কৰিছে। তেওঁ আগুৱাই মানুহটোৰ ওচৰলৈ গৈ কৰ্তৃত্বসূলভ সুৰত সুধিলে, ''তুমি কোন?'' মূৰ্তিৰ গাত ৰং সানি থকা মানুহজনে তেওঁলোকক দেখি থিয় হৈ অভিবাদন জনালে আৰু কলে, ''মই এই ৰাজ্যৰে এজন নাগৰিক। মূৰ্তি তৈয়াৰ কৰি তাত ৰং সনাটোৱেই মোৰ কাম।''

''তুমি কি এই কাম কৰিবৰ বাবে আমাৰ কাষৰীয়া ৰজাৰ সৈতে বুজা-বুজি কৰিছা নেকি?'' মন্ত্ৰীয়ে খঙেৰে সুধিলে।

''মই এই কাম এই বাবেই কৰিছো যে মই মোৰ মাতৃভূমিক ভাল পাও। আমাৰ ৰাজ্যৰ শত্ৰুৰ লগত মোৰ একো সম্পৰ্ক নাই। মই মোৰ শিল্পৰ যোগেদি আমাৰ ৰাজ্যৰ সন্মান বৃদ্ধি কৰিছো।'' নিজৰ কৰ্মত গৌৰৱ অনুভৱ কৰি শিল্পীজনে কলে।

ৰজা বিক্রমকেতুৱে কলে, ‘‘এনে জীৱন্ত যেন লগা জন্তুৰ মূৰ্তি সৃষ্টি কৰা বাবে মই তোমাক অভিনন্দন জনাইছো। যি কি নহওক, এই কাম কৰি তুমি আমাৰ ৰাজ্যৰ প্ৰজাৰ বাবে অসুবিধাৰহে সৃষ্টি কৰিছা। জীৱন্ত যেন লগা এই মূৰ্তিবিলাক দেখি মানুহে সঁচা বুলি ভাৱিছে আৰু ভয় বৃদ্ধি পাইছে। ফলত তেওঁলোকে অৰণ্যৰ ফালে অহা বন্ধ কৰি দিছে। মানুহক এইদৰে ভয় খুওৱাটো জানো এক অপৰাধ নহয়?’’

‘‘হয় মহাৰাজ, আঁচলতে মানুহক ভয় খুৱাবৰ বাবেই মই এই মূৰ্তিবিলাক সৃষ্টি কৰিছো।’’ শিল্পীজনে উত্তৰ দিলে।

‘‘এনে সাহস তুমি পালা ক’ৰ পৰা? এই কাম কৰি তুমি কি লাভ কৰিব বিচাৰিছা?’’ মন্ত্ৰীয়ে খঙেৰে সুধিলে।

‘‘অনুগ্ৰহ কৰি খং সম্বৰণ কৰক, মন্ত্ৰী ডাঙৰীয়া। মই উপলব্ধি কৰিছো যে আমাৰ ৰাজ্যৰ দূৰ্ভিক্ষৰ মূল কাৰণ হৈছে বৃষ্টিপাতহীনতা। আৰু আমি অৰণ্য ধ্বংস কৰাৰ বাবে এনে হবলৈ পাইছে। আগতে আমাৰ ৰাজ্যত বহুতো বনৰীয়া জীৱ-জন্তু আছিল। গতিকে সিবিলাকৰ ভয়তে মানুহে অৰণ্য ধ্বংস কৰিবলৈ ভয় খাইছিল। যদি আমি এই অৰণ্যৰ ধ্বংস যজ্ঞ ৰোধ নকৰো, তেন্তে আমাৰ উত্তৰ পুৰুষৰ ভৱিষ্যত নিজ হাতে ধ্বংস কৰাৰ দৰে হব। অৰণ্যক ৰক্ষা কৰিবৰ বাবেই মই এই মূৰ্তিবিলাক নিৰ্মাণ কৰিছো। মানুহে ভাৱিছে যে এইবিলাক সঁচা জন্তু আৰু সেইবাবেই ভয়তে তেওঁলোকে অৰণ্যৰ ফালে অহাটো বন্ধ কৰি দিছে। মই আশা কৰো যে মানুহে এইফালে অহা বন্ধ কৰি দিলে অৰণ্য সুৰক্ষিত হৈ পৰিব আৰু আকৌ আগৰ দৰে গছ-গছনিৰে ভৰি পৰিব।’’ শিল্পীজনে কলে।

বিক্রমকেতু এই কথা শুনি বৰ আনন্দিত হ’ল। তেওঁ সুধিলে, ‘‘মই তোমাক কেনেধৰণে সহায় কৰাটো বিছাৰা?’’

‘‘মহাৰাজ, আপুনি এইকথা যেন মানুহৰ আগত সদৰি কৰি নিদিয়ে।’’ শিল্পীয়ে কলে।

‘‘আজিৰ তোমাৰ এই চেষ্টাৰ ফল আমি ভৱিষ্যতৰ বৰষুণৰ মাজেৰে লাভ কৰিম।’’ ৰজা বিক্রমকেতুৱে কলে আৰু শিল্পীজনক আকোঁৱালি ললে।



তেওঁ সঁচাকৈয়ে মহান

“আৰে আনন্দ, তোমাৰ ভালনে?” পিছফালৰ পৰা কোনোবাই মতা শুনি আনন্দই ঘূৰি চালে।

“আৰে, অৰবিন্দ নহয়নে? তোমাৰ কেনেকুৱা?” আনন্দই চিঞৰি উঠিল। দুয়োয়ে দুয়োকে সাবতি ধৰিলে। যেতিয়া স্কুলৰ কোনো সহপাঠী বা বন্ধুক লগ পোৱা যায়, তেতিয়া আনন্দৰ সীমা নাইকীয়া হয়। তেওঁলোক দুয়োজনেই একেখন স্কুলতে অধ্যয়ন কৰিছিল। আনন্দই স্কুলীয়া শিক্ষা সমাপ্ত কৰি উচ্চ শিক্ষাৰ বাবে কাষৰে চহৰখনলৈ গৈছিল। কাৰিকৰী শিক্ষা সমাপ্ত কৰি তেওঁ এটা বহুজাতিক কোম্পানীত এটা লোভনীয় দৰমহাৰ চাকৰিত যোগ দিয়ে। অৰবিন্দই কাৰিকৰী শিক্ষাৰ ডিপ্লমা লোৱাৰ পিছত নিজৰ গৃহ চহৰত এটা সৰু কাপোৰৰ কাৰখানা স্থাপন কৰে। তেওঁলোক দুয়োজনেই এজনে ইজনৰ লগত যোগাযোগ হেৰুৱাই পেলাইছিল। কোনে কি কৰি আছে, ক'ত আছে তাৰ কোনো খবৰ নাছিল।

এইদৰে ভাল-বেয়াৰ খবৰ আদান-প্ৰদান কৰি থাকোতে অৰবিন্দই তেওঁৰ সহপাঠীৰ লগত জীৱন ধাৰণৰ মানদণ্ড তুলনা কৰি নোচাৱাকৈ নোৱাৰিলে। তেওঁ তেতিয়াও পৰিয়ালৰে সৈতে সেই চহৰৰে পুৰণা ঘৰটোত বাস কৰিছিল। তেওঁৰ জীৱন ধাৰণৰ মান আছিল অতি সাধাৰণ। আনন্দেও তেওঁৰ বিলাসী ঘৰ, বিলাসী গাড়ী, অভিজাত পত্নী, কনভেণ্ট স্কুলত অধ্যয়ন কৰা ল'ৰা-ছোৱালীৰ কথা অৰবিন্দৰ পৰিয়ালৰ লগত তুলনা কৰিলে। গৌৰৱত তেওঁৰ বুকু ফুলি উঠিল।

তাৰপিছত অৰবিন্দই আনন্দক তেওঁৰ বস্ত্ৰ নিৰ্মাণ কাৰখানালৈ লৈ গ'ল। কাৰখানাৰ ভিতৰত সোমাই আনন্দ আঁচৰিত হ'ল, 'হে ভগৱান, এনে মান্ধাতা যুগৰ মেচিন, অশিক্ষিত বনুৱা, ভালদৰে নিৰ্মাণ নকৰা ঘৰ।' সেইটোক

ডি জানকী

এটা কাৰখানা বুলি ভাৰিবলৈ আনন্দৰ অসুবিধা হ'ল। লগে লগে তেওঁ ভাৱিলে তেওঁৰ কোম্পানীৰ কথা- অত্যাধুনিক বিদেশী মেচিন, শেহতীয়া প্ৰযুক্তি ইত্যাদি ইত্যাদি।

তেওঁ অনুভৱ কৰিলে যে তেওঁৰ লগত অৰবিন্দৰ অৱস্থাৰ তুলনাই কৰিব নোৱাৰি।

বন্ধুৰ মনৰ মাজত কি চলি আছে তাক অৰবিন্দই যেন বুজিব পাৰিলে। তেওঁ লাহেকৈ আনন্দক কলে, ''আনন্দ, মই বুজি পাইছো যে তোমাৰ দৰে বহুজাতিক কোম্পানীত কাম কৰা এজন ডাঙৰ বিষয়াক এই চালিখনক কাৰখানা বুলি কোৱাটো ভুল হব। ইয়াত কাম কৰা অশিক্ষিত কৰ্মীসকলক তোমাৰ কোম্পানীত কাম কৰা শিক্ষিত অভিযন্তা সকলৰ লগত তুলনা কৰাটো অনুচিত হব। মোৰ কোম্পানীত কাম কৰা বেছিভাগ কৰ্মীয়েই হ'ল দুখীয়া বিধবা, শাৰিৰীকভাৱে পংগু বা কেও-কিছু নোহাৱা লোক। আচলতে টকা ঘটিবৰ বাবে মই এই কাৰখানা চলাই থকা নাই। মই মোৰ দেউতাৰ দৰ্শনত বিশ্বাস কৰো। তেওঁ প্ৰায়েই কৈছিল, ''স্বাৰ্থপৰৰ দৰে আমি কেৱল আমাৰ পৰিয়াল চলাবৰ বাবেই টকা উপাৰ্জন কৰা যুক্তিসংগত নহয়। আমি আনৰ বাবেও জীয়াই থকা দৰকাৰ। দুখীয়া, অসহায় লোকসকলক সন্মানেৰে জীৱন যাপন কৰাত সহায় কৰিবলৈ আমি আগুৱাই অহা উচিত। এয়া আমাৰ কৰ্তব্য হোৱা উচিত। মই আঁচলতে সেই কথাই মানি চলিবলৈ চেষ্টা কৰি আহিছো। মই এই সহায়হীন লোকসকলৰ বাবে কিবা এটা কৰাৰ চেষ্টা কৰিছো। মই নিশ্চিত যে তুমি এটা বৃহৎ বহুজাতিক কোম্পানীত কাম কৰি যিমান সুখী, এই লোকসকলৰ বাবে কাম কৰি মই তাতোকৈ বহুত বেছি সুখী।''

আনন্দক অৰবিন্দৰ কথাই ভৱাই তুলিলে। অৰবিন্দই যি কৈছে সেয়া সত্য। যিস্থলত আনন্দই পৰিয়ালৰ বাবে বহু টকা উপাৰ্জন কৰিছে, একেসময়তে তেওঁৰ বন্ধু অৰবিন্দই বহু দুখীয়া লোকৰ বাবে উপাৰ্জনৰ পথ মুকলি কৰি দিছে।

তেওঁৰ বন্ধুক তেওঁতকৈ সৰু বুলি ভৱাতো জানো মুৰ্খামি নহয়। তেওঁ মূৰ দোঁ খাই গ'ল আৰু মুখৰ পৰা ওলাই আহিল- 'তেওঁ সঁচাকৈয়ে মহান।'





ৰজাৰ খং

মঞ্জুষাপুৰৰ ৰজা মহেন্দ্ৰ বাৰ্মা আছিল অলপতে খং উঠা বিধৰ। এবাৰ তেওঁ ভাতৰ কাঁহীত এটা সৰু শিলগুটি পালে। ভাতৰ লগতে কব নোৱাৰাকৈ চোবাওতে সেইটো দাঁতত লাগিল। তেওঁৰ বৰ খং উঠিল। ৰজাৰ ৰান্ধনি গোবিন্দক মতাই অনা হ'ল। গোবিন্দই ৰজাই গুৰুতৰ শাস্তি বিহিব বুলি বৰ ভয় খালে আৰু আহিয়েই ৰজাৰ ভৰিত পৰি ক্ষমা প্ৰাৰ্থনা মাগিলে। কিন্তু ৰজাই তাক ক্ষমা কৰিবলৈ মান্তি নহ'ল আৰু এটা সৰু ভুলৰ বাবে ৰান্ধনি গোবিন্দৰ দুয়োখন হাত কাটি পেলাবলৈ আদেশ দিলে।

আন এবাৰ ৰজাই এটা সংগীতৰ অনুষ্ঠান উপভোগ কৰি আছিল। সংগীত পৰিবেশন কৰিছিল সংগীতজ্ঞ শিৱানন্দই। হঠাৎ এবাৰ শিৱানন্দৰ সুৰ বেসুৰা হৈ পৰিল। ৰজাই এই সৰু ভুলৰ বাবেই সংগীতজ্ঞ শিৱানন্দৰ জিভা কাটি পেলাবলৈ আদেশ দিলে।

যি কি নহওক, ৰজা মহেন্দ্ৰ বাৰ্মাই এইটো তদাৰক কৰা নাছিল যে তেওঁ বিহা শাস্তিবিলাক উচিতভাৱে ৰূপায়ন কৰা হৈছিলনে নাই।

এদিনাখন ৰজা মহেন্দ্ৰ বাৰ্মাই ৰাজধানী চহৰৰ ৰাজপথদি গৈ আছিল। তেনেসময়তে চহৰত তেওঁ গুৰুতৰ শাস্তি প্ৰদান কৰা গোবিন্দ আৰু শিৱানন্দ দুয়োটাকে দেখা পালে। গোবিন্দই দুয়ো হাতেৰে শাক-পাচলি বিক্ৰী কৰি আছিল।

শিবানন্দক সৰু সৰু ল'ৰা-ছোৱালীৰ এখন বিদ্যালয় চলাই থকা দেখা গ'ল। মহেন্দ্ৰ বাৰ্মাই সিঁহতক দেখিয়েই চিনি পালে। তেওঁ প্ৰসাদলৈ উভতি গ'ল আৰু আঁচৰিত হৈ চিন্তা কৰিবলৈ ধৰিলে যে তেওঁ সিঁহতক শাস্তি দিছিল যদিও সেই শাস্তি কিয় প্ৰদান কৰা নহ'ল। চিন্তা কৰি পালে যে তেওঁৰ প্ৰধানমন্ত্ৰী নিশ্চয় এইধৰণৰ কামৰ বাবে দায়বদ্ধ। তেওঁ লগে

এম মুৰুলী মোহন

লগে প্ৰধানমন্ত্ৰীক মতাই আনি কিয় তেওঁৰ আদেশ কাৰ্যকৰী কৰা নহ'ল তাৰ উত্তৰ বিচাৰিবলৈ সিদ্ধান্ত ললে।

যেতিয়া প্ৰধান মন্ত্ৰী আহি পালে তেওঁ মন্ত্ৰীক খঙেৰে সুধিলে, ''মই ৰাজ ৰান্ধনি আৰু সেই সংগীতজ্ঞক দেখা পালো। তেওঁলোকক মই শাস্তি প্ৰদান কৰিছিলো, কিন্তু সেই শাস্তি কাৰ্যকৰী কৰা নহ'ল। এইদৰে মোৰ আদেশৰ বিপৰীতে কাম কৰাৰ অৰ্থ কি? কি যুক্তিত সিঁহতক শাস্তিৰ পৰা ৰেহাই দিয়া হ'ল ?''

প্ৰধানমন্ত্ৰীয়ে ৰজাৰ খঙ উঠাৰ কাৰণ বুজি পালে। তেওঁ উত্তৰ দিলে, ''আপুনি যি সৰু ভুলৰ বাবে সিঁহতক গুৰুতৰ শাস্তি বিহিছিল সেয়া যুক্তি সংগত নাছিল। তাৰোপৰি, মই আচলতে আপুনি দিয়া শাস্তিৰ লক্ষ্য ঠিকেই পূৰণ কৰিছো।''

''মই কেনেকৈ বিশ্বাস কৰো যে তুমি মই দিয়া শাস্তি ঠিকমতে ৰূপায়ন কৰিছা।'' ৰজাই আঁচৰিত হৈ সুধিলে।

প্ৰধান মন্ত্ৰীয়ে বুজিলে ৰজাৰ সেইসময়ত ইমান বেছি খং উঠি থকা নাই। তেওঁ উত্তৰ দিলে, ''হে মহাৰাজ, আপুনি ৰান্ধনি আৰু সংগীতজ্ঞক শাস্তি দিছিল সিঁহতৰ কৰ্মৰ দিশৰ পৰা। ব্যক্তিগতভাৱে আপোনাৰ সিঁহতৰ ওপৰত কোনো খং নাই। সেইবাবেই মই সিঁহতক ৰাজপ্ৰসাদৰ চাকৰিৰ পৰা বৰ্খাস্ত কৰিলো। মই গোবিন্দই ৰান্ধনিগিৰি কৰি আৰু শিৱানন্দই গীত গাই জীৱিকা অৰ্জন কৰাৰ পথ বন্ধ কৰি দিলো। অৰ্থাত গোবিন্দৰ মাজত থকা ৰান্ধনিটো আৰু শিৱানন্দৰ মাজত থকা সংগীতজ্ঞক নাশ কৰিলো। সেইদিশৰ পৰা মই আপোনাৰ আদেশ ঠিক মতেই কাৰ্যকৰী কৰিলো।''

প্ৰধান মন্ত্ৰীক কথা শুনি ৰজা মহেন্দ্ৰ বাৰ্মাই বুজি পালে যে তেওঁৰ ভুল ক'ত। তেওঁ বুজি পালে যে এইদৰে সৰু ভুলৰ বাবে ডাঙৰ শাস্তি প্ৰদান কৰা অযুক্তিকৰ। বুদ্ধিৰে তেনে শাস্তি পৰিহাৰ কৰি চলাৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জনালে। মন্ত্ৰীয়ে তেওঁৰ সন্মান ৰক্ষা কৰিলে। তেওঁ তেওঁৰ খঙক দমাই ৰখাৰ প্ৰয়োজনীয়তাৰ কথা বুজি পালে আৰু তাৰবাবে চেষ্টা কৰিলে।

ঝাৰু দিয়া লোকলৈ বিবাহ

প্ৰায় চাৰিশ বছৰ আগতে মহীশুৰ ৰাজ্যত পুৰোষোত্তম নামৰ এজন ৰজাই ৰাজ কৰিছিল। তেওঁ গাংগু বংশত জন্ম লাভ কৰিছিল আৰু যোগ্য শাসক আছিল। তেওঁ বিবাহ কৰোৱা নাছিল। যেতিয়ালৈকে তেওঁ যোগ্য কণ্যাৰ সন্ধান নাপায় তেতিয়ালৈকে বিবাহ নকৰাৰ তেওঁ প্ৰতিজ্ঞা কৰিছিল।

সেই সময়ত কাঞ্চীপুৰৰ কাঞ্চী ৰজাৰ এগৰাকী কণ্যা আছিল। সেই কণ্যাই ত্ৰিলোক সুন্দৰী খ্যাতি লাভ কৰিছিল। সঁচাকৈয়ে এই ত্ৰিভুৱনত তেওঁৰ সমান সুংদৰী আৰু কোনো নাছিল। মানুহৰ মাজত লাহে লাহে এই কথাৰ গুণা-গঠা চলিবলৈ ধৰিলে যে সেই অলৌকিক সুংদৰী ৰাজকুমাৰীয়েই ৰজা পুৰুষোত্তমৰ বাবে উপযুক্ত কণ্যা হব।

সেই কথা লাহে লাহে গৈ পুৰুষোত্তমৰ দেউতাকৰ কাণত পৰিলগৈ। তেওঁ লগে লগে ৰাজপুৰোহিতক কাঞ্চী ৰজাৰ ওচৰলৈ প্ৰেৰণ কৰিলে যাতে বিবাহৰ আয়োজন কৰিব পৰা যায়। বিবাহৰ বাবে যা-যোগাৰ হবলৈ ধৰিলে। কাঞ্চী ৰজাইও মহীশূৰৰ মহাৰাজাৰ বাবে কৰিবলগীয়া সকলো বন্ধৱস্ত কৰিবলৈ ধৰিলে আৰু ভোগ-বিলাসৰ বাবে প্ৰয়োজনীয় সকলো বস্তু গোটাবলৈ ধৰিলে।

পুৰুষোত্তমে এক ডাঙৰ বংশত জন্ম লাভ কৰিছিল। গতিকে শক্তি আৰু সামৰ্থৰ ফালৰ পৰা ভৰপূৰ আছিল। সকলোতকৈ

আৰ জয়ন্তী

বংশ ধৰি জগন্নাথৰ পুজা কৰি আহিছে। সেই পূণ্য তীৰ্থ জগন্নাথপুৰীত থকা বিখ্যাত জগন্নাথ মন্দিৰো গাংগু বংশৰ ৰজাই নিৰ্মাণ কৰা। নিজ হাতেৰে সেই মন্দিৰত ভগৱানক সেৱা-সৎকাৰ কৰাটো গাংগু বংশৰ পৰম্পৰা আছিল।

বংশ পৰম্পৰা অনুসৰি, পুৰুষোত্তমে উৎসৱৰ সময়ত জগন্নাথ মন্দিৰলৈ গৈ সেৱাৰ ৰূপত সোণৰ ঝাৰুৰে ঝাৰু লগাবলগীয়া হৈছিল।

এই কথাৰ পৰাই কাঞ্চী ৰজাৰ মনত অলপ খু-দুৱনিৰ সৃষ্টি হ'ল। তেওঁ মনত দ্বন্দ্বৰ সৃষ্টি হ'ল। ঝাৰু লগোৱা লোকৰ লগত তেওঁ নিজৰ কণ্যাৰ বিবাহত কিদৰে মত দিব। এই ঝাৰু লগোৱা কাম তেওঁ বৰ অপমানজনক বোধ কৰিলে। তেওঁ ঠিক কৰিলে যে তেওঁ কণ্যাক পুৰুষোত্তমলৈ বিয়া নিদিয়ে। সেই খবৰ তেওঁ পুৰুষোত্তমলৈ প্ৰেৰণ কৰিলে।

কাঞ্চী ৰজাই প্ৰেৰণ কৰা সেই খবৰ পুৰুষোত্তমৰ কাণত পৰাৰ লগে লগেই পুৰুষোত্তমৰ বৰ খং উঠিল। তেওঁ ভাৱিলে, 'এইদৰে মোৰ অপমান কৰি তেওঁ আঁচলতে ভগৱান জগন্নাথৰে অপমান কৰিলে।' তেওঁ কাঞ্চী ৰজাৰ ওপৰত প্ৰতিশোধ লবৰ বাবে সংকল্প ললে।

পুৰুষোত্তমে এই সংকল্প কৰাৰ কিছুদিনৰ

ডাঙৰ কথাটো আছিল এই যে তেওঁ বৰ উদাৰ হৃদয়ৰ যুৱক আছিল। বিবাহৰ পূৰ্বে এটা অনুষ্ঠানত পুৰুষোত্তমে ৰাজকুমাৰীক দেখা পালে। ৰাজকুমাৰীয়েও পুৰুষোত্তমক দেখা পালে আৰু দুয়ো দুয়োকে পচন্দও কৰিলে।

এনে এক যোগ্য বৰৰ লগত কণ্যাৰ বিবাহ ঠিক হোৱাত কাঞ্চী ৰজা বৰ সুখী হ'ল। পুৰুষোত্তমো এই সম্বন্ধ সম্পৰ্কে নিশ্চিত হ'ল আৰু ৰাজ্যলৈ উভতি আহিল। কিন্তু পুৰুষোত্তম নিজৰ ৰাজ্যলৈ উভতি অহাৰ পিছত কাঞ্চী ৰজাৰ মনত এক সন্দেহ হ'ল। সেই সন্দেহ আছিল-

গাংগু বংশৰ ৰজাসকলে বংশৰ পিছত

পিছতে গাংগুৰ সেনাই কাঞ্চী ৰাজ্য ঘেৰি ধৰিলে। কিন্তু কাঞ্চী ৰজাও উলা-মূলা বিধৰ ৰজা নাছিল। তেওঁ সৈন্য শক্তিও আছিল বেছ সবল। সেই যুদ্ধত তেওঁ গাংগু সেনাক অতি সহজতে পৰাজিত কৰিলে।

পৰাজিত হলেও পুৰুষোত্তমে নিজৰ সংকল্প বাদ নিদিলে। তেওঁ দুগুণ উৎসাহেৰে পুণৰবাৰ যুদ্ধৰ বাবে তৈয়াৰী কৰিবলৈ ধৰিলে। তাৰপিছত তেওঁ পুণৰ আক্ৰমণ কৰি কাঞ্চী ৰজাক পৰাজিত কৰিলে।

কাঞ্চী ৰজা যুদ্ধত পৰাজিত হোৱাৰ লগে লগে প্ৰতিশোধ লোৱাৰ ভাৱনাৰে পুৰুষোত্তমে ৰাজকুমাৰীক বন্দী কৰিবলৈ আদেশ দিলে।

বন্দী হোৱা ৰাজকুমাৰীক বিয়া কৰোৱাৰ ক্ষেত্ৰত কোনো অসুবিধা নাথাকিল। গতিকে মানুহবিলাকে ভাবিলে যে পুৰুষোত্তমে ৰাজকুমাৰীক বিয়া কৰিব। কিন্তু পুৰুষোত্তমৰ মনত ঘৃণাৰ অগ্নি জ্বলি আছিল। তেওঁৰ মনৰ পৰা ৰাজকুমাৰীক বিয়া কৰোৱাৰ আকাংখ্যা কেতিয়াবাই নাইকিয়া হৈছিল। গতিকে তেওঁ ৰাজকুমাৰীৰ ফালে মূৰ তুলিয়েই নাচালে। তেওঁ মন্ত্ৰীক মাতি আনি আদেশ কৰিলে, ''কোনোবা ঝাৰু দিয়া মানুহক বিচাৰি এই ৰাজকুমাৰীক বিয়া দি দিয়া।''

ক্ৰোধান্বিত হৈ দিয়া ৰাজ আদেশ পালন

কৰা ভাল হবনে নহব ? মন্ত্ৰী বৰ অসুবিধাত পৰিল। কিন্তু মন্ত্ৰী বৰ বুদ্ধিমান আছিল। তেওঁ ভাৱিলে, 'এই বিষয়ত সোনকাল কৰাটো ভাল নহব। ভালকৈ চিন্তা-চৰ্চা কৰাৰ প্ৰয়োজন আছে। এই ভাৱি তেওঁ ৰজাক ''যি আজ্ঞা'' বুলি কৈ বিদায় ললে। তেওঁ মনে মনে ৰাজকুমাৰী ভালদৰে থাকিব পৰাকৈ সকলো ব্যৱস্থা কৰি দিলে।

আজ্ঞা দিয়াৰ পিছত পুৰুষোত্তমে সেই ৰাজকুমাৰীৰ কথা পাহৰি গ'ল। কাঞ্চী ৰজাৰো ক্ৰোধ লাহে লাহে নাইকীয়া হৈ আহিল। মিছা অভিমানৰ বাবে সেই সময়ত তেওঁ পুৰুষোত্তমক যি অপমান কৰিছিল তাৰ বাবে অনুতাপ কৰিবলৈ ধৰিলে।

কিছুদিনৰ পিছত, জগন্নাথ পুৰীত উৎসৱৰ আৰম্ভ হ'ল। পৰম্পৰা অনুসৰি পুৰুষোত্তমেও গৈ তাত অংশ ললে আৰু নানান ধৰণে ভগৱানক সেৱা কৰিলে। পুজাৰীয়েও ৰজাৰ হাতত সোণৰ ঝাৰু দি দিলে। ৰজাই অত্যন্ত ভক্তিভাৱেৰে সেই ঝাৰু লৈ ভগৱানৰ চৰণৰ তলত ঝাৰু লগাবলৈ ধৰিলে।

সেইসময়তে মন্ত্ৰী তালৈ আহিল আৰু ৰজা পুৰুষোত্তমৰ ওচৰত হাতযোৰ কৰি থিয় হৈ থাকিল। তেওঁৰ পিছ পিছে এক অতীৱ সুন্দৰী যুৱতী বৰমালা লৈ আহি থিয় হ'ল।

"মহাৰাজ, ক্ষমা কৰিব। প্ৰভুৰ আজ্ঞা পালন কৰিবৰ বাবে মই এতিয়াহে সুবিধা পাইছো। এই ৰাজকুমাৰীৰ প্ৰতিজ্ঞা আছিল যে - 'শ্ৰীজগন্নাথদেৱৰ চৰণৰ ধুলি ঝাৰু দি ভগৱানৰ সেৱা কৰা লোকৰ লগতহে বোলে বিবাহত বহিব।' তেনে এক লোক এই গোটেই জগততে বিচাৰি বিচাৰি মই ভাগৰি পৰিলো, কিন্তু কাকো নাপালো। গতিকে মই সেই কণ্যা আজি আকৌ মালিকৰ হাতত অৰ্পণ কৰিছো।" এইবুলি কৈ মন্ত্ৰী পিছুৱাই গ'ল। তেতিয়া কাঞ্চী ৰাজ্যৰ ৰাজকুমাৰীয়ে অত্যন্ত ভক্তিভাৱেৰে পুৰুষোত্তমৰ ডিঙিত বৰমালা পিন্ধাই দিলে। তেনেসময়তে মন্দিৰৰ ওপৰৰ পৰা পুষ্পবৃষ্টি হ'ল।

এয়া ভগৱানৰ মহিমা বুলি ভাৱি পুৰুষোত্তমে বিয়া কৰিবলৈ ৰাজী হ'ল। কাঞ্চী ৰজাও মুক্তি লাভ কৰি তালৈ আহিল। তাৰপিছত অতি ধুম-ধামেৰ পুৰুষোত্তম আৰু কাঞ্চী ৰাজ্যৰ ৰাজকুমাৰীৰ বিবাহ সমাধা কৰা হ'ল। এই ঘটনাত সকলো প্ৰজা বৰ আনন্দিত হ'ল আৰু মন্ত্ৰীৰ বুদ্ধিৰ বাবে সকলোৱে তেওঁৰ প্ৰশংসা কৰিবলৈ ধৰিলে।



এজন চিকিৎসকৰ জাগতিক জ্ঞান

আনন্দগিৰি আছিল পশ্চিমঘাট পৰ্বতত থকা এখন সৰু গাওঁ । ই প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ আছিল । প্ৰাকৃতিক সৌন্দৰ্যৰ ওপৰিও সেই গাওঁ আছিল নানা ধৰণৰ দুষ্প্ৰাপ্য ঔষধি গুণ থকা গছৰ ভঁৰাল । হৰকান্ত নামৰ এজন বৈদ্যই সেইবিলাক কাৰণৰ বাবে সেই গাৱতে থিতাপি লৈছিল । সেই গাৱত পোৱা নানা ধৰণৰ ঔষধি উদ্ভিদ তেওঁৰ পেশাৰ বাবে বৰ সুবিধাজনক আছিল । অলপ দিনৰ ভিতৰতে এজন ভাল বৈদ্য হিচাপে তেওঁৰ নাম ফাটি ফুটি গৈছিল । তেওঁ বহু দুৰাৰোগ্য ব্যাধি চিকিৎসা কৰি ঠিক কৰিব পাৰিছিল । বহু দূৰৰ পৰা আহিও বহু লোকে তেওঁৰ চিকিৎসা গ্ৰহণ কৰিছিল ।

অভিৰাম নামৰ এজন ডেকাই ভৱিষ্যতে নিজকে এক গুণী বৈদ্য হিচাপে প্ৰতিষ্ঠা কৰাৰ আশা কৰি হৰকান্তৰ শিষ্যত্ব গ্ৰহণ কৰিলে ।

এদিনাখন ৰাতিপুৱা, জমিদাৰ ভীমবৰ্মাই বৈদ্য হৰকান্তক দেখা কৰিবলৈ আহিল । তেওঁ নিজৰ স্বাস্থ্যজনিত সমস্যাৰ কথা হৰকান্তৰ আগত সবিস্তাৰে বৰ্ণনা কৰিলে । ভীমবৰ্মা বহুদিনৰ পৰা এক ছালৰ বেমাৰত ভুগি আছিল । তেওঁ অলপদিনৰ আগলৈকে বেমাৰ লৈ বৰ বেছি চিন্তিত হোৱা নাছিল কিয়নো বেমাৰ নিয়ন্ত্ৰণৰ ভিতৰত আছিল । কিন্তু অলপ দিনৰ আগৰে পৰা সেই বেমাৰ গোটেই গাতে বিয়পিবলৈ ললে । ফলত আন আন স্বাস্থ্যজনিত সমস্যাও আৰম্ভ হ'ল । চিকিৎসা কৰি তাক ভাল কৰাৰ বাহিৰে তেওঁৰ আন কোনো গত্যান্তৰ নাছিল ।

হৰকান্তই তেওঁৰ ছাল পৰীক্ষা কৰিলে । তেওঁ ভীমবৰ্মাক ছালত লগাবৰ বাবে ঔষধি গছৰ পৰা তৈয়াৰ কৰা এক দৰব দিলে আৰু কলে, ‘‘মহাশয়, আপুনি আৰু কেইটামান

সখামুৰি শ্ৰীনিৱাস



ঔষধ ব্যৱহাৰ কৰাৰ প্ৰয়োজন। কিন্তু সেইকেইটা এতিয়া মোৰ লগত নাই। সেই ঔষধ তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰা উদ্ভিদ ইয়াত পাবলৈ নাই। সেইকেইটা আপুনি নীলগিৰি পাহাৰৰ কাষৰ চহৰ উদ্গামণ্ডলমত বাস কৰা মণিকান্ত নামৰ বৈদ্যজনৰ পৰা সংগ্ৰহ কৰিব লাগিব। এই বেমাৰ ভাল হবলৈ বেছ কিছুদিন ধৰি চিকিৎসা কৰিব লাগিব।''

''সেই ঔষধ য'তেই পোৱা নাযাওক কিয় মই সংগ্ৰহ কৰিম। অনুগ্ৰহ কৰি ঔষধৰ বিৱৰণৰ সৈতে মোক সেইজন বৈদ্যৰ ঠিকনাটো দিয়া।'' ভীমবৰ্মাই আগ্ৰহেৰে সুধিলে।

হৰকান্তই ঔষধৰ সকলো বিৱৰণৰ লগতে আনজন বৈদ্যৰ ঠিকনা তুলাপাতৰ ওপৰত লিখি ভীমবৰ্মাক দিলে। ভীমবৰ্মাই তেওঁক প্ৰদান কৰা চিকিৎসাৰ বিনিময়ত হৰকান্তক কিছু টকা মাননি হিচাপে দিব খুজিলে। তাকে দেখি হৰকান্তই কলে, ''আপুনি এইখন গাৱৰ অলংকাৰ স্বৰূপ। মোৰ এই চিকিৎসা গৃহলৈ আপোনাৰ আগমণেই যথেষ্ট। তাৰপিছতো মোক মাননি দি ধকুৱা নকৰিব।'' এইদৰে কৈ হৰকান্তই জমিদাৰৰ পৰা মাননি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিলে। ভীমবৰ্মা বৰ সুখী হ'ল। তেওঁ হৰকান্তক প্ৰসংশা কৰিলে আৰু ঘৰলৈ বুলি খোজ ললে।

সেইদিনা সন্ধিয়া, তীব্ৰ পেটৰ বিষত ভোগী সঞ্জীৱ নামৰ এজন চহা কৃষক হৰকান্তৰ ওচৰলৈ আহিল। তেওঁ বিষত কেকাই আছিল। হৰকান্তই তৎক্ষণাত তেওঁক এখন কাঠৰ মেজৰ ওপৰত শুৱাই দিলে আৰু পেটত কিবা এক মলম লগাই দিলে। তেওঁ শিষ্য অভিৰামক 'মহাপ্ৰাণ' ঔষধ তৈয়াৰ কৰিবলৈ কলে। সেই ঔষধ সঞ্জীৱক খুৱাই দিয়াত লাহে লাহে বিষ কমি আহিল। এঘণ্টা মানৰ ভিতৰত তেওঁ সম্পূৰ্ণৰূপে সুস্থ হৈ পৰিল।

''তোমাৰ পেটৰ বিষ সম্পূৰ্ণৰূপে ভাল হৈ পৰিল। এই বিষ ভৱিষ্যতে কেতিয়াও নহব। যদি কেতিয়াবা তুমি অলপো বিষ অনুভৱ কৰা তেন্তে তৎক্ষণাত মোক দেখা কৰিবা।'' হৰকান্তই সঞ্জীৱক কলে। সঞ্জীৱে মূৰ দোঁৱাই জেপৰ পৰা অতি সামান্য টকা উলিয়াই হৰকান্তক দিলে আৰু হৰকান্তই আনন্দমনে সেই টকা গ্ৰহণ কৰি সঞ্জীৱক বিদায় দিলে।

অভিৰামে এই ঘটনা দেখি আঁচৰিত হ'ল। কিয়নো ই আছিল আগৰটো ঘটনাৰ লগত পৰস্পৰবিৰোধী। তেওঁ এজন ধনী লোকক

বিনামূলীয়াকৈ চিকিৎসা কৰি এজন দুখীয়া লোকৰ পৰা মাননি গ্ৰহণ কৰাৰ কোনো যুক্তি বিচাৰি নাপালে। বহু ভাৱিও তেওঁ একো বুজিব নোৱাৰিলে যে গুৰুৱে কি ভাৱি এনে কৰিলে। সেইদিনা ৰাতি তাৰ ভালকৈ টোপনি নাহিল। তেওঁ গম পালে যে এই ঘটনাৰ মূল বুজি নোপাৱালৈকে তেওঁৰ মনত শান্তি নহব। ''কালিৰে পৰা মোক এটা কথাই বৰ চিন্তাত পেলাইছে। মই আপোনাক সেইবিষয়ে সুধিব পাৰোনে?'' তেওঁ হৰকান্তক সুধিলে।

''নিশ্চয়, সোধা। শিষ্যৰ মনৰ কৌতুহল নিবৃত কৰা গুৰুৰ কৰ্তব্য।'' হাঁহি মাৰি হৰকান্তই কলে।.

হৰকান্তই অভিৰামৰ কৌতুহলৰ কথা নিৰৱে শুনিলে আৰু তাৰ পিছত কলে, ''ভীমবৰ্মাৰ যি ছালৰ অসুখ হৈছে সেয়া অতি মৰাত্মক। সেই অসুখৰ চিকিৎসা কৰিব পৰাকৈ আমাৰ ওচৰত কোনো ঔষধ নাই। যদি মই তেওঁৰ পৰা মাননি গ্ৰহণ কৰিলোহেতেন, তেন্তে তেওঁ ভাবিলেহেতেন যে মই তেওঁক একো ঔষধ নিদিয়াকৈয়ে মাননি ললো। সেইবাবেই মই তেওঁৰ পৰা মাননি লবলৈ অস্বীকাৰ কৰিলো।''

''কিন্তু গুৰুদেৱ, সঞ্জীৱৰ দৰে দুখীয়া কৃষকৰ পৰা মাননি লোৱাতো কিমান দূৰ যুক্তিসংগত?''

''সঞ্জীৱ হ'ল কঠোৰ পৰিশ্ৰমী। মই যদি তেওঁৰ পৰা মাননি নললোহেতেন, তেন্তে তেওঁ ভাৱিলেহেতেন যে মই তেওঁক পুতৌ কৰিছো। তেওঁ উপযুক্ত মূল্য প্ৰদান নকৰাকৈ একোকে গ্ৰহণ নকৰে। কেৱল তেৱেঁই নহয়, বেছিভাগ মানুহেই এনে স্বভাৱৰ। গতিকে মই তেওঁ যি সামান্য মাননি দিলে তাক মই গ্ৰহণ কৰিলো, কিন্তু বিনিময়ত তেওঁক মই দিয়া ঔষধ বহু বেছি মূল্যবান। যদি আমি ইয়াত থাকি মানুহবিলাকক সুস্থ আৰু সৱল কৰি ৰখাৰ কথা চিন্তা কৰো, তেন্তে অলপ বুদ্ধিৰে তেওঁলোকৰ লগত সম্পৰ্ক বজাই ৰাখিব লাগিব।'' হৰকান্তই শিষ্য অভিৰামক বুজাই কলে।

অভিৰামে গুৰুৰ জ্ঞান দেখি আঁচৰিত হ'ল। তেওঁ গুৰুৰ পৰা ঔষধৰ জ্ঞানৰ লগতে জাগতিক জ্ঞানো লাভ কৰিলে।

বুদ্ধিয়ক মন্ত্ৰী

পুৰণি কালত, সুৰনগৰ ৰাজ্যত সম্বল নামৰ এজন ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ ৰাজ্যত কেইবাজনো প্ৰখ্যাত ৰাজ-মল্লযুঁজাৰু আছিল।

এবাৰ মহামল্ল নামৰ এক বিখ্যাত মল্লযুঁজাৰু ৰজা সম্বলৰ ৰাজসভালৈ আহিল। তেওঁ নানান দেশ ভ্ৰমণ কৰি দেশে দেশে মল্লযুঁজাৰুসকলক পৰাজিত বহু পুৰস্কাৰ আৰু পদক লাভ কৰিছিল। তেওঁ সদায় ঘোষণা কৰি ফুৰিছিল- 'মোৰ লগত জিকিব পৰা এই পৃথিৱীত কোনো নাই।'

সেই মহামল্ল মহাৰাজ সম্বলৰ ৰাজসভালৈ গৈ কলে, ''আপোনাৰ দৰবাৰত মোক পৰাজিত কৰিব পৰা কোনোবা মল্লযুঁজাৰু আছেনে? যদি আছে তেন্তে বৰ ভাল কথা। মই যুঁজ কৰিব বিচাৰো। যদি নাই তেন্তে মোক পুৰস্কৃত কৰি বিদায় দিয়ক।''

তেওঁৰ এইকথা শুনি ৰাজসভাত উপস্থিত থকা লোকসকল আঁচৰিত হ'ল। সেই মল্লযুঁজাৰুক কি উত্তৰ দিয়া যায় তাক সিদ্ধান্ত কৰিব নোৱাৰি সকলো নিমাত হৈ ৰৈ থকিল। তেনেসময়তে মন্ত্ৰীয়ে উঠি কলে, ''এয়ানো কি ডাঙৰ কথা মহাৰাজ। আমাৰ ৰাজসভাত যি চণ্ড-প্ৰচণ্ড মল্ল আছে, তেওঁক কোনেও হৰুৱাব নোৱাৰে। তেওঁ এতিয়া ঘৰলৈ গৈছে। পৰহিলৈ আহি পাবহি। তাৰপিছত এই বিদেশী মল্লযুঁজাৰুক সমুচিত উত্তৰ দিব।''

ৰজাৰ আজ্ঞা অনুসাৰে সেই বিদেশী মল্লৰ বাবে থকা খোৱাৰ উপযুক্ত ব্যৱস্থা কৰি দিয়া হ'ল। মহামল্ল গৈ নিজৰ কোঠাত জিৰণি ললেগৈ। জিৰণি লৈ থাকোতেই তেওঁ মন্ত্ৰীৰ কথা ভাৱিবলৈ ধৰিলে। তেওঁ মন চঞ্চল হৈ উঠিবলৈ ধৰিলে। তেওঁ লগুৱা-লিকচৌ, বন্দী-বেটীক চণ্ড-প্ৰচণ্ডৰ বিষয়ে নানা ধৰণৰ কথা শুধিবলৈ ধৰিলে।

এই প্ৰশ্নৰ উত্তৰত সকলোৱে বিদেশী মহামল্লক কলে, ''ইয়াৰ সকলো মল্লৰ ভিতৰত তেৱেঁই সকলোতকৈ পাৰদৰ্শী। তেওঁ যোগ-সাধনাও কৰে। যেতিয়া দৰবাৰৰ মৰ্যদাৰ কোনো ক্ষতি হবৰ উপক্ৰম হয়, তেতিয়াহে তেওঁ বাহিৰলৈ আহে।''

দ্বিতীয়দিনা সেই বিদেশী মহামল্ল থকা ঘৰৰ কাষতে

বি লক্ষ্মী নাৰায়ণ

এখন ৰভা দিয়া হ'ল। সেই ৰভাৰ ওচৰত এখন বিশাল সিংহদুৱাৰো নিৰ্মাণ কৰা হ'ল। কাৰ্য দেখি মহামল্লই সুধিলে, ''সেয়া কি? ইমান বিশাল সিংহদুৱাৰ কিয় নিৰ্মাণ কৰা হৈছে?'' এই প্ৰশ্নৰ উত্তৰ হিচাপে তেওঁক কোৱা হ'ল- ''বিশেষ একো হোৱা নাই। চণ্ড-প্ৰচণ্ড মল্ল আহিব নহয়। সেই বাবেই এই বিশাল সিংহদুৱাৰ নিৰ্মাণ কৰা হৈছে। তেওঁ সাধাৰণ লোক নহয়। সৰু-সুৰা দুৱাৰেদি তেওঁ সৰকিবই নোৱাৰে। যিমানহে বিশাল তেওঁ।''

ইফালে সিংহদুৱাৰ নিৰ্মাণ কৰি থকা ৰাজমিস্ত্ৰীয়ে চিঞৰি চিঞৰি বনুৱাসকলক কবলৈ ধৰিলে- ''আহা ভাইহঁত, ভালকৈ নিৰ্মাণ কৰা। আমাৰ ওস্তাদে খোজ পেলাওতেই যাতে ভাঙি নপৰে।'' এইদৰে ৰাজমিস্ত্ৰীয়ে বনুৱাসকলক ভালদৰে কাম কৰিবলৈ উৎসাহিত কৰি থাকিল।

তাৰপিছত বিদেশী মহামল্লই দেখিলে যে পাঁচিয়ে পাঁচিয়ে বাদাম, নানা ফলমূল আহিবলৈ ধৰিলে।

এনে ভয়ানক প্ৰস্তুতি দেখা পাই বিদেশী মল্লৰ বুকু কঁপিবলৈ ধৰিলে। তেওঁ চহৰত ঘোষণা কৰাও শুনা পালে- 'কালিলৈ এই চহৰলৈ চণ্ড-প্ৰচণ্ড ওস্তাদৰ আগমণ ঘটিব।'

এই সকলোবিলাক দেখি শুনি বিদেশী মল্লই বৰ ভয় খালে আৰু সেই ৰাতিয়েই মনে মনে তাৰ পৰা পলায়ন কৰিলে।

পিছদিনা ৰাতিপুৱা ৰজা সম্বলে মন্ত্ৰীক সুধিলে, ''মন্ত্ৰী ডাঙৰীয়া, আপুনি সেই বিদেশী মল্লক কৈছিল যে আজি তেওঁৰ লগত আমাৰ মল্লই যুঁজ কৰিব। কিন্তু আমাৰটো তেনে কোনো মল্ল নাই যে যি এই বিদেশী মল্লক যুঁজত পৰাস্ত কৰিব পাৰিব।''

''মহাৰাজ, মোৰ বিশ্বাস যে আমি ইতিমধ্যেই জয়লাভ কৰিছো।'' মহামন্ত্ৰীয়ে কলে।

''আপোনাৰ কথা মই একো বুজি পোৱা নাই।'' ৰজাই কলে।

''মহাৰাজ, সেই বিদেশী মল্লৰ লগত যুঁজ কৰিব পৰাকৈ কোনো উপযুক্ত মল্ল আমাৰ নাই। কিন্তু তেওঁক এনে এটা ধাৰণা দিলো যে আমাৰ চণ্ড-প্ৰচণ্ড নামৰ এক প্ৰৱল পৰাক্ৰমী মল্ল আছে।'' এই বুলি কৈ মন্ত্ৰীয়ে ৰজাক বিদেশী মল্ল থকা ঘৰলৈ লৈ গ'ল। তাত থকা প্ৰহৰীৰ পৰা গম পালে যে সেই বিদেশী মল্লই ৰাতিয়েই পলায়ন কৰিলে।

মন্ত্ৰীৰ বুদ্ধি দেখি ৰজা বৰ আনন্দিত হ'ল আৰু নানা পুৰস্কাৰেৰে পুৰস্কৃত কৰিলে।



গুণমণি

দুশ বছৰৰ আগতে মহীশুৰ প্ৰান্তত এখন সৰু ৰাজ্য আছিল। সেই ৰাজ্যৰ নাম আছিল নিজগল্ল। তাৰ ৰজা আছিল ৰামদেৱ নায়ক। তেওঁ এজন বিখ্যাত বীৰ আৰু সহৃদয় শাসক আছিল। তেওঁৰ মহাৰাণীৰ নাম আছিল লকুমব্বা।

ৰজাৰ ধন-সম্পদ একোৰে অভাৱ নাছিল। কিন্তু তেওঁৰ কোনো সন্তান নাছিল। বিবাহৰ দহবছৰৰ পিছতো তেওঁ সন্তানৰ মুখ দেখা নাছিল। তেওঁ সন্তান কামনা কৰি সকলো ধৰণৰ পুজা-অৰ্চনা সম্পাদন কৰিছিল যদিও একো ফল ধৰা নাছিল।

এই কথাত মহাৰাণী লকুমব্বা বৰ অসুখী হৈ পৰিছিল। ৰাজ্য শাসনৰ বাবে যুৱৰাজৰ প্ৰয়োজন। যুৱৰাজৰ অবিহনে অদূৰ ভৱিষ্যতে ৰাজ্যত অৰাজকতাৰ সৃষ্টি হব। সেইবাবে তেওঁ বৰ চিন্তাত পৰিল। বহু ভৱাৰ পিছত এটা উপায় বিচাৰি পালে। তেওঁ লগে লগে এক সম্বন্ধীয় যুৱতীক মতাই আনিলে আৰু বান্ধৱীৰ দৰে লগতে ৰাখিবলৈ ধৰিলে। সেই যুৱতী অত্যন্ত সুন্দৰী আৰু সুগুণা আছিল। তেওঁ নাম আছিল গিৰিজব্বা।

সেই গিৰিজব্বাক প্ৰশংসা কৰি ৰজাক মহাৰাণীয়ে নানা ধৰণৰ কথা কলে। তেওঁ ৰজাক গিৰিজব্বাক বিবাহ কৰিবৰ বাবে মিনতি কৰিলে। প্ৰথমতে ৰজা মহাৰাণীৰ প্ৰস্তাৱত মান্তি হোৱা নছিল যদি শেষত মহাৰাণীৰ কথা পেলাব নোৱাৰি গিৰিজব্বাক বিবাহ কৰিবৰ বাবে মান্তি হ'ল।

জি ভাস্কৰম্মা

ৰজাই গিৰিজব্বাক বিয়া কৰোৱাৰ লগে লগে মহাৰাণীৰ আঁচনি কিছু পৰিমাণে পূৰণ হ'ল। কিন্তু গিৰিজব্বা আৰু ৰজাৰ বিয়াৰ পিছত গিৰিজব্বাৰ মাকে নিজৰ শাসন চলাবলৈ লাগিল। সকলো কথাতে নাক সুমুৱাবলৈ ধৰিলে। তেওঁ গিৰিজব্বাৰ কাণত মন্ত্ৰ দিবলৈ ধৰিলে যে- 'লকুমব্বা কথা চলিবলৈ নিদিবি। তোক ৰজাই বেছি ভাল পায়। গতিকে তাইক একাষৰীয়া কৰি নিজৰ কাম কৰাই লবি।'

মাকৰ এনে কথা শুনাৰ পিছতো গিৰিজব্বাৰ কোনো পৰিৱৰ্তন নহ'ল। তেওঁ মহাৰাণীৰ প্ৰতি কৃতজ্ঞ আছিল। কিয়নো মহাৰাণীৰ অনুগ্ৰহতে তেওঁ ৰাণী হোৱাৰ সুবিধা লাভ কৰিছিল। গতিকে তেওঁ মহাৰাণীৰ বিপক্ষে কেতিয়াও যোৱা নাছিল। যি কি নহওক, বিয়াৰ দুবছৰৰ পিছত ভগৱানৰ কৃপাত গিৰিজব্বাই এক পুত্ৰ সন্তান জন্ম দিলে। ৰজা, প্ৰজা সকলো বৰ সুখী হ'ল। সকলোতকৈ সুখী হ'ল লকুমব্বা। ৰাজ্যত আনন্দোৎসৱৰ আয়োজন কৰা হ'ল।

গিৰিজব্বাৰ কস্তুৰী নায়ক নামৰ এটা ভায়েক আছিল। সিঁ বৰ দুষ্ট আৰু উদণ্ড স্বভাৱৰ আছিল। তেওঁৰ সংগ আছিল চোৰ-ডকাইত। যেতিয়াৰে পৰা ৰজাৰ লগত গিৰিজব্বাৰ বিবাহ হৈছিল, তেতিয়াৰে পৰাই সিঁ ৰাজমহলতে বাস কৰিছিল। ৰাণীৰ



ভায়েক হোৱা হেতুকে তেওঁ যি মন তাকে কৰি ফুৰিছিল।

এদিনাখন অতৰ্কিতে শত্ৰু সেনা গৈ ৰাজমহলত সোমাল। তাৰ কাৰণ আছিল ৰাণী গিৰিজব্বাৰ ভায়েক কস্তুৰী নায়ক। তেওঁ শত্ৰুক ৰাজ্যৰ গুপ্ত খবৰ দি আঁচনি তৈয়াৰ কৰি নিজৰ ভিনিহিয়েকক ৰাজসিংহাসনৰ পৰা ক্ষমতাচ্যুত কৰি নিজে ৰজা হোৱাৰ পৰিকল্পনা কৰিছিল। মনত এই কপট ভাৱ ৰাখি বাহিৰত ৰজাৰ লগত ভাল ভাৱ দেখুৱাই চলিছিল। তেওঁৰ কথা-বাৰ্তাত ভোল গৈ ৰজাই তেওঁক মুখ্য সেনাপতি হিচাপে নিযুক্ত কৰিছিল।

সেনাপতি পদ লাভ কৰাৰ পিছত কস্তুৰী

নায়কে ওচৰ-চুবুৰীয়া ৰজাৰ লগত মিলি ৰজা ৰামদেৱৰ ৰাজ্য আক্ৰমণ কৰিবলৈ আঁচনি তৈয়াৰ কৰিছিল। আনকি তেৱেঁই শত্ৰুসেনা ৰাজমহলত সোমাব পৰাকৈ গোপনে দুৱাৰ খুলি ৰাখিছিল।

কস্তুৰী নায়কৰ আঁচনি মতেই শত্ৰু সেনা খোলা দুৱাৰেদি ৰাতি দুৰ্গত প্ৰৱেশ কৰিলে। কস্তুৰীয়ে শত্ৰুসেনাক প্ৰতিৰোধ কৰাৰ অভিনয় কৰিলে। দুখৰ কথা এয়ে যে সেই আক্ৰমণত ৰজা ৰামদেৱ স্বৰ্গগামী হ'ল।

শত্ৰু সৈন্যৰ হাতত দুৰ্গৰ পতন হোৱাৰ পিছত কস্তুৰী নায়কে তেওঁকেই নতুন ৰজা পাতিবলৈ শত্ৰুৰ সেনাপতিক অনুৰোধ কৰিলে। ইফালে সেনাপতিয়ে গিৰিজব্বাৰ সৌন্দৰ্যত মুগ্ধ হৈ এক চৰ্ত ৰাখিলে যে যদি গিৰিজব্বাই তেওঁক বিবাহ কৰে, তেন্তে যি সন্তান হব তেওঁৰ ৰাজপ্ৰতিনিধি হৈ কস্তুৰী নায়কে ৰাজ্য শাসন কৰিব পাৰিব।

উপায়বিহীন হৈ কস্তুৰী নায়কে এই চৰ্ত মানি ললে। গিৰিজব্বাৰ মত জানিবৰ বাবে দুয়ো গিৰিজব্বাৰ ওচৰ পালেগৈ। শত্ৰু সেনাপতিয়ে নিজৰ উদ্দেশ্যৰ কথা ব্যক্ত কৰি গিৰিজব্বাৰ মতামত জানিব বিচাৰিলে। গিৰিজব্বাই কলে, "যদি মোৰ ভায়ে মানি লয়, তেন্তে মোৰ কোনো আপত্তি নাই।"

এই কথা শুনি কস্তুৰী নায়কে বৰ ৰং পালে আৰু কলে, "মইটো ইতিমধ্যে মানি ললোৱেই। মানি লোৱাৰ বাহিৰে আন কোনো উপায়ো নাই।"

তেতিয়া গিৰিজব্বাই নিজৰ এক ইচ্ছাৰ কথা ব্যক্ত কৰিলে, "আমাৰ কুলৰ পৰম্পৰা অনুসৰি, বিবাহৰ আগত মই আৰু মোৰ ভায়ে এক শোভাযাত্ৰাৰ লগত নগৰ পৰিভ্ৰমণ কৰিব লাগিব।" এই বিচিত্ৰ ইচ্ছাৰ কথা শুনি সকলো আঁচৰিত হ'ল। শত্ৰুদলৰ সেনাপতিয়ে গিৰিজব্বাৰ এই চৰ্ত মানি ললে।

সেই শোভাযাত্ৰাৰ বাবে সোনকালে তৈয়াৰী কৰা হ'ল। এই সকলো কথা গম পোৱাৰ পিছত লকুমব্বাই গিৰিজব্বাক অনুৰোধ কৰিলে যে তেওঁ যাতে শত্ৰু সৈন্যৰ সেনাপতিক বিবাহ নকৰে। কিন্তু গিৰিজব্বাই

সেই কথালৈ কোনো গুৰুত্বই নিদিলে। কিন্তু লকুমব্বাৰ অনুৰোধ উপেক্ষা কৰাৰ অৰ্থ এই নাছিল যে তেওঁ লকুমব্বাক ভক্তি কৰা নাছিল। তেওঁ মনতে এক বৃহৎ উদ্দেশ্য সাধন কৰাৰ আঁচনি পুহি ৰাখিছিল। শোভাযাত্ৰাৰ আগত গিৰিজব্বাই নিজৰ পুত্ৰক লকুমব্বাৰ হাতত গতাই কলে, ''বাইদেউ, এয়া আপোনাৰ ল'ৰাক মই আপোনাৰ হাতত গতালো।'' এইবুলি কৈ গিৰিজব্বা তাৰ পৰা গুচি গ'ল।

গিৰিজব্বাৰ ইচ্ছানুসৰি দুটা বৃহৎ শোভাযাত্ৰাৰ আয়োজন কৰা হ'ল। এটাত গ'ল কস্তুৰী নায়ক আৰু আনটোত গিৰিজব্বা নিজে। দুয়োটা শোভাযাত্ৰাই নগৰ পৰিভ্ৰমি শেষত এটা পাহাৰৰ ওপৰত মুখামুখি হ'ল। তাতে বৈ গিৰিজব্বাই সৰু ভায়েকৰ মুখৰ আগত আৰতিৰ কাঁহি ঘূৰালে আৰু কলে, ''মই তোৰ বাবেই ইমান ডাঙৰ পদ, সন্মান পাব পাৰিছো।'' এই কথা শুনি কস্তুৰী নায়ক বৰ সুখী হ'ল।

কিন্তু হঠাৎ গিৰিজব্বাই শক্তি ৰূপ ধাৰণ কৰিলে আৰু কস্তুৰীক কলে, ''দেশদ্ৰোহী, মোৰ বাবেই তই ৰজাৰ ইমান বিশ্বাসী হবলৈ পালি আৰু সেনাপতি হলিগৈ। কিন্তু ৰজা আৰু ৰাজ্যক বিশ্বাসঘাটকতা কৰি তই দেশদ্ৰোহীত পৰিণত হলি। আমাৰ দুয়োৰে বাবে দুয়ো বংশৰে বদনাম হ'ল। যুগে যুগে এই কলংক থাকি যাব। গতিকে আমাৰ দৰে লোক জীয়াই থকাৰ কোনো প্ৰয়োজন নাই।'' এইবুলি কৈ ভায়েকক সাৱতি ধৰি পাহাৰৰ শিলৰ ওপৰৰ পৰা তললৈ জাপ মাৰি দিলে।

তলত পৰাত দুয়োৰে লগে লগে মৃত্যু হ'ল। গুণমণি, পুজ্যা গিৰিজব্বাই যিডোখৰ ঠাইত দেশৰ বাবে প্ৰাণ বলিদান দিছিল তাত এখন গাওঁ স্থাপিত হ'ল আৰু সেই গাওঁ আজিও বিদ্যমান হৈ আছে।

এই দাড়ি মোৰ

এসময়ত এখন গাৱত লাডমল আৰু হাজাৰীমল নামৰ দুজন বন্ধু আছিল। দুয়ো ডাঙৰ বেপাৰী আছিল আৰু বেপাৰ কৰি বহু টকা-পইছা জমা কৰিছিল। হাজাৰীমল অলপ খৰচী আছিল। লাডমল অলপ হাত টান বিধৰ আছিল আৰু সদায় লাভ কৰাৰ বাবে নানা আঁচনি লৈছিল। আঁচৰিতভাৱে হাজাৰীমলে দাড়ি চুলি খুৰাই চাফা কৰি ৰাখিছিল, কিন্তু বিপৰীতে লাডমলে চুলি আৰু দাড়ি দীঘলকৈ ৰাখিছিল।

এদিন দুয়োৱে বহি কথা-বতৰা পাতি আনন্দ কৰি আছিল। তেনেতে হাজাৰীমলে কলে, ''লাডমল, মই তোমাক সদায় কবলৈকে পাহৰি থাকো যে তোমাৰ দাড়ি দেখিবলৈ বৰ সুন্দৰ। এতিয়ালৈকে জীৱনত মই বহু ধৰণৰ দাড়ি দেখিছো, কিন্তু তোমাৰ দাড়িৰ দৰে দাড়ি আমাৰ দেশত হয়তো আন কাৰোৱেই নাই।'' এইকথা শুনি লাডমলে গৌৰৱত উফন্দি কলে, ''তুমি ঠিকেই কৈছা হাজাৰীমল, মোক বহুতো লোকে এই কথা কৈছে। বহুতো লোকে মোৰ দাড়িৰ ওপৰত চকু দিবলৈ আৰম্ভ কৰিছে। কোনো কোনোৱে কিনি লোৱাৰ ইচ্ছা ব্যক্ত কৰিছে।''

লাডমলৰ কথা শুনি হাজাৰীমলে কলে, ''কোননো সেইসকল? বাৰু বাদ দিয়া আনৰ কথা। ভাবিছো ময়েই কিনি লও। কোৱা কিমান দাম লবা তুমি?''

ধনৰ কথা শুনি লাডমলৰ মন লকলকাই উঠিল। তেওঁ ততালিকৈ উত্তৰ দিলে, ''আচ্ছা, তেতিয়াহলে তুমি মোক এহেজাৰ মোহৰ দিলেই হব।''

''আৰে, তুমি ইমান কম দামতে দিবা বুলি মই ভৱাই নাছিলো। ঠিক আছে,

এন মুকুন্দ ৰাও

মই তোমাক এহেজাৰ মোহৰ দিম।''
এইবুলি কৈ হাজাৰীমলে এখন চুক্তি পত্র লাডমলৰ হাতত দিলে।

এনে কাণ্ড দেখি লাডমলৰ অলপ ভয় লাগিল। হাজাৰীমলে লাডমলৰ ওচৰত এটা চৰ্ত ৰাখি কলে, ''ভাই, তেতিয়াহলে এই দাড়ি আজিৰ পৰা মোৰ। যেতিয়ালৈকে সম্পূৰ্ণ মূল্য মই তোমাক আদায় নিদিও, তেতিয়ালৈকে দাড়ি তোমাৰ ওচৰতে থাকক। তুমি সাৱধানে ইয়াক ৰক্ষা কৰি থাকিবা। মোৰ এই দাড়িত মোৰ ইচ্ছা অনুসৰি ভালদৰে তেল লগাব লাগিব। মোৰ ভাল লগা ধৰণে ইয়াক কাটোৱাই থাকিব লাগিব। তুমি ৰাজী আছাতো?''



লাডমলে হাজাৰীমলৰ চৰ্ত মানি ললে আৰু লগে লগে চুক্তিপত্রত স্বাক্ষৰ কৰি দিলে। সকলো ঠিকে ঠাকে হোৱাৰ পিছত হাজাৰীমলে লাডমলক কলে, ''চোৱা, এতিয়াৰ পৰা যদি কোনোৱাই এই দাড়ি দেখি প্ৰশংসা কৰে তেন্তে তুমি কবা- ''ভাই, এই দাড়ি মোৰ নহয়। অমুক ব্যক্তিয়ে মোৰ পৰা উচিত মূল্য দি এই দাড়ি কিনি ললে। এইদৰে বুজাই কবা। বুজি পাইছা নহয়?''

''ঠিক আছে।'' লাডমলে কলে।

পিছদিনাখনৰ পৰা...

যিকোনো সময়তে হাজাৰীমল লাডমলৰ ওচৰলৈ আহিবলৈ আৰম্ভ কৰি দিলে। আমনি পাই লাডমলে সুধিলে, ''তুমি কিয় যেতিয়াই তেতিয়াই ইমান ঘনাই ঘনাই আহি আছা?''

উত্তৰত হাজাৰীমলে কলে, ''আৰে, মই আন একো কামত অহা নাই। কেৱল মোৰ দাড়ি ঠিকে-ঠাকে আছেনে নাই তাক চাবলৈহে আহিছো।''

মাজে মাজে হাজাৰীমলে লাডমলক সকিয়াই দি কলে, ''আৰে ভাই, এয়া তুমি কি কৰিছা? মোৰ দাড়ি দেখোন নষ্ট হৈ যাবলৈ ধৰিছে। তুমি কৃপনৰ দৰে সস্তীয়া নৰিকলৰ তেল লগাই নষ্ট কৰি পেলাব ধৰিছা। ফনিও চাগৈ একেবাৰে কম দামী ব্যৱহাৰ কৰিছা।''

এইদৰে অলপ দিন পাৰ হোৱাৰ পিছত লাডমলৰ অশান্তি বৃদ্ধি পাবলৈ ধৰিলে। বন্ধুত্ব ৰক্ষা কৰাও কঠিন হৈ আহিবলৈ ধৰিলে।

এদিন তেওঁ হাজাৰীমলৰ কথা শুনি

থাকিব নোৱাৰি কৈ দিলে, ''আৰে ভাই, তুমি মোক যি যি কৰিবলৈ কৈ থাকা সেয়া কৰাটো ধেমালি বুলি ভাৱিছা নেকি? মই অশান্তিত ভুগিছো। মোৰ দাড়ি মোৰ হৈ থকাই ভাল। তুমি মোক দিয়া টকা ঘূৰাই লোৱা আৰু মোৰ দাড়ি মোৰ হৈ থাকক।''

কিন্তু হাজাৰীমলে লাডমলৰ কথা মানি নললে। কথা বিষম দেখি লাডমলে প্ৰস্তাৱ কৰিলে, ''আৰে ভাই, মই তোমাক দুগুণ ধন দিম।'' কিন্তু তথাপিও হেজাৰীমল মান্তি নহ'ল। শেষত লাডমলে উপায়বিহীন হৈ চাৰি হেজাৰ মোহৰ দিবলৈকো ৰাজী হ'ল।

'দেখা যাওক, ই মোক কিমান টকালৈকে দিয়ে।' চাৰি হেজাৰতো মান্তি নহৈ হাজাৰীমল গুচি গ'ল।

হেজাৰীমলে প্ৰস্তাৱ মানি নোলোৱা দেখি লাডমল বৰ বিপদত পৰিল। এদিন ৰাতি হাজাৰীমল দাড়ি চাবলৈ লাডমলৰ ওচৰলৈ আহিল। লাডমল টোপনি গৈ আছিল। হাজাৰীমলে দাড়িত ধৰি এটা টান মাৰিলে। গোটেইকোছা দাড়ি উঘাল খাই আহিল। লগে লগে লাডমল একেজাপে উঠি ঠিয় হল। তেওঁ লগে লগে হাকিমৰ ওচৰলৈ গৈ হাজাৰীমলৰ বিপক্ষে গোচৰ তৰিলে।

হাকিমে গোটেই কাগজ-পত্ৰ পৰীক্ষা কৰাৰ পিছত সকলো কথা বুজি পালে আৰু বিচাৰৰ ৰায় দিলে-

''দাড়ি মই কিনিলো আৰু ইয়াৰ ওপৰত মোৰ অধিকাৰ আছে- এই বাহানা দেখুৱাই হাজাৰীমলে বন্ধুক আমনি কৰা আৰু সেই আমনি সহিব নোৱাৰি লাডমলে নকলী দাড়ি লগোৱাৰ কথা গম পোৱা হৈছে।

গতিকে, হাজাৰীমলে ৰাতি লাডমলৰ ঘৰলৈ গৈ লাডমলৰ যিকোছা দাড়ি টানি এৰুৱাই পেলাইছিল সেই দাড়ি লৈ যাব পাৰিব আৰু লাডমলক তেওঁ দাড়িৰ বাবে যি ধন দিয়াৰ প্ৰতিশ্ৰুতি দিছিল সেই ধন দি দিব।''

সুখীন ভৱন্ত

"আইতা, এয়া বাৰু সঁচা নহয়নে যে আপুনি মোতকৈ চিন্তুক বেছি ভাল পায় ?" আইতাকক সাৱতি ধৰি চিন্ময়ে সুধিলে।

"তুমি কিয় তেনেকৈ ভাৱিছা ? মোৰ বাবে চিন্তু যেনেকুৱা, তুমিও একেই।" আইতাকে চিন্ময়ক কলে।

"তেনেহলে তুমি কিয় কৈছা যে তুমি ইমান সোনকালে খুৰাহঁতৰ ঘৰলৈ উভতি যাবা ? তুমিটো এসপ্তাহৰ আগতেহে ইয়ালৈ আহিছিলা।" চিন্ময়ে কলে।

"তোমাৰ খুৰাহঁতে গাৱঁত বাস কৰে। তাত বতাহ পৰিষ্কাৰ। গতিকে তাত থাকিলে মোৰ এজমা ৰোগ নিয়ন্ত্ৰণত থাকিব। সেইবাবেহে মই যাও বুলি কৈছো চিন্ময়।" আইতাকে কলে।

"তেনেহলে তুমি দীপাৱলীৰ পিছত যাবা। মাত্ৰ চাৰিদিনহে আছে।"

"নগৰত দীপাৱলীত থকাৰ কথা চিন্তা কৰিলেই মোৰ বুকু কঁপি উঠে। মোৰ উশাহ বন্ধ হৈ যাব যেন লাগে চিন্ময়।" আইতাকে চিন্ময়ক এইবাৰ সঁচা কথাটো কলে।

"তুমি তেনেকৈ কৈছা আইতা।"

"মই জানো মোৰ সোণ, দীপাৱলী হ'ল শিশুসকলৰ প্ৰিয় উৎসৱ। তোমালোক শিশুবিলাকে নানা ধৰণৰ আতচবাজী কৰি ভাল পোৱা। তোমালোকৰ বয়সৰ ল'ৰাৰ বাবে সেইটোৱেই স্বাভাৱিক। কিন্তু মোৰ দৰে বৃদ্ধা লোকৰ বাবে, যি এজমাৰ দৰে ৰোগত ভুগি আছে, এনেধৰণৰ দীপাৱলী হ'ল যমৰ দৰে।" আইতাকে চিন্ময়ক কলে। সি সম্পূৰ্ণকৈ বুজিব নোৱাৰিলে যদিও কিবা যেন বুজি পালে।

"কেৱল মোৰেই স্বাস্থ্যৰ কথা কোৱা নাই", আইতাকে কৈ গ'ল, "যোৱাবছৰ

পি ভি শেষাৰত্নম



আমাৰ ঘৰৰ কাষৰ এজন বৃদ্ধলোকৰ আতচবাজীৰ পৰা নিৰ্গত হোৱা চালফাৰযুক্ত ধোঁৱাৰ বাবে প্ৰাণ যাওঁ যাওঁ হৈছিল।''

''কিন্তু তুমিয়েই দেখোন আমাক চয়তান নৰকাসুৰক বধ কৰাৰ কথা কৈছিলা। আইতা, তুমি কোৱা নাছিলা যে দীপাৱলীত এই আতচবাজী কৰাৰ মূল উদ্দেশ্য হ'ল বৰ্ষা ঋতুত জন্ম হোৱা মেলেৰীয়া সৃষ্টি কৰিব পৰা মহক খেদি পঠিওৱা ?'' চিন্ময়ে কলে।

''সেয়া সঁচা কথা চিন্ময়। কিছুমান আতচবাজী পৰা নিৰ্গত হোৱা সেই ছালফাৰযুক্ত ধোঁৱাই মহক মাৰি পেলায়। কিন্তু সকলো বস্তুৰে এটা সীমা আছে। তুমিয়েই কোৱাচোন, ইমান শব্দ কৰা আতচবাজী কিয় কৰিব লাগে ? সেই শব্দই আমাৰ শ্ৰৱণ শক্তিত প্ৰভাৱ পেলায়। শব্দ প্ৰদুষণ সৃষ্টি কৰাকৈ আৰু বতাহক প্ৰদুষিত কৰিব পৰাকৈ কিয় আমি আতচবাজী কৰিব লাগে ?''

চিন্ময়ে ভাৱিবলৈ আৰম্ভ কৰিলে।

''মই উপলব্ধি কৰিছো যে তুমি যি কৈছা সেয়া সঁচা। আমিও আমাৰ কাষৰ নতুনকৈ অহা বেনুৰ লগত কোনে কিমান আতচবাজী কৰিব পাৰে তাৰ প্ৰতিযোগিতাত নামি বহু বেচিকৈ আতচবাজী কৰিছো। তাৰ পৰিনাম আমি কেতিয়াও হিচাপ কৰি চোৱা নাই। আমি কেৱল এইটোতহে ব্যস্ত যে তাক হৰুৱাবলৈ আমি আৰু অধিক আতচবাজী কৰিব লাগে।''

''আৰু তাৰ ফলত তোমাৰ মা-দেউতাৰাই অপ্ৰয়োজনীয়ভাৱে যথেষ্টটকা খৰচ কৰিছে। তাৰোপৰি তোমালোকৰ প্ৰতিযোগিতা নিয়ন্ত্ৰণৰ বাহিৰ হৈ গলে হব পৰা দুৰ্ঘটনাবিলাক আছেই। তুমি বাৰু এই কথা উপলব্ধি কৰিব পাৰিছানে যে তোমালোকে আতচবাজী কৰি আনন্দ কৰাৰ বাবে আন কিমানলোকে তাৰ বেয়া ফল ভোগ কৰিবলগীয়া হৈছে। তুমি এই কথা লক্ষ্য কৰিছানে কিমান লোকে প্ৰদুষিত বতাহৰ বাবে নানা ধৰণৰ হৃদযন্ত্ৰ আৰু শ্বাস-প্ৰশ্বাস সম্পৰ্কিত বেমাৰত ভুগি কষ্ট পাবলগীয়া হৈছে ?'' আইতাক কমলাম্মাই বুজিছিল যে তেওঁৰ কথাবিলাকে নাতিয়েক চিন্ময়ক ভৱাই তুলিছে।

''হয়, মই যোৱাবছৰ এটা কথা লক্ষ্য কৰিছিলো। যোৱাবছৰ দীপাৱলীৰ সময়ত লাড্ডু এবছৰীয়াও নাছিল। তাই দীপাৱলীৰ ৰাতি বৰকৈ কান্দি আছিল, সম্ভৱ আতচবাজীৰ

শব্দত ভয় খাইছিল। তাইলৈ মোৰ তেতিয়া বৰ বেয়া লাগিছিল।'' চিন্ময়ে কলে।

''সেইটো বাৰু ভাল কথানে? চোৱাচোন, তাই এজনী সৰু ছোৱালী। একো বুজি পোৱা হোৱাই নাছিল। ইমান বেছি আতচবাজীৰ শব্দ শুনি তাই ভয় খাই মাকক সাৰতি কান্দি থকাই স্বাভাৱিক। আমাৰ ঘৰৰ আগফালে থকা বৃদ্ধ লোকজনেও সেইদিনা আতচবাজীৰ শব্দ শুনি বৰ আমনি পাইছিল। আমাৰো তেওঁৰ বাবে বৰ বেয়া লাগিছিল।'' আইতাকে চিন্ময়ক কলে।

চিন্ময়ে আইতাকৰ কথা বুজি পালে। সি কলে, ''তুমি নিশ্চয় সেই বৃদ্ধ লোকজনতকৈ বেচি কষ্টপালা। সেইবাবেই তুমি দীপাৱলীৰ আগতেই খুৰাহঁতৰ ঘৰলৈ গুচি যাব বিচাৰিছা। নহয়নে বাৰু?'' চিন্ময়ে সুধিলে।

''তেনেকুৱাই বুলি কব পাৰা। বেয়া নাপাবা। মই অহা মাহত আকৌ আহিম নহয়।'' চিন্ময়ক সান্তনা দি আইতাকে কলে।

''মই সেইবাবে বেয়া নাপাও আইতা, কিন্তু মোৰ এইকথা ভাৱিহে বেয়া লাগিছে যে আমাৰ আনন্দৰ বাবে আমি তোমালোকক কিমান কষ্ট দিছো। কেৱল সিমানেই নহয়, আমি শব্দ আৰু বায়ু প্ৰদুষণত আগভাগ লৈছো।'' চিন্ময়ে কলে। চিন্ময়ৰ কথা শুনি আইতাকৰ চকুত এটা হাঁহিৰ ৰেঙণি জিলিকি উঠিল।

''তুমি চাই থাকা, এইবাৰ মই কেনেকৈ দীপাৱলী পালন কৰো। মই লক্ষ্য ৰাখিম যে আমি কৰা কামে কোনোমতে শব্দ আৰু বায়ু প্ৰদুষণ সৃষ্টিনকৰে। আমি কেৱল নিজে ভালপোৱা কামবোৰ কৰিলেই নহয়, সেইবিলাকে যাতে আনৰ লগতে আমাৰ হানি নকৰে তাৰ বাবেও গুৰুত্ব দিব লাগে। মই ঠিকেই কৈছোনে আইতা?'' চিন্ময়ে কলে।

''তোমাক লৈ মই গৌৰৱ কৰো চিন্ময়। তুমি ইমান ভালকৈ কথাবিলাক বুজি পোৱা। আৰু সেইবিলাক পালন কৰিবলৈও চেষ্টা কৰা। সংস্কৃতত কথা এষাৰ আছে- 'সৰ্বে জনহ সুখীন ভৱন্ত।' সেয়াই জানো সকলো উৎসৱৰে লক্ষ্য নহয়।'' আইতাকে কলে।



বগৰী গছ - ঘাঁহ

এসময়ত এখন অৰণ্যত এজোপা বগৰী গছ আৰু এজোপা ঘাঁহ ওচৰা-ওচৰিকৈ আছিল। বগৰী গছে সদায় ঘাঁহক উপলুঙা কৰি কৈছিল, ''হেৰা ঘাঁহ, তুমি সদায় মাটিতে কিয় থাকা? মোলৈ চোৱা। মই কিমান শক্তিশালী আৰু ওখ। তুমি মোৰ লগত কোনোমতে তুলনাৰো যোগ্য নোহোৱা।''

তাৰ উত্তৰত ঘাঁহে কলে, ''হেৰা, তুমি সদায় গপতে উফন্দি নাথাকিবা। মোক যি শক্তিৰ প্ৰয়োজন সেয়া মোৰ আছে।''

অলপদিনৰ পিছত খুব বৰষুণ আৰম্ভ হ'ল। বৰষুণৰ পানীত ঘাঁহ ডুবিল। তাকে দেখি বগৰীগছে হাঁহিবলৈ ধৰিলে। কলে, ''তুমি সদায় কৈ থাকা যে তুমি শক্তিশালী। এতিয়া তোমাৰ সেই শক্তি ক'ত?'' কিছুদিন পাৰ হৈ গ'ল। ঘাঁহ পানীৰ ডুবাৰ পিছতো বাচি থাকিল আৰু লাহে লাহে ঠন ধৰি আগৰ অৱস্থালৈ আহিল।

অলপ দিনৰ পিছত বৰষুণৰ লগতে বিজুলী-ঢেৰেকণীৰে ধুমুহা আহিল। বগৰী গছ উঘাল খাই পৰি গ'ল। সি আৰু পুণৰ উঠিব নোৱাৰিলে। তেতিয়া ঘাঁহে বগৰী গছক কলে, ''বৰ দুখৰ কথা বন্ধু, তুমি বাৰু এতিয়া তোমাৰ শক্তিৰ সীমা উপলব্ধি কৰিছানে? বৰষুণৰ পানীত ডুবা স্বত্বেও মই পুণৰ আগৰ অৱস্থালৈ আহিলো। ইয়াতেই আমি শিকিবলগীয়া আছে। যদি আমি আমাৰ কোনোবা লগৰীয়াক সমস্যাত পৰা দেখো, তেন্তে তেওঁক উৎসাহ যোগাব লাগে যাতে তেওঁ সমস্যাৰ সন্মুখীন হৈ তাক সমাধান কৰিব পাৰে। তুমি মোক কৰি অহাৰ দৰে নিৰুৎসাহ কৰিব নালাগে।''

বগৰী গছে ঘাঁহৰ কথাত সন্মতি জনাই কলে, ''হয়, তুমি শুদ্ধ কথাই কৈছা। মোৰ বৰ ভুল হৈছিল।'' এইবুলি বগৰী গছে শেষ নিশ্বাস ত্যাগ কৰিলে। – *এ ৰামবাবু*



শিথিলালয় - ১৯

(শিখিমুখী আৰু বিক্ৰম কেশৰীয়ে শিথিলালয়ৰ পুজাৰীৰ জুপুৰী ঘেৰি লৈ তাত বন্দী হৈ থকা নাগমল্লীক বন্ধন মুক্ত কৰিলে। পুজাৰীয়ে সবৰগীধক লগত লৈ জংঘলৰ মাজেদি পলাই গ'ল। নাগমল্লীক শিখিমুখীয়ে কলে যে তেওঁ ব্ৰহ্মপুত্ৰ নদীৰ ঘাটিৰ পৰা উভতি নহা পৰ্যন্ত নাগমল্লীক বিবাহ নকৰে। তাৰপিছত...)

শিৱালে নিজৰ অনুচৰক লগত লৈ দুপৰীয়াৰ লগে লগে শৱৰ গাৱ পালেগৈ। ৰাস্তাত তেওঁ এই ভাৱি বৰ চিন্তা হৈছিল যে তেওঁৰ অনুপস্থিতিত শিথিলালয়ৰ পুজাৰীয়ে তেওঁৰ গাৱত কিবা অনিষ্টকৰিব পাৰে। কিন্তু তেনে একো নোহোৱা দেখি বৰ সুখী হ'ল। তেওঁৰ গাৱ একেবাৰে সুৰক্ষিত হৈ আছিল।

বহুদিনৰ পিছত বিক্ৰমকেশৰীৰ পিতৃ জয়পালে প্ৰেৰণ কৰা তাঁৰ পত্ৰসমূহ আৰামেৰে পঢ়িবলৈ শিৱালে সময় পালে। সেই তাঁৰ পত্ৰত নিৰ্দেশ কৰা কিছুমান প্ৰদেশৰ নাম দেখি তেওঁ এইটো বুজি পোৱাত সহায় হ'ল যে জয়পালৰ পিতৃ বিক্ৰমকেশৰী কিয় দ্বিতীয়বাৰৰ বাবে ব্ৰহ্মপুত্ৰ নদীৰ পাৰত থকা ঘাটিবিলাকলৈ যাবলগীয়া হৈছিল। ব্ৰহ্মপুত্ৰ নদীৰ ঘাটিবিলাকলৈ তেওঁৰ এই দ্বিতীয় বাৰৰ যাত্ৰা তাত থকা অনেক টিলাৰ ভিতৰৰ নিৰ্দিষ্ট এটালৈ যাবলৈ কৰিছিল। জনবিশ্বাস অনুসৰি সেই টিলাতে শিথিলালয় অৱস্থিত। কোৱা হয় যে শিথিলালয় অনেক ধন-সম্পদৰ লগতে অপূৰ্ব শৈল্পিক কাৰুকাৰ্যই ভৰি আছে। বিক্ৰমকেশৰীয়ে সেই শিল্পসমূহ তাৰ পৰা আনি ৰাজমহলত সজাই থব বিচাৰিছিল।

দাসৰি সুব্ৰমন্যাম

বিক্রমকেশৰীয়ে শিথিলালয়লৈ যাবলৈ যি পথৰ নিৰ্দেশ কৰা আছে তাক বিস্তৃতভাৱে সেই তাঁৰপত্ৰত বৰ্ণনা কৰিছিল। সেই মন্দিৰ বহু যুগৰ আগতেই ইম্যু নামৰ এটা জংঘলী জাতিয়ে নিৰ্মাণ কৰিছিল। প্ৰাকৃতিক প্ৰকোপৰ বাবে ব্ৰহ্মপুত্ৰ নদীত বান আহিল আৰু সেই টিলাৰ চাৰিওফালৰ সকলো অঞ্চল পানীত বুৰ গ'ল। এই কাৰণৰ বাবে শিথিলালয় বহু যুগৰ বাবে লোক চক্ষুৰ পৰা আঁতৰি থাকিল। তথাপিও মানুহে বিশ্বাস কৰে যে এতিয়াও ইম্যু জাতিৰ কিছুসংখ্যক বৃদ্ধলোকে সেই শিথিলালয়ৰ টিলাটোৰ ঠিকনা সম্পৰ্কে খবৰ ৰাখিছে।

শিৱালে বহুপৃষ্ঠা থকা তাঁৰপত্ৰৰ পৰা শিথিলালয়ৰ পৃষ্ঠাসমূহ উলিয়াই সেইবিষয়ে বিক্রমকেশৰীক বৰ্ণনা কৰিলে। "বিক্রম, তোমাৰ ককাদেউতা বিক্রমকেশৰী যে এতিয়াও জীৱিত আছে সেই বিষয়ে মোৰ সন্দেহ আছে। তেওঁ মোতকৈ বয়সত বহু ডাঙৰ। তাতে ব্ৰহ্মপুত্ৰ নদীৰ ঘাটিবিলাকত ঘূৰি পকি জ্বৰে বিষে তেওঁ এতিয়ালৈকে জীয়াই আছে যেন নালাগে। এয়া মোৰ অনুমানহে। তথাপিও তুমি মোৰ এই কথা তোমাৰ দেউতাৰাক কৰা। ইয়াৰ পিছতো যদি তেওঁ সেই প্ৰদেশলৈ যাব খোজে আমি বাধা দি ৰাখিব নোৱাৰো। তেওঁ তোমাক প্ৰেৰণ কৰিব খুজিলে তোমাৰ সহায়ৰ বাবে কেৱল সুৰসেন দেশলৈকে নহয়, ব্ৰহ্মপুত্ৰ নদীৰ ঘাটিবিলাকলৈকে মোৰ পুত্ৰ শিখিমুখীক প্ৰেৰণ কৰিছো।"

এই কথা শুনি বিক্রমকেশৰীয়ে শিৱালৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলে। পিছদিনাখন ৰাতিপুৱাই তেওঁ শিখিমুখীক লগত লৈ নিজৰ দেশলৈ বুলি ৰাওনা হ'ল। যাতে তেওঁলোকক ৰাস্তাত শিথিলালয়ৰ পুজাৰীয়ে কোনো হানি-বিধিনি কৰিব নোৱাৰে সেইবাবে দুজন বিশালকায় শবৰ যুৱকক অংগৰক্ষক হিচাপে প্ৰেৰণ কৰিলে।

ৰাস্তাত কোনো ধৰণৰ অসুবিধা লাভ নকৰাকৈ একেৰাহে পোন্ধৰ দিন যাত্ৰা কৰাৰ পিছত বিক্রমকেশৰী আৰু শিখিমুখী গৈ সুৰসেন ৰাজ্যত উপনীত হ'ল। জয়পালে বিক্রমকেশৰীৰ পৰা সকলো কথা

শুনি কলে যে লাগে যিমানেই বিপদৰ সম্ভাৱনা নাথাকক লাগিলে, তেওঁ নিশ্চয়কৈ ব্ৰহ্মপুত্ৰ নদীৰ ঘাটিবিলাকলৈ গৈ দেউতাকৰ খবৰ বিচাৰিব।

মন্ত্ৰী আৰু আন আন ৰাজ-কৰ্মচাৰীসকলে বিনম্ৰভাৱে জয়পালৰ এনে সিদ্ধান্তৰ বিৰোধিতা কৰিলে। তেওঁলোকে ইয়াকো কলে যে এনে কঠিন কামৰ বাবে কেৱল যুৱকহে উপযুক্ত। এই বৃদ্ধাৱস্থাত জয়পাল এনে দূৰৰ অজান দেশলৈ যোৱাতো উচিত নহব। সকলোৰে কথা শুনি জয়পালে এই কাৰ্যৰ ভাৰ পুত্ৰ বিক্ৰমকেশৰীৰ ওপৰত অৰ্পন কৰিলে।

এসপ্তাহৰ ভিতৰত যাত্ৰাৰ বাবে প্ৰয়োজনীয় সকলো যা-যোগাৰ কৰা হ'ল। বিক্ৰমকেশৰী আৰু শিখিমুখীৰ লগত দুজন সুসজ্জিত ক্ষত্ৰিয় যুৱকক প্ৰেৰণ কৰা হ'ল। এইদৰে তেওঁলোক এদিন পুৱা ব্ৰহ্মপুত্ৰ নদীৰ ঘাটিলৈ যাবলৈ তৈয়াৰ হ'ল। ৰাওনা হোৱা আগতে জয়পালে মৰমেৰে বিক্ৰমকেশৰীক আকোৱালি হৈ তেওঁৰ ডিঙিত এটা ৰক্ষা কৱছ বান্ধি দিলে। সেই কৱছ জয়পালে তেওঁৰ পিতাকৰ পৰা পোৱা তাঁৰ পত্ৰসমূহ থকা বেগটোত আছিল। সেই কৱছৰ ওপৰত কালীৰ মূৰ্তি খোদিত হৈ আছিল।

শিখিমুখী আৰু বিক্ৰমকেশৰী নিজৰ দুজন সহযোগীৰে সৈতে চাৰি-পাঁচ মাহ ধৰি হাবি জংঘল, পাহাৰ-টিলা আদিৰ মাজেৰে যাত্ৰা কৰাৰ পিছত গৈ কামাখ্যা পুৰত উপস্থিত হ'ল। তাত গৈ তেওঁলোকে সিদ্ধান্ত কৰিলে যে তেওঁলোকে কিছুদিন বিশ্ৰাম কৰিব আৰু তাৰপিছত পথ দেখুৱাবৰ বাবে কাৰোবাৰ পৰা সহায় লৈ ইম্যু জাতিৰ ৰাজ্যলৈ যাত্ৰা কৰিব। সুৰসেন দেশৰ এজন পণ্ডিতে জয়পালক এই বাতৰি দিছিল যে জয়পালৰ পিতা মহাৰাজ বিক্ৰমকেশৰী কিছুদিনৰ বাবে সেই প্ৰদেশত আছিল।

বিক্ৰমকেশৰী, শিখিমুখী আৰু তেওঁলোকৰ দুজন সহচৰ কামাখ্যাপুৰ পাই তাত এসপ্তাহৰ বাবে জিৰণি ললে। সেই সময়ত ওচৰেৰে চহৰত দেৱীৰ উৎসৱ চলি আছিল। সেই উৎসৱত ভাগ লবলৈ সেই


CHITRA

চহৰৰ বাহিৰৰ পৰাও নানান জাতিৰ লোকৰ আগমণ ঘটিছিল। শিখিমুখীয়ে ভাৱিলে যে ব্ৰহ্মপুত্ৰ নদীৰ ঘাটিসমূহলৈ বাট দেখুৱাব পৰা লোকৰ সন্ধান হয়তো এই লোকসকলৰ মাজতে বিচাৰি পোৱা যাব পাৰে। গতিকে তেওঁ বিক্ৰমকেশৰী আৰু আন দুজন যুৱকক লগত লৈ সেই উৎসৱ হোৱা চহৰলৈ যাত্ৰা কৰিলে। গলিবিলাকৰ দুয়োফালে অসংস্যা সৰু সৰু দোকান নিৰ্মান কৰিছিল। সেই দোকানবিলাকত হাতীদাঁতৰ পৰা নিৰ্মিত নানা ধৰণৰ বস্তু, শিলেৰে নিৰ্মিত দেৱ-দেৱীৰ মূৰ্তি, জীৱ-জন্তুৰ ছালৰ পৰা নিৰ্মিত নানা বস্তুকে ধৰি নানা প্ৰকাৰৰ বস্তু উপলব্ধ হৈ আছিল।

চাৰিওজনে সেই দোকানবিলাকত থকা নানা ধৰণৰ বস্তুবিলাক চাই চাই আগুৱাই গ'ল। সেই গলিৰে এঠাইতে তেওঁলোকে হাতীৰ ছালৰ ওপৰত মানুহৰ লাওখোলা সজাই বহি থকা এজন জ্যোতিষী দেখা পালে। তেওঁ ইটো সিটো কৈ কাষৰ মানুহবিলাকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰি আছিল। তেওঁৰ দাড়ি-চুলি দীঘল আছিল আৰু সেইবোৰ জটা বন্ধা আছিল। তেওঁৰ কপালত আছিল আঁতৰৰ পৰা জিলিকি থকা কুমকুমৰ এটা ডাঙৰ ফোঁট।

শিখিমুখী আৰু তেওঁৰ দলে সেই জ্যোতিষীৰ কাণ্ড-কাৰখানা কিছুসময় চাই তাৰ পৰা আগুৱাই যাব খুজোতেই জ্যোতিষীয়ে বিক্ৰমকেশৰীৰ ফালে আঙুলি টোৱাই সুধিলে- ''আৰে, সুৰসেন দেশৰ কেশৰী। ৰবা, কথা এটা শুনি যোৱা।''

এইদৰে জ্যোতিষীয়ে নাম ধৰি মতা শুনি

বিক্ৰমকেশৰী আৰু জীয়াই থকা নাই। তোমালোকে এহেজাৰ বৰ্ষীয় মহা শক্তিশালী লোকৰ সৈতে শত্ৰুতা কৰি বৰ ভাল কাম কৰা নাই। তোমালোকে সাহস কৰি ব্ৰহ্মপুত্ৰ নদীৰ ঘাটিবিলাকলৈ গলে তোমালোকৰ মৃত্যু নিশ্চিত। মনত ৰাখিবা, তোমালোক জীৱন্তে উভতি আহিব নোৱাৰিবা।"

এনে কথা শুনা পাই তৰোৱাল উলিয়াই বিক্ৰমকেশৰীয়ে সেই জ্যোতিষীক আক্ৰমণ কৰিব খুজিলে। কথা বিষম দেখি শিখিমুখীয়ে বিক্ৰমক ৰখাই বুজালে, "বিক্ৰম, লৰালৰি নকৰিবা। আমি বিদেশী দেশত আছো। এই কপট জ্যোতিষী হয় শিথিলালয়ৰ পুজাৰীৰ বন্ধু নহলে সেৱক হব। সেই দুষ্টৰ পৰাই নিশ্চয় ই আমাৰ বিষয়ে সকলো কথা শুনিলে। ইয়াৰ অৰ্থ এয়ে যে শিথিলালয়ৰ পুজাৰী এই চহৰতে কৰবাত লুকাই আছে। সম্ভৱ আমাৰ ওপৰত সি চকু ৰাখি আছে।"

"তেনেকুৱাই লাগিছে। তাৰ পৰা আমি সাৱধান হৈ থকা ভাল। এইদৰে ভীৰৰ মাজত আমি ঘূৰি ফুৰাটো উচিত হোৱা নাই। সি অকস্মাতে সহচৰৰ সহায় লৈ আমাৰ ওপৰত আক্ৰমণ কৰিব পাৰে। ব'লা, আমি এতিয়াই আমাৰ থকা ঠাইলৈ উভতি যাও।"

এইদৰে তেওঁলোক তাৰ পৰা উভতি আহি আধাঘন্টাৰ পিছত চৰাইখানা পালেগৈ। চৰাইখানাৰ মালিকে কলে,

বিক্ৰমকেশৰী ৰৈ গ'ল আৰু আচৰিত হৈ জ্যোতিষীৰ ফালে চালে।

শিখিমুখী জ্যোতিষীৰ ফালে দুখোজ আগুৱাই আহি কলে, "মহাৰাজ, হাত দেখি মানুহৰ নাম কব পৰা কেইজনমান জ্যোতিষীৰ কথা মই জানো। কিন্তু আপুনি মানুহৰ চেহেৰা চায়েই নাম আৰু ঠিকনা কব পাৰে। আপুনি বাৰু আমাৰ ৰাজ্যলৈ কেতিয়াবা গৈছিলনে?"

জ্যোতিষীয়ে শিখিমুখীৰ কথা শুনি হাঁহি এটা মাৰি কলে, "মই অঘোৰ জ্যোতিষশাস্ত্ৰৰ অভ্যাস কৰো শিখিমুখী। মই মানুহৰ ভূত, ভৱিষ্যত আৰু বৰ্তমানৰ কথা নিৰ্ভূলকৈ কব পাৰো। তোমালোক যি দিশৰ পৰা আহিছা, সেইফালে উভতি যোৱা। বৃদ্ধ

‘‘আপোনালোকৰ গুৰু আহি আপোনালোকৰ কোঠাত বহি আছে। এঘন্টামান ধৰি অপেক্ষা কৰি আছে।’’

চৰাইখানাৰ মালিকৰ পৰা এনে কথা শুনি চাৰিওজন বৰ আঁচৰিত হ’ল। শিখিমুখীয়ে চৰাইখানাৰ মালিকক সন্দেহভৰা সুৰেৰে কলে, ‘‘আমাৰ কোনো গুৰু নাই। সেইটো কোনোবা চুৰ-ডকাইত হব পাৰে। তুমি কি আমাৰ কোঠা তাক দেখুৱাই দিলা ?’’

চৰাইখানাৰ মালিকে কলে, ‘‘হয়, তেওঁ আপোনালোকৰ গুৰু বুলি কোৱাত কোঠাটো দেখুৱাই দিলো। তেওঁক কোনোবা কালী ভক্ত যেন লাগে। তেওঁ কলে যে তেওঁ কোনোবা মন্দিৰৰ পুজাৰী আৰু তোমালোক তাৰ ভক্ত।’’

‘‘ঠিক আছে। আমি নিজেই তাক শুধি লম। আমাৰ কোঠাৰ পৰা চিঞৰ-বাখৰ আহিলেও তুমি অন্তত আধা ঘন্টালৈকে কাকো সেইফালে যাবলৈ নিদিবা। এইবুলি কৈ শিখিমুখীয়ে লৰালৰিকৈ প্ৰথম মহলাত থকা তেওঁলোকৰ কোঠাৰ ফালে দৌৰি গ’ল। বাকী লোকসকলেও শিখিমুখীক অনুসৰণ কৰিলে।

বিক্ৰমকেশৰীহঁতে যিটো কোঠা ভাৰালৈ লৈছিল সেইটোৰ দুৱাৰ খোল খাই আছিল। সকলোতকৈ প্ৰথমতে শিখিমুখীয়ে কোঠাটোৰ ভিতৰত প্ৰৱেশ কৰিলে আৰু শিথিলালয়ৰ পুজাৰীক কোঠাৰ ভিতৰত দেখা পালে।

এখন চুৰীৰে তেওঁ এটা সৰু কাঠৰ বাকচ খুলিবলৈ চেষ্টা কৰি আছিল। তেওঁ শিখিমুখী দুৱাৰেদি সোমাই অহাৰ লগে লগে বিকৃত ভাৱে হাঁহি উঠিল আৰু কলে, ‘‘আহা শিখি, আহা, তুমি ভাল সময়তে আহিছা। ভাল কথা। তুমি আৰু তোমাৰ বন্ধুসকল য’ত আছা তাতে থিয় হৈ থাকা। এই সৰু কাঠৰ বাকচ খুলিবলৈ মোৰ মন্ত্ৰ শক্তিৰ প্ৰয়োগ কৰিবলৈ ভাল নলগাত এই চুৰীখনেৰেই চেষ্টা কৰি আছো।’’

শিখিমুখী থমকি ৰ’ল। তেওঁৰ পিছফালে থিয় হৈ থকা ক্ষত্ৰিয় যুৱক অজিত আৰু বীৰভদ্ৰক দুৱাৰখনৰ ওপৰত চকু ৰাখিবলৈ চকুৰে ইংগিত কৰিলে। তাৰপিছত দুখোজ আগুৱাই গৈ কলে, ‘‘পুজাৰী, তুমি ভাৱিছা

যে শিথিলালয়লৈ যাবৰ বাবে পথৰ নিৰ্দেশনা থকা তাঁৰপত্ৰসমূহ এই বাকচটোত আছে। তোমাৰ ভুল হৈছে। সেইবিলাক ইয়াত নাই। চোৱা, সেইবিলাক আমি পোছাকৰ তলত ৰাখি লগত লৈ ঘূৰি ফুৰিছো। অলপ ওচৰলৈ আহি খুজিলে আমি তোমাক সেইবিলাক দি দিম।''

বিক্ৰমকেশৰীয়ে নিজৰ কাপোৰৰ তলৰ পৰা এখন বেছ ডাঙৰ তাঁৰপত্ৰ উলিয়াই দেখুৱালে। পুজাৰীয়ে সেই তাঁৰপত্ৰ দেখিয়েই দাতঁ কৰচিবলৈ ধৰিলে। তাৰপিছত কলে, ''হু, মই কি তাঁৰপত্ৰসমূহ ভিক্ষা কৰিব লাগিব? ঠিক আছে, মুখেৰে নুখুজো, চুৰিৰেহে বিচাৰিম।'' এইবুলি কৈ পুজাৰীয়ে বিক্ৰমকেশৰীৰ ফালে চুৰিখন দলিয়াই দিলে।

শিখিমুখীয়ে প্ৰথমৰ পৰাই বিপদৰ গোন্ধ পাই আছিল। লগে লগে শিখিয়ে বিক্ৰমৰ কান্ধত ধৰি তললৈ হেঁচা মাৰি ধৰিলে। চুৰিখন হৈ সশব্দে দুৱাৰত বিদ্ধ হ'ল। শিখিমুখীয়ে পুজাৰীক ধৰিবলৈ জাপ মাৰি দিলে, কিন্তু কোঠাটোৰ পিছফালৰ দুৱাৰখনেদি পুজাৰী বাহিৰলৈ ওলাই গ'ল আৰু ওপৰৰ পৰা তললৈ জাপ মাৰি দিলে।

লগে লগে শিখিমুখী আৰু বিক্ৰমকেশৰী তললৈ নামি আহিল। তেওঁলোকে ভাৱিছিল যে ওপৰৰ পৰা এইদৰে জাপ মাৰি দিলে পুজাৰী মৰি যাব। কিন্তু তলত আগৰে পৰা ৰৈ থকা সবৰগীধে পুজাৰীক মাটিত পৰাৰ আগতেই থাপ মাৰি ধৰিলে। তেওঁলোকৰ ওচৰত দুটা ঘোঁৰা আছিল আৰু তাৰ এটাত পুজাৰী আৰু আনটোত সবৰগীধ উঠি ঘোঁৰা চেকুৱাই দিলে।

লগে লগে শিখিমুখীয়ে পিছফালে ঘূৰিল আৰু চিঞৰিলে, ''অজিত আৰু বীৰভদ্ৰ, তোমালোকে পলাই যোৱা পুজাৰী আৰু সবৰগীধৰ পিছ লৈ সিঁহতক ধৰি আনা।'' শিখিৰ আদেশ শুনি অজিত আৰু বীৰভদ্ৰ দৌৰি গ'ল। *(আগলৈ)*

আশা-নিৰাশা

ৰংগনাথ আৰু ৰামনাথ আছিল চুবুৰীয়া। তেওঁলোক দুয়োজন বৰ ভাল বন্ধুও আছিল। ৰংগনাথে বহুদিনৰ পৰা এটা ভাল চাকৰিৰ সন্ধান কৰি আছিল, কিন্তু সফল হব পৰা নাছিল। এবাৰ তেওঁ চহৰত এটা ভাল চাকৰি পোৱা সম্ভাৱনা আছিল যদিও শেষ মুহূৰ্তত সেই চাকৰি লাভ কৰিবলৈ সক্ষম নহ'ল।

তাৰ কিছুদিনৰ পিছতে ৰংগনাথৰ ছোৱালী চন্দ্ৰমতীক চাবৰ বাবে সম্ভাৱনীয় দৰা ঘৰৰ পৰা মানুহ আহিছিল। তেওঁলোকে যোৱাৰ সময়ত এনে এক ইংগিত দি থৈ গ'ল যে ছোৱালী তেওঁলোকৰ পচন্দ হৈছে আৰু বিয়াখন হোৱাৰ সম্ভাৱনা আছে। যি কি নহওক, কেইদিনমানৰ পিছতে তেওঁলোকে ঘটকৰ মুখেদি খবৰ প্ৰেৰণ কৰিলে যে বিয়াখন হোৱাৰ কোনো সম্ভাৱনা নাই। আগা-পিছাকৈ ঘটা এই ঘটনাবিলাকে ৰংগনাথক বৰ চিন্তাত পেলালে।

আনফালে, ৰামনাথৰ কন্যা পদ্মাৱতীক চাবৰ বাবেও সম্ভাৱনীয় দৰাৰ মাক-দেউতাক আহিছিল। তেওঁলোকে পদ্মাৱতীক পচন্দ কৰিলে আৰু আঙুঠি পিন্ধোৱাৰ বাবে দিন ঠিক কৰিলে। সকলোৱে বৰ আনন্দ পালে। কিন্তু বিধিৰ কি বিধান। কেইদিনমানৰ পিছতে ৰামনাথে এটা খবৰ পালে যে তেওঁলোকৰ সেই বিয়াত সন্মতি নাই। তেওঁ মনতে বৰ দুখ পালে। ৰংগনাথে গৈ বন্ধুক সান্ত্বনা দিলে।

''তোমাৰোটো একেই দশা হৈছিল। কিন্তু মই এটা কথা বুজি নাপালো যে তুমি এই কথাত কিয় দুখ নাপালা।'', ৰামনাথে ৰংগনাথক সুধিলে।

ৰংগনাথে এটা হাঁহি মাৰি কলে, ''আমি তেতিয়াহে দুখ পাও যেতিয়া আমাৰ আশা বেছি থাকে। মই যেতিয়া কিবা কাম আৰম্ভ কৰো, তেতিয়া নিজকে কও যে মই সেই কামত সফল নহলেও দুখত ভাঙি পৰাৰ কোনো যুক্তি নাই। জীৱন যেনেকৈয়ে আহে মই তেনেকৈয়ে তাক লবলৈ চেষ্টা কৰো। মোৰ ছোৱালীৰ বিয়াখন নোহোৱাৰ বাবে মোৰ বেয়া লাগিছিল সঁচা, কিন্তু দুখ লগা নাছিল। জীৱনক তুমিও এইধৰণে লৈ এবাৰ চেষ্টা কৰি চোৱা।'' - ***প্ৰতাপ ৰবি শংকৰ***





পৰোপকাৰ

ৰাণী অহল্যাবায়ে যেতিয়া ইন্দোৰ ৰাজ্যত ৰাজত্ব কৰিছিল, সেই সময়ত বিনায়ক ৰাও গন্ধেকৰ নামৰ এজন প্ৰসিদ্ধ সংগীতজ্ঞ আছিল। তেওঁ এজন প্ৰসিদ্ধ কবি আৰু ভগৱানৰ একান্ত ভক্ত আছিল। তেওঁ ধৰ্মীয় সংগীত ৰচনা কৰিছিল, তাত সুৰ দিছিল আৰু তাৰপিছত গাই মানুহক শুনাইছিল।

কবি আৰু গায়ক হিচাপে গন্ধেকৰৰ খ্যাতি গোটেই জগততে বিয়পি পৰিছিল। ভক্ত, সংগীতানুৰাগী আদি নানা ধৰণৰ লোক তেওঁৰ ঘৰলৈ আহিছিল আৰু তেওঁক নানা ধৰণৰ উপহাৰ প্ৰদান কৰিছিল।

এইদৰে লাভ কৰা ধন-সম্পদ গন্ধেকৰে মানুহৰ মাজত বিলাই দিছিল। কিন্তু যিমান তেওঁ মানুহৰ মাজত বিলাই দিছিল তাতোকৈ বেছি উপহাৰ হিচাপে লাভ কৰিছিল।

এনেহেন গন্ধেকৰ সন্তানহীন আছিল। সেইবাবে তেওঁৰ বৰ দুখ আছিল। অন্তিম অৱস্থাত তেওঁ পত্নী ৰুক্মাবাইক মাতি কলে, "ৰুক্মা, আমাৰ কোনো সন্তান নাই। কিন্তু মানুহৰ বাবে কেৱল পুত্ৰই সন্তান হব নোৱাৰে। সাত ধৰণৰ সন্তানৰ ভিতৰত মই কোনো এক সন্তান লাভ কৰিব নোৱাৰিলো। মোৰ মৃত্যুৰ পিছত মোৰ ধনেৰে তুমি পুখুৰী, কুঁৱা, মন্দিৰ, ধৰ্মশালা আদি নিৰ্মান কৰোৱাবা। মোৰ এয়ে ইচ্ছা।"

পতিৰ মৃত্যুৰ পিছত ৰুক্মাবায়ে তেওঁৰ ইচ্ছা পালন কৰিবৰ বাবে মনস্থ কৰিলে। কিন্তু তেওঁ এক বাধাৰ সন্মুখীন হ'ল। এদিনাখন ইন্দোৰ ৰাজ্যৰ সেনাধিপতি তুকাজী আহি কলে যে যিহেতু গন্ধেকৰৰ কোনো সন্তান নাই, গতিকে তেওঁৰ সকলো সম্পত্তি বিধান অনুসাৰে ৰাজভৰাললৈ যাব।

পি ভি আৰ মূৰ্তি

গতিকে সেই সম্পূৰ্ণ সম্পত্তি ৰাণীক সপি দিবলৈ নিৰ্দেশ দিলে। লগতে কলে যে জীৱন নিৰ্বাহৰ বাবে ৰুক্মাবায়ে তাৰ পৰা কিছু অংশ ৰাখি থব পাৰিব।

সেনাপতিৰ কথা শুনি ৰুক্মাবায়ে পতিৰ শেষ ইচ্ছাৰ কথা ব্যক্ত কৰিলে। কিন্তু সেই ৰাজ্যৰ নিয়মেই এনে আছিল আৰু সেইবাবে তুকাজীয়েও একো সহায় কৰিব নোৱাৰিলে। তেওঁ সকলো সম্পত্তি ৰাজকোষত জমা কৰি দিলে।

ৰুক্মাবায়ে অহল্যাবাইৰ ওচৰত এক নিৱেদন পত্ৰ সমৰ্পন কৰিলে। তেওঁ ৰাণীৰ ওচৰলৈ গৈ নিৱেদন কৰিলে যে তেওঁৰ পতিৰ সম্পত্তি উভতাই দিয়া যায় আৰু তেতিয়া তাৰে তেওঁ পতিৰ ইচ্ছানুসৰি পুখুৰী, কুঁৱা, মন্দিৰ আদি নিৰ্মাণ কৰোৱাব পাৰিব।

ৰুক্মাবাইৰ নিৱেদন শুনি ৰাণী অহল্যাবায়ে সেনাপতি তুকাজীক আদেশ কৰিলে যে গন্ধেকৰৰ সমস্ত সম্পত্তি ঘূৰাই দিব লাগে।

ৰাণীৰ কথা শুনি তুকাজীয়ে কলে, ''দেৱী, এয়া নীতিবিৰুদ্ধ কাম হব।''

''বাৰু, যদি এই ধন ৰাজকোষত থাকে, তেন্তে তাৰে আমি কি কৰিম?'' ৰাণীয়ে তুকাজীক সুধিলে।

''আমি তাক পুখুৰী, কুঁৱা খন্দোৱাৰ বাবে, মন্দিৰ, ধৰ্মশালা আদি নিৰ্মাণ কৰাৰ কামত খৰচ কৰিব পৰিম।'' তুকাজীয়ে উত্তৰ দিলে।

''তেনেহলে সমস্যা ক'ত?'' ৰুক্মাবায়ে সেই একেই কামত এই ধন খৰচ কৰিব বিচাৰিছে। পাৰ্থক্য এয়ে যে ৰাজ্যৰ কৰ্মচাৰীয়ে নিজৰ বেতনৰ বাবে কাম কৰে, ৰুক্মাবায়ে নিজৰ পতিৰ শেষ ইচ্ছা পুৰণ কৰাৰ বাবে স্বয়ং কৰিব বিচাৰিছে। তেওঁ এই ধনৰ পৰা এটাও টকা বেতন হিচাপে নলব। গতিকে, সেই ধন এই মুহূৰ্ততে ঘূৰাই দিয়া হওক।'' ৰাণীয়ে এইদৰে সেনাপতি তুকাজীক আদেশ কৰিলে।

ইন্দোৰৰ সকলো প্ৰজাই ৰাণীৰ এই ন্যায় চিন্তাৰ বাবে প্ৰশংসা কৰিলে।



বুদ্ধিয়ক বান্দৰ

এখন নদীৰ পাৰত এটা বুদ্ধিয়ক বান্দৰে বাস কৰিছিল। সি এদিন নদী পাৰ হৈ সিপাৰলৈ যোৱা কথা চিন্তা কৰিছিল, কিয়নো সিপাৰত বহু পৰিমাণৰ ফল-মূল আদি আছিল। বহুত ভাবিও সি নদী পাৰ হোৱাৰ কোনো উপায় বিচাৰি নাপালে।

শেষত বান্দৰে নদীত থকা ঘৰিয়ালৰ সহায় লবলৈ ঠিক কৰিলে আৰু কলে, ''বন্ধু, তোমাৰ ভালনে? মই তোমাক সদায় অকলে অকলে ঘূৰি ফুৰা দেখো। তোমাৰ চাগে কোনো বন্ধু বা পৰিয়াল নাই।''

''মোৰ বহু বন্ধু আছে। তুমি যদি চাব বিচাৰা তেন্তে আমি সকলোৱে মিলি নদীখনকে ভেটি পেলাব পাৰো।'' ঘৰিয়ালটোৱে কলে।

''হয় নেকি? তেতিয়াহলেটো তোমালোক বেছ শক্তিশালী। কিন্তু মই নিজ চকুৰে নেদেখালৈকে বিশ্বাস কৰিবলৈ টান পাইছো।''

''অলপ সময় ৰবা তেন্তে।'' ঘৰিয়ালটোৱে কলে। সি পানীত বুৰ মাৰি আন ঘৰিয়ালবিলাকক মাতি আনিলে। সকলো ঘৰিয়ালে মিলি নদীখনত এটা ভেটাৰ সৃষ্টিকৰিলে।

''বাহ, সুন্দৰ, তোমালোকৰ সংখ্যা দুই ডজনতকৈ বেছি হব যেন মোৰ বোধ হৈছে।'' বান্দৰটোৱে কলে।

''দুই ডজন? আমি এশতকৈও বেছি। বিশ্বাস হোৱা নাই যদি হিচাপ কৰি চোৱা।''

''ঠিক আছে'', বান্দৰটোৱে কলে আৰু প্ৰথম ঘৰিয়ালটোৰ পিঠিত জাপ মাৰি কলে, ''এক'' তাৰপিছত বান্দৰে এটা এটাকৈ গণি গণি নদীখনৰ সিপাৰ পালেগৈ। তাৰপিছত সি ঘৰিয়ালটোক কলে, ''ধন্যবাদ বন্ধু, মোক নদীখন পাৰ হোৱাত সহায় কৰাৰ বাবে বহুত ধন্যবাদ।''

মহানতা

বহু দিনৰ আগতে শিৱসতীপুৰ নামৰ এখন চহৰত নীল ভাৰ্মা আৰু লুব্ধ ভাৰ্মা নামৰ দুজন বন্ধুৱে বাস কৰিছিল।

দুয়োজনে স্থানীয় অঞ্চলত উপলব্ধ মছলা, মুকুতা, ৰঙীণ শিল, ঔষধি গছৰ মূল্যৱান পাত, শিপা আদি সংগ্ৰহ কৰিছিল। তেওঁলোকে সেই সামগ্ৰীবিলাক বিদেশলৈ লৈ গৈ তাত বিক্ৰী কৰিছিল। এইধৰণৰ ব্যৱসায়ৰ পৰা তেওঁলোকে বহু পৰিমাণৰ লাভ কৰিছিল আৰু ফলত অতি কম দিনৰ ভিতৰতে তেওঁলোক বহু ধন-সম্পদৰ গৰাকী হৈ উঠিছিল। নীল ভাৰ্মাই তেওঁৰ সম্পত্তিৰ পৰা কিছু ধন স্থানীয় লোকসকলৰ বাবে খৰচ কৰি নানা ধৰণৰ কাম কৰিছিল যদিও লুব্ধ ভাৰ্মাই লাভৰ সম্পূৰ্ণ ধন কেৱল নিজেই ভোগ কৰিছিল। কিন্তু তেওঁ এই আনন্দ ভাল কাম কৰি আনন্দৰ লগতে সম্মান অৰ্জন কৰা নীল ভাৰ্মাৰ তুলনাত একোৱেই নাছিল।

এদিনাখন লুব্ধ ভাৰ্মাই নীল ভাৰ্মাক লগ ধৰিবলৈ আহিল। তেওঁ বন্ধুক সুধিলে, "তুমি ইমান কষ্ট কৰি উপাৰ্জন কৰা ধন এইদৰে অবাবতে খৰচ কৰিছা। আমি জীৱনৰ এই সময়খিনিতেই ভালকৈ আৰ্জিব পাৰিম। বৃদ্ধ হৈ অহাৰ লগে লগে আমি এইদৰে উপাৰ্জন কৰিব নোৱাৰা হম। আমি আমাৰ ভৱিষ্যত জীৱনৰ কথাও চিন্তা কৰা উচিত। বৃদ্ধ বয়সত আমাৰ ওচৰত যদি কোনো ধন-সম্পদ নাথাকে, তেতিয়াহলে আমাক কোনেও গুৰুত্বই নিদিব॥" তেওঁ বুজাবলৈ চেষ্টা কৰিলে যাতে নীল ভাৰ্মাই তেওঁৰ সমাজ সেৱাৰ কাম বন্ধ কৰে।

নীল ভাৰ্মাই তেওঁৰ বন্ধুৱে কি কব বিচাৰিছে তাক বুজি পালে। তেওঁ কলে,

বি ভীমেশ্বৰ ৰাও

"বন্ধু, আমাৰ লাভৰ মূল উৎস হ'ল সেই গাৱৰ স্থানীয় মানুহবিলাক। মই মোৰ ভৱিষ্যতক উপেক্ষা কৰা নাই। মোৰ ভৱিষ্যত সুৰক্ষিত কৰিবৰ বাবে বহু ধন টকা-পইছাৰ কোনো দৰকাৰ নাই। সেই হিচাপ কৰি মই প্ৰয়োজনীয়খিনি সাঁচি থৈহে বাকী থকাখিনি সেই লোকসকলৰ ভালৰ বাবে খৰচ কৰিছো। এই কাম কৰি মই যি আনন্দ লাভ কৰিছো, সেয়া মোৰ বাবে বহুত।"

লুব্ধ ভামাই বন্ধুৰ এনে কথা ভাল নাপালে যদিও তেওঁৰ লগত আৰু তৰ্ক নকৰিলে। তেওঁ ঘৰলৈ ঘূৰি গৈ নীল ভাৰ্মাই কোৱা কথাবিলাক চিন্তা কৰিবলৈ ধৰিলে। তেওঁ উপলব্ধি কৰিলে যে তেওঁৰ বন্ধুৱে কোৱা কথাবিলাকৰ কিছু কথা যুক্তিপূৰ্ণ আৰু সঁচা। কিন্তু তেওঁ সম্পূৰ্ণকৈ একমত হব নোৱাৰিলে। তেওঁ নিজৰ আৰু বন্ধুৰ কথাৰ মধ্যম পথ গ্ৰহণ কৰিলে। তেওঁৰ এই সিদ্ধান্তৰ কথা কাকো নকলে, আনকি তেওঁৰ পৰিয়ালৰ সদস্যসকলকো।

এদিন দুদিনকৈ সময় পাৰ হৈ যাবলৈ ধৰিলে। দুয়ো বন্ধুৰ ব্যৱসায় বৰ সুন্দৰভাৱেৰে চলি আছিল। যেতিয়াই স্থানীয় গাৱৰ লোক সকলে নীল ভাৰ্মাই কৰা সামাজিক কামসমূহৰ কথা কৈ তেওঁক প্ৰশংসা কৰিছিল, তেতিয়া লুব্ধ ভামাই বৰ অস্বস্তিবোধ কৰিছিল।

তাৰপিছত আৰু কিছুদিন পাৰ হৈ গ'ল। অকস্মাতে, এদিনাখন, লুব্ধ ভাৰ্মা বেমাৰত পৰিল। তেওঁৰ পেৰেলাইছিছ হৈ এখন ভৰি সম্পূৰ্ণৰূপে অকামিলা হৈ পৰিল আৰু হাতকেইখনে কাম কৰিব নোৱাৰা হৈ পৰিল। আনকি তেওঁৰ মুখৰ পেশীবিলাকো লৰচৰ কৰিব নোৱাৰা হৈ পৰিল। এই ঘটনাৰ পিছত লুব্ধ ভাৰ্মাৰ আঁচনিয়ে বিপৰীত দিশ ললে। লুব্ধ ভাৰ্মাৰ পুত্ৰই চিকিৎসকৰ লগত যোগাযোগ কৰিলে। কিন্তু কোনো লাভ নহল। চিকিৎসকে ৰোগ নিৰাময় কৰাৰ কোনো উপায় দিব নোৱাৰিলে।

লুব্ধ ভামাই নিজৰ অৱস্থাৰ কথা বুজিব পাৰি হতাশ হৈ পৰিল। তেওঁ কিবা কব বিচাৰিলে, কিন্তু সফল নহ'ল। তেওঁৰ মুখেৰে মাতেই নোলাল। সন্মান অৰ্জন কৰিবৰ বাবে তেওঁ যি বৃহৎ পৰিমাণৰ টকা স্থানীয় গাৱবিলাকত জমা থৈছিল, তাৰে কথা চিন্তা কৰি তেওঁ উত্তেজিত হৈ পৰিল।

নীল ভাৰ্মা তেতিয়া ব্যৱসায়ৰ কামত

বিদেশত আছিল। তাতে তেওঁ লুব্ধ ভাৰ্মাৰ অসুখৰ খবৰ পালে। তেওঁ বৰ বেজাৰ পালে। বিদেশৰ কিছুমান বিখ্যাত চিকিৎসক লগত লৈ তেওঁ ঘৰলৈ উভতি আহিল। আহি পাই চিকিৎসক সকলে লুব্ধ ভাৰ্মাক পৰীক্ষা কৰি চালে আৰু এই নিশ্চয়তা দিলে যে তেওঁ হয়তো সম্পূৰ্ণকৈ নহলেও কিছু পৰিমাণে সুস্থ হৈ উঠাৰ সম্ভাৱনা আছে।

লুব্ধ ভাৰ্মাই তেওঁ বন্ধুক দেখা পাই বৰ অনুতপ্ত হ'ল। তেওঁ বন্ধুতকৈ বেছিকৈ সম্মান কিনিবলৈ নানা দেশত যি বৃহৎ পৰিমাণৰ ধন লুকুৱাই থৈছিল, সেই সকলোবিলাক এতিয়া অথলে যাব। কিন্তু তেওঁ এতিয়া নিজেও একো কৰিব পৰা অৱস্থাত নাই।

বন্ধুৰ এই সহায়হীন অৱস্থা দেখি নীল ভাৰ্মাইও বৰ দুখ পালে। তেওঁ চকুৰ কোণেদি লোতক বাগৰি আহিল।

চিকিৎসকসকলে লুব্ধ ভাৰ্মাৰ চিকিৎসা আৰম্ভ কৰিলে। অতি কম সময়ৰ ভিতৰতে তেওঁ ভালেখিনি সুস্থ হৈ উঠিল। তেওঁ হাত দুখন আৰু ভৰি দুটা লৰাব পৰা হ'ল আৰু আনকি অলপ অলপ কথাও কব পৰা হ'ল। তেওঁ লগে লগে নীল ভাৰ্মাক মতাই আনিলে। তেওঁ বিদেশত ক'ত ক'ত কিমান ধন লুকুৱাই থৈছিল সেই সকলো কথা বিৱৰি কলে। তেওঁ সেই ধন খৰচ কৰি নানা ঠাইত চিকিৎসালয় আৰু চৰাইখানা স্থাপন কৰিবলৈ বন্ধুক অনুৰোধ কৰিলে।

নীল ভাৰ্মাই বন্ধুৰ এই পৰিৱৰ্তন দেখি বৰ সুখী হ'ল। তেওঁ প্ৰতিজ্ঞা কৰিলে যে তেওঁ বন্ধুৱে কোৱা কথা আখৰে আখৰে পালন কৰিব। তেওঁ লগে লগে বন্ধুৰ নামত নানা দেশত চিকিৎসালয় আৰু চৰাইখানা নিৰ্মাণ কৰা আৰম্ভ কৰিলে। নীল ভাৰ্মাৰ লগে লগে মানুহৰ মাজত লুব্ধ ভাৰ্মাৰ খ্যাতিও বিয়পি পৰিল। তেওঁ বৰ সুখী হ'ল। তেওঁৰ পুত্ৰৰ সহায়ত আনকি তেওঁ নিজৰ ব্যৱসায় দেশৰ ভিতৰতো আৰম্ভ কৰি দিলে আৰু নানা ধৰণৰ সামাজিক কাম কৰিবলৈ ধৰিলে। সকলোৰে মাজত প্ৰিয় হৈ পৰিল আৰু এইদৰে নানা সামাজিক কাম কৰি তেওঁ জীৱনক এক অৰ্থ প্ৰদান কৰিলে।



বেটুপাতৰ কাহিনী



দীপাৱলী- পোহৰৰ উৎসৱ

এইমাহৰ বেটুপাতত তুমি আমাৰ দেশৰ এটা অন্যতম জনপ্রিয় উৎসৱক চিত্রৰে বর্ণনা কৰা দেখিবলৈ পাবা। আমাৰ দেশৰ বিশেষত্ব হ'ল কিছুমান উৎসৱ দেশৰ সকলো অংশতে উদযাপন কৰা হয়। দক্ষিণ ভাৰতত দীপাৱলীক শ্রীকৃষ্ণ আৰু সত্যভামাৰ (ভূমাদেৱীৰ অৱতাৰ) হাতত নৰকাসুৰৰ নিধন উপলক্ষে আৰু উত্তৰ ভাৰতত শ্রীৰাম আৰু সীতাদেৱী বনবাসৰ পৰা উভতি অহাৰ উপলক্ষে পালন কৰা হয়।

প্রকৃতার্থত এই ধৰণৰ পার্থক্যই আমাৰ দেশত সহাৱস্থান কৰা নানান সংস্কৃতিৰ মূল্যৰ কথাই প্রমাণ কৰে। আমি ভাৰতত গোটেই বছৰ জুৰি একেবিলাক উৎসৱেই পালন কৰো, কিন্তু সেইবিলাক পালন কৰাৰ আমাৰ প্রত্যেক সংস্কৃতিৰে নিজস্ব ধৰণ আছে। এই বিশেষত্বই আমাৰ দেশৰ সংস্কৃতিত এক বিশেষ বৰঙণি দিয়ে।

১৯৫১ চনৰ নৱেম্বৰ মাহত চান্দমামাৰ সম্পাদনা সমিতিয়ে এই সিদ্ধান্ত কৰে যে কেৱল হিন্দী সংখ্যাৰ বাবে দীপাৱলী উপলক্ষে এটা বিশেষ বেটুপাত অংকন কৰা হওক। তাৰপিছত সেই বেটুপাত অংকন কৰিবৰ বাবে চান্দমামাৰ কার্যালয়ৰ চিত্রকৰ শ্রী এম টি ভি আচার্যক অনুৰোধ কৰা হয়।

যি কি নহওক, তেলেগুকে ধৰি আন সকলো ভাষাৰে চান্দমামাত বেলেগ বেটুপাত দিয়া হৈছিল। সেয়া আছিল, ভগৱানৰ উপস্থিতিত নাৰদ মুণিয়ে শাস্ত্রৰ এটা পাঠ অধ্যয়ন কৰি আছে। তেতিয়া আলোচনীৰ শিৰোনামাও প্রতিটো সংখ্যাৰ বাবে হাতেৰে অংকন কৰা হৈছিল। এতিয়া আমি মাত্র সেই বেটুপাতক সকলো ভাষাতে ছপা কৰিবৰ বাবে তাৰ ৰঙৰ কিছু সম্পাদনা কৰিছো। গতিকে সেই হিন্দী শিৰোনামা আন আন ভাষাৰ বেটুপাতত দেখা পোৱা নাযায়। আচার্যজীয়ে এই চিত্রত দীপাৱলী উদযাপনৰ সময়ত মাতৃ আৰু শিশুৱে কৰা আনন্দ আৰু ৰঙ-ৰহইচ অতি সৰল চিত্রৰ যোগেদি প্রাণৱন্ত কৰি তুলিছে। ই সৰল কিন্তু মূল্যৱান।

এই বেটুপাতক ২০১১ চনৰ অক্টোবৰ মাহৰ দীপাৱলী সংখ্যাৰ বাবে সকলো ১২ টা ভাষাতে বেটুপাত হিচাপে ব্যৱহাৰ কৰা হৈছে। আমি আশাকৰো পাঠকসকলে এই চিত্রৰ আমেজ লব।

মই কি হ'ব পাৰো ?

অলপতে মই উৰাজাহাজেৰে ভ্ৰমণ কৰিছিলো আৰু সেই সময়ত মোৰ মনত কেইবাটাও প্ৰশ্নৰ উদয় হৈছিল। যেনে, পাইলটে কেনেকৈ উৰাজাহাজ চলাবলৈ শিকিলে ? দেউতাৰ গাড়ী চলাবলৈ থকাৰ দৰে তেওঁৰো এখন লাইচেঞ্চ আছেনে ? ইত্যাদি নানা ধৰণৰ প্ৰশ্ন। মই ঘূৰি আহি এজন কেৰিয়াৰ পৰামৰ্শদাতাৰ সৈতে কথা পাতি সকলো পৰিষ্কাৰকৈ জানি পেলালো।

তেখেতে মোক কলে যে পাইলট এক বৰ সুন্দৰ কেৰিয়াৰ। তাৰপিছত তেখেতে মোক কলে যে পাইলট হবৰ বাবে নানা ধৰণৰ কৌশল জনাৰ আৱশ্যক। পাইলটসকল হ'ল বিশেষভাৱে প্ৰশিক্ষিত আৰু তেওঁলোকক নানা ধৰণৰ উৰাজাহাজ আৰু হেলিকপ্টাৰ চালনা শিকোৱা হয়। এজন পেশাদাৰী পাইলটৰ এখন উৰাজাহাজ চালনা কৰা জ্ঞান থকাৰ লগতে বিশেষ মূহুৰ্তত উচিত সিদ্ধান্ত লোৱাৰ সক্ষমতাও থকা দৰকাৰ। যিহেতু উৰাজাহাজত থকা সকলো যাত্ৰীৰ নিৰাপত্তা আৰু সুৰক্ষা পাইলটৰ ওপৰতে নিৰ্ভৰ কৰে, গতিকে এজন পাইলটে কম সময়ৰ ভিতৰতে উচিত সিদ্ধান্ত লবলগীয়া হয়। বেছিসংখ্যক পাইলটেই বাণিজ্যিক যাত্ৰীবাহী উৰাজাহাজ সংস্থাৰ সৈতে কাম কৰে যদিও কিছুসংখ্যকে মালবস্তু অনা-নিয়া কৰা কোম্পানী, আন আন বেচৰকাৰী প্ৰতিষ্ঠানৰ সৈতেও কাম কৰে।

এজন পাইলট শাৰিৰীক আৰু মানসিকভাৱে সৱল হব লাগে। তেওঁ সুন্দৰ দৃষ্টিশক্তি আৰু ৰঙ চিনিব পৰা ক্ষমতাৰো অধিকাৰী হোৱাৰ লগতে উপস্থিত বুদ্ধি, দ্ৰুতগতিত সিদ্ধান্ত লব পৰা ক্ষমতা থকা উচিত। এইবিলাকৰ ওপৰিও সকলোতকৈ প্ৰয়োজনীয় হ'ল উৰাজাহাজ চালনা সম্পৰ্কে কাৰিকৰী জ্ঞান।

উৰাজাহাজৰ পাইলট হিচাপে প্ৰশিক্ষণ লাভ কৰিবৰ বাবে নুন্যতম ১৭ বছৰ বয়স হোৱাৰ লগতে উচ্চতম মাধ্যমিক শ্ৰেণীত পদাৰ্থবিদ্যা আৰু গণিতশাস্ত্ৰ লৈ উত্তীৰ্ণ হোৱা হব লাগিব। তেওঁলোকে ডাইৰেক্টৰেট জেনেৰেল অব চিভিল এভিয়েচনে নিদ্ধাৰিত কৰি দিয়া চৰ্ত আৰু শাৰিৰীক সক্ষমতাৰ মানসমূহো পাৰ কৰিব লাগিব। ব্যৱসায়িক পাইলট লাইচেঞ্চ লাভ কৰিবৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ লাভ কৰিবলৈ মুঠ খৰচ হয় প্ৰায় ২৫ লাখ টকা। ইয়াত থাকে ২০০ ঘন্টাৰ উৰণ অভিজ্ঞতা আৰু DGCAয়ে অনুষ্ঠিত কৰা লিখিত পৰীক্ষা। ভাৰতত পাইলট প্ৰশিক্ষণৰ বাবে মুঠ সময় লাভ ১৫-১৮ মাহ।

- ছাই

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৩৩

(১৬ বছৰতকৈ কম বয়সৰ ল'ৰা - ছোৱালীৰ বাবে)

***Co-sponsored by* Infosys**
FOUNDATION, Bangalore

সঠিক উত্তৰ দিওঁতা জনক ₹২৫০/- টকাৰ পুৰস্কাৰ দিয়া হ'ব।*

***যদি সম্পূৰ্ণ সঠিক উত্তৰ দিওঁতা এজনতকৈ বেচি হয়, প্ৰত্যেকজন সফল প্ৰতিযোগীক ₹৫০/- টকাকৈ পুৰস্কাৰ দিয়া হ'ব।**

তুমি কি কৰিব লাগিব:

১) এখন কাগজত উত্তৰবোৰ লিখা।
২) তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা।
৩) লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৩৩ লিখা।
৪) তোমাৰ উত্তৰ ৩০ নভেম্বৰ ভিতৰত পাব লাগিব।
৫) সঠিক উত্তৰ ২০১২ চনৰ জানুৱাৰী মাহৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

মহাত্মা গান্ধীজী



১. মহাত্মা গান্ধীৰ সম্পূৰ্ণ নামটো কি?
২. কোন ঠাইত মহাত্মা গান্ধীৰ জন্ম হৈছিল?
৩. কোনখন নাটকে গান্ধীজীৰ মনত গভীৰ প্ৰভাৱ পেলাইছিল?
৪. গান্ধীজীয়ে লণ্ডনত কি অধ্যয়ন কৰিছিল?
৫. কোন চনত গান্ধীজীয়ে ভাৰত ত্যাগ আন্দোলন আৰম্ভ কৰিছিল?
৬. গান্ধীজীয়ে দাণ্ডি যাত্ৰা কেতিয়া আৰম্ভ কৰিছিল?
৭. গান্ধীজীৰ লগত কোনটো শ্ল'গানৰ সম্বন্ধ আছে?
৮. গান্ধীজীক কেতিয়া হত্যা কৰা হৈছিল?

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ-৩০, জুলাই ২০১১ চনৰ উত্তৰ:

১. আব্ৰাহাম, ২. ডেভিদৰ তৰা, ৩. মুঠ ৬১৩ কমেণ্ডমেন্ট আছে, ৪. হিব্ৰু, ৫. দি বুক অৱ জেনেছিছ, ৬. ৰুছেৰ, ৭. ছাবাথ, ৮. ইজৰাইলত ৪০০০ বছৰৰ আগতে, ৯. জিউছসকলৰ নৱবৰ্ষ.

২০১১ চনৰ জুলাই মাহৰ সাধাৰণ জ্ঞান (GK) কুইজ প্ৰতিযোগীতাৰ কোনো বিজেতা নাই

কৌতুক

ভদ্ৰলোক: মোৰ কাষৰ ঘৰৰ ভদ্ৰলোকজনে ৰাতি ৰাতি দেৱালত খুন্দিয়াই থাকে।

ভদ্ৰমহিলা: আপোনাৰ নিশ্চয় বৰ অসুবিধা হয়।

ভদ্ৰলোক: নহয়, আঁচলতে এইটোৱে ৰাতি মোৰ ট্ৰাম্পেট অভ্যাস কৰাতহে অসুবিধাৰ সৃষ্টিকৰে।

ভদ্ৰলোক: ডাক্তৰ, এই বাকেটটোত এটা বৰ ডাঙৰ ফুটা হৈছে। অনুগ্ৰহ কৰি মেৰামতি কৰি দিবনে?

ডাক্তৰ: আপুনি জানেনে মই কোন?

ভদ্ৰলোক: হয়, মই জানো। আপুনি এজন প্লাষ্টিক ছাৰ্জন।



কাঠগৰাত উঠি থকা চোৰক দেখি বিচাৰকে খঙত চিঞৰি উঠিল।

"মই তোমাক যোৱা পোন্ধৰ বছৰে বহুবাৰ ইয়াত দেখিছো। বাৰে বাৰে ইয়ালৈ আহিবলৈ তোমাৰ লাজো নালাগেনে?"

"আপুনিহে লাজ পাব লাগে। মই কিয় লাজ পাম। আপুনিটো যোৱা পোন্ধৰ বছৰে সদায় ইয়ালৈ আহি আছে।" চোৰটোৱে কলে।

"কি? এই কুকুৰটোৰ দাম দহহেজাৰ টকা? সেয়া অতি বেছি হৈছে।"

"তেনেকৈ নকব। ইয়াৰ বিশ্বাসৰ তুলনাত সেয়া একেবাৰে কম।"

"ই সঁচাকৈয়ে ইমান বিশ্বাসীনে?"

"হয়, মই ইয়াক ইতিমধ্যেই পাঁচবাৰ বিক্ৰী কৰিছো। আৰু বিক্ৰী কৰাৰ পিছত ই প্ৰতিবাৰেই মোৰ ওচৰলৈ ঘূৰি আহিছে। গতিকে ই বিশ্বাসী নহয় জানো?"

নুডলছৰ বিষয়ে !

নুডলছৰ উৎপত্তি ক'ত হৈছিল ? চীন, ইটালি নে আৰবত । এতিয়াও ই পৰিষ্কাৰ নহয় । কিন্তু ইয়াত আমি তোমালোকৰ বাবে কিছুমান আমোদজনক তথ্য যুগুতাইছো ।

পৃথিৱীৰ নানা দেশৰ লোকে নানা ধৰণৰে নানা প্ৰকাৰৰ নুডলছ ভক্ষণ কৰে । য়েল্ল নদীৰ ওচৰত প্ৰত্নতত্ত্ববিদসকলে ৪০০০ বছৰ পুৰণি এটা পাত্ৰ বিচাৰি পাইছে য'ত হালধীয়া বৰণৰ নুডলছ আছিল । ইয়েই নুডলছক সকলোতকৈ পুৰণি অক্ষত অৱস্থাত পোৱা সিজাই খোৱা আহাৰ হিচাপে পৰিগণিত কৰে ।

তুমি জাপানলৈ গ'লে এটা কথা মনত ৰাখিবা । নুডলছ খাওতে 'হুৰুপ'কৈ শব্দ হ'ব লাগিব । ই এটা পৰম্পৰাগত নিয়ম আৰু তোমাৰ এই কাৰ্যক গৃহস্থই এক বিশেষ আদৰ হিচাপে গ্ৰহণ কৰিব ।

চীনাসকলে জন্মদিনৰ অনুষ্ঠানত কেকৰ পৰিৱৰ্তে নুডলছ ব্যৱহাৰ কৰে । কিয় জানানে ? নুডলছ হ'ল দীৰ্ঘ জীৱনৰ প্ৰতীক । সেইদিনা প্ৰস্তুত কৰা দীৰ্ঘ জীৱন নুডলছ কেতিয়াও কটা নহয় । আৰু নুডলছ জন্মদিনৰ উপহাৰ হিচাপেও দিয়া হয় ।

তুমি বাৰু কেতিয়াবা 'ড্ৰেগন দাড়ি নুডলছ'ৰ বিষয়ে শুনিছানে ? এইবিধ ড্ৰেগনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি বিশেষকৈ ফেব্ৰুৱাৰী মাহত খোৱা হয় । ড্ৰেগন হ'ল সেই মাহটোৰ চন্দ্ৰীয় চিন । ই দেখিবলৈও দাড়িৰ দৰেই ক্ষীণ ।



'হাতেৰে-টনা নুডলছ' হ'ল চীনত নুডলছ তৈয়াৰ কৰাৰ এটা পৰম্পৰাগত প্ৰক্ৰিয়া । ইয়াত তিনিটা স্তৰ আছে- পকোৱা, বেকা কৰা আৰু টনা । কোৱা হয় যে পাকৈত কাৰিকৰে এই নুডলছ তৈয়াৰ কৰা চোৱাটো যিকোনো পাকৈত জাগলাৰৰ প্ৰদৰ্শন চোৱাৰ সমপৰ্যায়ৰ ।

'উদন নুডলছ' হ'ল একপ্ৰকাৰৰ মোটা জাপানী নুডলছ আৰু ইয়াক গৰমে গৰমে আৰু ঠাণ্ডাকৈয়ো পৰিৱেশন কৰা হয়। ইয়াক ৯০০ শতিকাত বৌদ্ধধৰ্মৰ ভিক্ষু সকলে চীনৰ পৰা জাপানলৈ লৈ গৈছিল। কেইবাশ বছৰৰ আগতে আছাকুছাত থকা এটা বৌদ্ধধৰ্মৰ মন্দিৰে দৰ্শনাৰ্থীক এই নুডলছ বিক্ৰি কৰি বেছ ধনী আৰু বিখ্যাত হৈ উঠিছিল।

কিছুমান জাপানী ৰেষ্টুৰেন্টত 'নাগাছি চমেন' পোৱা যায়। এই নুডলছবিলাক এটা দীঘল বাঁহৰ পাত্ৰত বৰফৰ মাজত উপঙি থাকে। খাওতাই নুডলছবিলাক পৰি যোৱাৰ আগতে চপষ্টিকেৰে ততাতৈয়াকৈ ধৰি খাবলগীয়া হয়। সেইবিলাক ধৰিবলৈ বেছ কিছু কৌশলৰ আৱশ্যাক হয়। নুডলছ বাঁহৰ টুকুৰাৰে বৈ অহাৰ লগে লগে ৰান্ধনিয়ে 'ইকুযু' বুলি চিঞৰ মাৰি জাননী দিয়ে।

তুমি জানানে পৰম্পৰাগতভাৱে 'জুক-চিং নুডলছ' কেনেকৈ প্ৰস্তুত কৰা হয়? নুডলছ তৈয়াৰ কৰিবলগীয়া মিশ্ৰণখিনি থৈ তাৰ ওপৰত এডাল বাঁহ থৈ ৰান্ধনিয়ে দুইমুৰে উঠি হেচি থাকে। এই প্ৰক্ৰিয়াৰ বাবে নুডলছখিনিৰ স্থিতিস্থাপকতা বৃদ্ধি পায়।



তাৎক্ষণিক ভাৱে প্ৰস্তুত কৰি খাব পৰা নুডলছ ২০০৫ চনত প্ৰথমবাৰৰ বাবে মহাকাশলৈ যায়। বিখ্যাত 'ৰামেন নুডলছ'ৰ প্ৰস্তুতকৰ্তা নিছান ফুডছে এটা বলৰ আকৃতিৰ নুডলছ 'মহাকাশ ৰাম' প্ৰস্তুত কৰা আৰম্ভ কৰে। ইয়াৰ সুবিধা এয়ে যে এজন মহাকাশচাৰীয়ে এটা এটা টিউবৰ পৰা চুপি খোৱাতকৈ কাটা চামুচেৰে কাটি খাব পাৰে।



ফকৰা যোজনা আদিত নুডলছ!

'তোমাৰ নুডলছ ব্যৱহাৰ কৰা'ৰ অৰ্থ 'তোমাৰ মগজু ব্যৱহাৰ কৰা'

যেতিয়া ৰাচিয়ানে কয়, 'মই তোমাৰ কাণত নুডলছ ওলমোৱা নাই', তাৰ অৰ্থ হ'ল 'মই তোমাক জোকোৱা নাই'।

তুমি বাৰু কেইটা ভাৰতীয় ভাষা জানা ? এতিয়া চান্দমামাৰ সহায়ত ভাষা শিকা আৰু প্ৰত্যয়েৰে ভাৰতৰ অন্বেষন কৰা !

English	Where are you going?	I am going to office.
Assamese	তুমি ক'লৈ যোৱা ?	মই অফিচলৈ যাও ।
Telugu	మీరు ఎక్కడికి వెళుతున్నారు? মিক একাডিকি ভেলুথুন্নাৰু ?	నేను ఆఫీసుకు వెళుతున్నాను. নিনু অফিচুকু ভেলুথুন্নাক ।
Tamil	நீ எங்கே செல்கிறாய்? নি ইংগে ছেলগিৰাই ?	நான் அலுவலகம் செல்கிறேன். নান আলুভালুগম ছেলগিবানি ।
Bengali	আপনি কোথায় যাচ্ছেন? আপনি কোথাই জাচ্ছেন ?	আমি অফিস যাচ্ছি। আমি অফিচ জাচ্ছি ।
Marathi	तुम्ही कुठे जात आहात? তুমহি কুথে জাত আহাত ?	मी ऑफीसला जात आहे. মি অফিচলা জাত আহে ।
Kannada	ನೀವೆಲ್ಲಿಗೆ ಹೋಗುತ್ತಿದ್ದೀರಿ? নিভেলিগে হ'গুট্টিভেৰি ?	ನಾನು ಆಫೀಸಿಗೆ ಹೋಗುತ್ತಿದ್ದೇನೆ. নানু অফিচ-গে হ'গুট্টিডিনি ।
Oriya	ତୁମେ କୁଆଡେ ଯାଉଛ? তুমি কোৱাডে যাওছ ?	ମୁଁ ଅଫିସ୍କୁ ଯାଉଛି। মু অফিচকু যাওছি ।
Gujarati	તમે ક્યાં જઈ રહ્યા છો? তামে ক্যান জাই ৰহ্যা চ' ?	હું ઓફિસ જઈ રહ્યો છું. হুন অফিচ যাই ৰহ্য চু ।
Hindi	तुम कहाँ जा रहे हो? তুম কাহা জা ৰহে হ' ?	मैं दफ़्तर जा रहा हूँ। মে দফ্টৰ জা ৰাহা হু ।
Malayalam	നിങ്ങൾ എവിടെ പോകുന്നു? নিনগেল ইডিডে পকুন্নু ?	ഞാൻ ഓഫീസിൽ പോകുന്നു. ঞন অফিচিল পকুন্নু ।
Santali	ᱚᱠᱟ ᱴᱮᱵᱤᱱ ᱥᱮᱱᱚᱜ ᱠᱟᱱᱟ? অকা টেবিন ছেনগ কানা ?	ᱚᱯᱷᱤᱥ ᱤᱛᱮ ᱥᱮᱱᱚᱜ ᱠᱟᱱᱟ। অপিছ ইৰক ছেনগ কানা ।
Sanskrit	भवान् कुत्र गच्छति? ভৱান কুত্র গচ্ছতি ?	अहं कार्यालयं गच्छामि। অহং কাৰ্যালয়ং গচ্ছামি ।

English	I've heard about you.	Happy to meet you.
Assamese	মই তোমাৰ বিষয়ে শুনিছো ।	তোমাক লগ পাই সুখী ।
Telugu	నేను మీగురించి విన్నాను. নিনু মিগুৰি ভিন্নানু ।	మిమ్మల్ని కలుసుకుంటున్నందుకు సంతోషం. মিমালনি কালুচুকুনটুন্নানডুকু ছান্থোম ।
Tamil	நான் உன்னைப்பற்றி கேள்விப்பட்டிருக்கிறேன். নান আন্নাইপিপত্রি কেলভিপাট্টিরুক্কিরানে ।	உன்னை சந்திப்பதில் மகிழ்ச்சி উন্নাই ছান্তিপাথিল মাজিলছি ।
Bengali	আমি আপনার কথা শুনেছি। আমি আপনাৰ কথা শুনেছি ।	আপনার সাথে সাক্ষাত করে খুশী হলাম। আপনাৰ সাথে সাক্ষাত কৰে খুশী হলাম ।
Marathi	मी तुमच्याविषयी ऐकलंय. মি তুমচাবিষয়ী একালয় ।	तुम्हाला भेटून आनंद झाला. তুমহালা ভেটুন আনন্দ ঝালা ।
Kannada	ನಾನು ನಿಮ್ಮ ಬಗ್ಗೆ ಕೇಳಿದ್ದೆ. নানু নিম্মা বাগে কেলিডে ।	ನಿಮ್ಮ ಭೇಟಿಯಾಗಿದ್ದು ಸಂತೋಷ. নিম্মা ভেটিয়াগিড্ডু চামটশা ।
Oriya	ମୁଁ ତୁମ ବିଷୟରେ ଶୁଣିଥିଲି। মুন তুমা বিষয়েৰে শুনিথিল্লি ।	ତୁମକୁ ଭେଟି ଖୁସି ହେଲି। তুমাকো ভিঠে খুশি হেলি ।
Gujarati	મેં તમારા વિશે સાંભળ્યું છે. মে তুমাৰা ভিচে সাম্ভাল্যুম ছে ।	તમને મળીને આનંદ થયો. তামানে মালিনে আনন্দ থায়' ।
Hindi	मैंने तुम्हारे बारे में सुना है। মেইনে তুমহাৰে বাৰে মে শুনা হে ।	तुमसे मिलकर खुशी हुई। তুমচে মিলকৰ্ খুচী হুই ।
Malayalam	ഞാൻ നിങ്ങളെക്കുറിച്ച് കേട്ടിട്ടുണ്ട്. জন নিংগালেক্কুৰিচ্ছ কেট্টিলড্ডু ।	നിങ്ങളെ കണ്ടതിൽ സന്തോഷം. নিনগালে কান্দাথিল সন্তোসম ।
Santali	ᱟᱢ ᱤᱰᱤ ᱠᱟᱛᱤᱝ ᱟᱸᱡᱚᱢ ᱟᱠᱟᱫ-ᱟ। আম ইডি কাটিংক অনজম আকাড-আ ।	ᱟᱢ ᱪᱟᱣᱱ ᱱᱟᱯᱟᱢ ᱠᱟᱛᱮᱧ ᱠᱩᱥᱤᱜ-ᱟ। আম চাউন নাপাম কাতেইঞ কুচিগ-আ ।
Sanskrit	मया भवद्विषये श्रुतम् अस्ति। ময় ভৱথিছয়ে শ্রুতম অস্তি ।	मिलित्वा सन्तोष: जात:। মিলিত্ব সন্তোষহ জাতহ ।

এটা পোহৰৰ উৎসৱতকৈ বেছি

মানুহে এইটো বিশ্বাস কৰে যে দেৱালী ৰামে লংকা জয় কৰি অযোধ্যালৈ উভতি অহাৰ উপলক্ষ্যত উদযাপন কৰা হৈছিল। সেই অৰ্থত ই হ'ল ৰামৰাজ্যৰ আৰম্ভণি। এই দিনটোতে এটা বুৰঞ্জীখ্যাত বিজয় প্ৰাপ্ত হৈছিল। সেয়া হ'ল ৫৩০ খ্ৰীষ্টাব্দত গুপ্ত বংশৰ ৰজা বিক্ৰমাদিত্যই ভাৰত আক্ৰমণ কৰা হুন সকলক পৰাজিত কৰি ৰাজধানী উজ্জয়নীলৈ উভতি আহিছিল। জৈনধৰ্মত বিশ্বাস কৰা সকলে দেৱালীৰ দিনটোতে ভগৱান মহাবীৰে পৰম জ্ঞান লাভ কৰিছিল বুলি বিশ্বাস কৰে। আকৌ, এইদিনটোতে মোগল সম্ৰাট জাহাংগীৰে মুকলি কৰি দিয়াৰ পিছত ষষ্ঠশিখ গুৰু হৰ গোবিন্দই অমৃতসৰ পাইছিলগৈ। এই উপলক্ষে সেই দিনটোত অমৃতসৰৰ স্বৰ্ণ মন্দিৰ পোহৰেৰে আলোকিত কৰি তোলা হয়। গতিকে কব পাৰি দেৱালী এটা সাধাৰণ পোহৰৰ উৎসৱতকৈ অনেক অৰ্থবহ।

বলদ আৰু সংগীত

গোৱালিয়ৰ দুৰ্গৰ ভিতৰত ত'মাৰ শাসক মান সিঙে (১৪৮৬-১৫১৬) নিৰ্মাণ কৰা প্ৰসাদ মান মন্দিৰ অৱস্থিত। তেওঁ এই প্ৰসাদৰ নক্সা এনেধৰণে তৈয়াৰ কৰিছিল যে তেওঁ সংগীত আনকি কৰিড'ৰৰ পৰাও শুনিব পাৰে। সংগীতেই তেওঁ আৰু জনজাতীয় যুৱতী মৃগনয়নীক ওচৰ চপাই আনিছিল। এবাৰ চিকাৰৰ পৰা উভতি অহাৰ সময়ত তেওঁ প্ৰথমবাৰৰ বাবে মৃগনয়নীক লগ পাইছিল। তেওঁ উঠি অহা হাতীটোৰ বাট যুঁজ কৰি থকা দুটা বলদে বন্ধ কৰি থৈছিল। তাত গাৱঁৰ মানুহ গোট খাই আছিল যদিও কিন্তু একো কৰিব নোৱাৰিলে। হঠাৎ তাৰে মাজৰে এজন আগুৱাই আহিল আৰু বলদ দুটাৰ যুঁজ একৰাই দুফালে খেদি দিলে। তায়েই আছিল মৃগনয়নী। মান সিঙে তাইক ৰাজপ্ৰসাদলৈ আমন্ত্ৰণ জনালে। তেওঁ তাইৰ সংগীত শুনি অতি মুদ্ধ হ'ল। মান সিঙে মৃগনয়নীক বিবাহ কৰিব বিচাৰিছিল যদিও সফল নহ'ল, কিয়নো তাই আছিল গুজাৰ নামৰ এটা জনজাতিৰ যুৱতী। যি কি নহওক, তেওঁ মৃগনয়নীৰ বাবে এটা পৃথক মহল নিৰ্মাণ কৰোৱাইছিল আৰু তাৰ নাম আছিল গুজাৰি মহল। বৰ্তমান সেইটো এটা প্ৰত্নতাত্বিক সংগ্ৰাহালয়।

ৰসিক মানুহ

বীৰবল

এজন আগ্ৰহহীন সম্ৰাট



১. বেগমে সম্ৰাটৰ পৰা এটা সন্তান আশা কৰি আছিল। কিন্তু আকবৰে তেওঁৰ প্ৰতি বৰ বেছি গুৰুত্ব নিদিয়াত বৰ চিন্তিত হৈ পৰিছিল। তেওঁ অৱশেষত বীৰবলক মতাই আনিলে।

২. "বীৰবল, আজিকালি সম্ৰাট মোৰ প্ৰতি একেবাৰে আগ্ৰহহীন হৈ পৰিছে। তুমি তাৰ কাৰণটো বিচাৰি উলিয়াব পাৰিবানে?" "বেগম চাহিবা, মই নিশ্চয়কৈ কাৰণটো বিচাৰি উলিয়াম।" বীৰবলে কলে।



৩. এদিন যেতিয়া সম্ৰাট আৰু বীৰবল অকলে আছিল, তেতিয়া বীৰবলে সম্ৰাটক কলে, "হুজুৰ, আপুনি বেগমৰ প্ৰতি আগ্ৰহ নেদেখুৱাত তেওঁ চিন্তিত হৈ পৰিছে। আপুনি নিশ্চয় জানেই যে তেওঁৰ যত্ন লোৱা উচিত।"

৪. আকবৰে কলে, "মই এগৰাকী জনজাতীয় মহিলাক পথৰ দাঁতিত সন্তান জন্ম দিয়া দেখিলো। তেওঁ সন্তানটোক এটা খৰাহীত এৰি থৈ নিজৰ কাম কৰিবলৈ গুচি গ'ল।"

৫. সম্ৰাটৰ কথা শুনি বীৰবলে বেগমক মনে মনে লগ ধৰিলে আৰু কলে, "বেগম চাহিবা, আপুনি মই কোৱাৰ দৰে কৰক।" তাৰপিছত তেওঁ গোপন আঁচনিৰ কথা বেগমক ভাঙি-পাতি কলে।



৬. বেগমে ৰাজমালীক মতাই আনি কলে, ''আজিৰ পৰা ফুলগছবিলাকত পানী দিয়া বন্ধ কৰা। সিবিলাক শুকাই যাবলৈ দিয়া। সম্ৰাটে সুধিলে মোৰ হুকুম বুলি কবা।''



৭. বাগিছাৰ ফুলগছবিলাক শুকাই যোৱা দেখি সম্ৰাট আকবৰ আঁচৰিত হ'ল। সেয়া বেগমৰ আদেশ বুলি গম পাই তেওঁ বেগমৰ ওচৰলৈ গৈ সুধিলে, ''তুমি ৰাজমালীক পানী দিবলৈ মানা কৰিছিলা নেকি?''



৮. সম্ৰাটৰ কথাত বৰ বেছি গুৰুত্ব নিদিয়া যেন দেখুৱাই বেগমে কলে, ''বনৰীয়া গছতটো কোনেও পানী নিদিয়ে। গতিকে আমি বাগিছাৰ গছবিলাকত কিয় পানী দিব লাগে?''



৯. সম্ৰাটে কলে, ''দুয়োটা কথাই একে জানো?'' বেগমে উত্তৰ দিলে, ''যদি বেগম আৰু জনজাতীয় মহিলা একেই হব পাৰে এই দুবিধ গছনো কিয় একে হব নোৱাৰে?'' সম্ৰাটে লগে লগে নিজৰ ভুল উপলব্ধি কৰিলে।

সাঁথৰ

নাৱৰীয়াজনৰ ওচৰ পোৱাত ৰাজুক সহায় কৰা

গুপ্তধনৰ বাকচ

এইমাহত আমি কিছুমান লতাজাতীয় গছৰ ছবিৰে এখন স্ক্ৰেপবুক তৈয়াৰ কৰো আহা।

আঙুৰ গছ



পান গছ



তৰমুজ

জিকা

ব'গেইনভিল্লিয়া

ৰঙালাও


TI INDIA
murugappa
HERCULES
MTB TURBODRIVE
RIDE YOUR PASSION
WINNERS CHOOSE
THE TOUGHEST
PERFORMER.
HERCULES
Official bicycle
partner of
SUPER KINGS
HERCULES
www.bsahercules.com

CHANDAMAMA (Assamese) October 2011 Registrar of Newspapers of India No. MAHASS/2010/35906
Licensed to post regd. No. MH/MR/N/134/MBI/10-12